প্রথম অর্ঘ্য ১৮৭৫ শক।



নব্যোদয়

সম্পাদক—

শ্রীঅবনীন্দ্রচন্দ্র বর্মা।

প্ৰকাশক :—
সম্পাদক, 'সৰ্বোদয় সঙ্ঘ'
ফৌজদাৰি পট্টি, নগাওঁ।

অৰিহণা ১৲ টকা মাথোন।

নগাওঁ নিউআৰ্ট প্ৰেছত শ্ৰীবৰকান্ত মহন্তৰ দ্বাৰা মুদ্ৰিত।

নৰোদয়

প্ৰথম প্ৰকাশ

[১৮৭৪ শক]

সহকাৰী সম্পাদক :—

শ্ৰীদণ্ডি শইকীয়া

সম্পাদক —

শ্ৰীঅৱনীন্দ্ৰ চন্দ্ৰ বৰা

'নৱোদয়'ৰ ভিতৰচোৰা

প্ৰবন্ধৰ শৰাইত পাবঃ—

অধ্যক্ষ শ্ৰীযুত গজেশ্বৰ শৰ্ম্মা এম, এৰ	ৰামসৰস্বতীৰ দান।
অধ্যাপক হবিবুৰ ৰহমান এম, এ ৰ	লায়লা-মজনুৰ ঐতিহাসিক পটভূমি।
শ্ৰীমান পবিন্দ্ৰ বৰাৰ	বিশ্বকবিৰ সপোনৰ বিশ্বখন।
ছ্যামচুল হুদাৰ	নিস্বাৰ্থ !
অধ্যাপক মহেশচন্দ্ৰ দেৱ গোস্বামী এম, এ ৰ	কাব্যৰ উপেক্ষিতা ?
মোখলেছুৰ আহমদৰ	ভাৰতীয় কথাছবি।
মূললেখক ৰাহুল সাংকৃত্যায়ন অনুবাদিকা বন্দনা বৰুৱা } ৰ	ভাৰতীয় মনীষীৰ দৃষ্টিত ফ্ৰয়েডৰ মনস্তত্ব।

গল্পৰ সফুৰাত পাব :—

শ্ৰীযুত মহীচন্দ্ৰ বৰাৰ	নিৰীক্ষণ।
শ্ৰীযুতা ৰেণু বৰুৱাৰ	[redacted]।
শ্ৰীমতী বীণা বৰুৱাৰ	বেঙ্গ [redacted]াদ]
শ্ৰীঅৱনীন্দ্ৰ চন্দ্ৰ বৰাৰ	মৰমে হাঁহে, মৰমে কান্দে।
শ্ৰীমতী ৰেণু বৰুৱাৰ	এটি দৃশ্য।

— :o: —

অসমীয়া, ইংৰাজী, বঙালী আদি ভাষাত সকলো ধৰণৰ ছপাৰ কাম ঠিক সময়ত গ্ৰাহকৰ ইচ্ছানুযায়ী কম খৰচত নিঃসন্দেহে ছপাই দিয়া হয় আৰু সকলো হাইস্কুল আৰু মাইনৰ স্কুলৰ লাগতিয়াল **C & D form, Stock Book, Cash Book, Record Book** (Progress Report) আৰু ৰচিদ বহী আমৰেই অতি কম দামত কম সময়ৰ ভিতৰত যোগাব পাৰে।।

আজিয়েই খবৰ কৰক, চহৰৰ একমাত্ৰ নিৰ্ভিক প্ৰেছ—

:-বিহলঙনি প্ৰেছ-:

নতুন বজাৰ—নগাওঁ।

উদীয়মান

কবি—ৰজত বৰুৱাৰ

ৰসাল কবিতা

সংগ্ৰহ—'বনপ্ৰভা' আপুনি পাঢ়ছেনে ?

লব্ধপ্ৰতিষ্ঠ

কবি শ্ৰদ্ধাস্পদ শ্ৰীযুত বিনন্দ চন্দ্ৰ বৰুৱাদেৱৰ


সুন্দৰ ভূমিকাসহ এই বিজ্ঞাপন কবিতা-পুথিখন আপুনি

এবাৰ নিশ্চয় পাঢ় চোৱা উচিত।

বেচ— ॥৵০ অনা মাথোন।

প্ৰাপ্তিস্থান—ৰজত বৰুৱা,

কুলগুৰি— (নগাওঁ)



নৱোদয়

প্ৰথম প্ৰকাশ] [১৮৭৪ শক ।

তৰুণ বীৰৰ দল ।

——০:*:০——

৺কমলানন্দ ভট্টাচাৰ্য্য ।

গীত]

[একাধাৰে কবি, শিল্পী, অভিনেতা, নাট্যকাৰ, সঙ্গীতজ্ঞ আৰু সাহিত্যিক । এখেতৰ লিখনীপ্ৰসূত 'বাউলী" 'নগাকোঁৱৰ', 'তৰুসান' প্ৰভৃতি গ্ৰন্থ অসমীয়া সাহিত্য জগতলৈ অমৰ অৱদান]

[আমি] আগবঢ়াৰ দল ।

[আমাৰ] কণ্ঠে পাঞ্চজন্য কৌমুদকী বাউসী-বল ।

[আমি] তৰুণ বীৰৰ দল ।

[আমি] আগবঢ়াৰ দল ।

[আমি] বানবাৰিষাৰ ঢল ।

—পাষাণ ছেদি পাহাৰ ভেদি—

নামো সদল-বল ।

[আমি] দৰ্ব্বৰো হিল-দল ।

—নবোদয়—

নগণো ৰিণিনি বজ্ৰ বহ্নি মৃত্যু হলাহল
[আমি] শক্তি-পুজাৰী দল !
[আমি] প্ৰলয় প্ৰভঞ্জন !
[আমি] বিস্ময় বিভীষণ !
—দীপ্ত অৰুণ তৰুণ তৰুণ
ৰক্তবীজৰ দল !
চিৰক্ষিপ্ত অচঞ্চল !
বাতুল বিৰোধী বিদ্ৰোহী চিৰ আৰ্ত্ত-সেৱক দল !
[আমি] তৰুণ বীৰৰ দল

ৰামসৰস্বতীৰ দান ।

—:০:—

অধ্যক্ষ শ্ৰীযজ্ঞেশ্বৰ শৰ্ম্মা এম, এ

আলোচনা]

পুৰণি অসমীয়া সাহিত্যৰ এটি বৃহৎ অংশ অনুবাদমূলক । মহাভাৰত, হৰিবংশ, ৰামায়ণ, পুৰাণ আদি প্ৰাচীন সংস্কৃত গ্ৰন্থবোৰ কবিসকলে অনুবাদ কৰি জনগণৰ সাহিত্য ভঁৰাল [illegible] কৰিছিল [illegible] লগে [illegible]

যোগেদি শিক্ষাদান কৰিছিল ।

মহাভাৰতৰ আখ্যান অসমপ্ৰান্তত অতি প্ৰাচীন যুগৰপৰা প্ৰচাৰিত । ডাঃ সুনীতিকুমাৰ চট্টোপাধ্যায় মহাশয়ৰ মতে অন্ততঃ খৃষ্টীয় পঞ্চম শতিকাৰপৰাই অসমত মহাভাৰতীয় কাব্যকথাৰ প্ৰচাৰ হৈছিল । (১) পৰৱৰ্ত্তী তামৰ ফলি-বিলাকতো মহাভাৰতৰ চৰিত্ৰ আৰু কাহিনীৰ উল্লেখ পোৱা যায় । (২) ত্ৰয়োদশ শতাব্দীত হৰিবৰ বিপ্ৰ নামে এজন কবিয়ে পাণ্ডৱৰ অশ্বমেধ পৰ্ব্বৰ বভ্ৰুবাহু উপাখ্যান অৱলম্বন কৰি এখনি সৰু কাব্য ৰচনা কৰিছিল । তেওঁৰ সমসাময়িক কবি ৰত্ন সৰস্বতীয়ে জয়দ্ৰথবধ আখ্যান অসমীয়া পদত ৰচনা কৰে । ইয়াৰ অলপ দিনৰ পিছতে ৰুদ্ৰকন্দলী বুলি আন এগৰাকী কবিয়ে মহাভাৰতৰ এক অংশৰ পদ কৰে । 'ৰামায়ণ' ৰচোঁতা অপ্ৰমাদী কবি মাধৱকন্দলীয়েও 'দেৱজিত' নামে কাব্যত কৃষ্ণাৰ্জ্জুন আৰু ইন্দ্ৰৰ বিৰোধ আৰু পাণ্ডৱৰ স্বৰ্গপ্ৰয়াণৰ কথা বৰ্ণনা কৰে । মহাপুৰুষ মাধৱদেৱে সভা-পৰ্ব্বৰ অন্তৰ্গত ৰাজসূয় যজ্ঞৰ আখ্যান অৱলম্বন কৰি এখনি কাব্য তেওঁৰ জীৱনৰ আগছোৱাত ৰচনা কৰিছিল । এই কাব্যৰ দুই এঠাইত মহাকবি মাঘৰ শিশুপালবধৰ সামান্য ছায়া পৰা দেখা যায় । এই কথা লক্ষ্য কৰিবলগীয়া যে,

(১) Dr. S. K. Chatterjee— Kirata jana Krti.

(২) কামৰূপ শাসনাৱলী -- মহামহোপাধ্যায় পদ্মনাথ ভট্টাচাৰ্য্য বিদ্যাবিনোদ ।

মহাপুৰুষসকলৰ আৰু তেওঁলোকৰ পৰৱৰ্ত্তী ভক্ত কবিসকলৰ ৰচিত নাটবিলাকত মহাভাৰতৰ আখ্যান নাটকৰ কথাবস্তু হিচাপে ইচ্ছা কৰিয়েই বৰ্জ্জন কৰা যেন লাগে। কিন্তু মহাভাৰতৰ আখ্যান বৈষ্ণৱ মতৰ সম্পূৰ্ণৰূপে পৰিপোষক, তাৰ প্ৰমাণ আমি বৈষ্ণৱ কবি ৰামসৰস্বতীৰ ৰচনা বিলাকত পাওঁ।

সমগ্ৰ মহাভাৰত অসমীয়া পদ্য-ছন্দত অনুবাদ কৰিবলৈ আগ বঢ়া কবি ৰামসৰস্বতীয়েই প্ৰথম আৰু প্ৰধান। যদিও তেওঁ এই বৃহৎ সাহিত্য সাধনাৰ কাৰণে কোচ ৰাজ-সভাত মহাৰাজ নৰনাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰিছিল, তথাপি দেখা যায় ৰাজসভাৰ সংস্পৰ্শলৈ অহাৰ অনেক আগৰ পৰাই কবি ৰামসৰস্বতীয়ে এই বিৰাট কাৰ্য্য আৰম্ভ কৰিছিল। এই মহাভাৰত অনুবাদ কাৰ্য্যত তেওঁ পৃষ্ঠপোষক ৰজাৰ পৰা যি সাহায্য আৰু সহানুভূতি লাভ কৰিছিল, সি আমাৰ সাহিত্য-বুৰঞ্জীত এটি উল্লেখযোগ্য ঘটনা। এই অনুবাদ কাৰ্য্যত কবি ৰামসৰস্বতীয়ে তেওঁৰ সমসাময়িক দুই চাৰিগৰাকী কবিৰ পৰাও সহযোগিতা লাভ কৰিছিল; তেওঁলোকৰ ৰচনা বিলাক অতি সাদৰে তেওঁৰ কাব্যৰ অন্তৰ্ভুক্ত কৰি লৈছিল। ৰামসৰস্বতীৰ জীৱন অতি ঘটনাপূৰ্ণ। তেওঁৰ জীৱন কালত কোচ ৰাজ্যৰ অন্তৰ্বিপ্লৱ, আৰু কোচ, আহোম আৰু মুছলমান আক্ৰমণকাৰীসকলৰ যুদ্ধ চলি থকাত তেওঁ বহুদিন শান্তিৰে এনে ঠাইতে ৰহি সাহিত্য চৰ্চ্চাৰ সুবিধা নাপাইছিল। তেওঁ [illegible] ৰাজসভাত কবি আছিল;

তাৰ মৰণ কাললৈকে সাহিত্য-সাধনা এৰি দিয়া নাছিল। তেওঁৰ ৰচিত মহাভাৰতৰ কেবাটা পৰ্ব্বও পোৱা যায়। কিছুমান সম্ভৱতঃ লোপ হৈছে। এই সকলোবিলাকেই মহাভাৰতৰ সংক্ষিপ্ত, সৰল আৰু সুললিত অনুবাদ। মূলৰ কিছু অংশ ঠায়ে ঠায়ে বাদ পৰিলেও মহাভাৰতৰ প্ৰধান কাহিনী সবলোখিনিকে ইয়াত পোৱা যায়।

ৰামসৰস্বতীৰ সাহিত্য-প্ৰতিভা মহাভাৰতৰ অনুবাদৰ ওপৰত প্ৰতিষ্ঠিত নহয়। তেওঁৰ কৃতিত্ব তেওঁৰ উদ্ভাৱনী শক্তিতহে দেখা যায়। মূল মহাভাৰতত নথকা অনেক কাহিনী ৰামসৰস্বতীয়ে বনপৰ্ব্বত সুমৰ কৰি থৈ গৈছে। এই কাহিনীৰ প্ৰায় সকলোবিলাকেই পাণ্ডৱৰ বনবাস সম্পৰ্কীয়। পাণ্ডৱ বনবাসত থকা কালত তেওঁবিলাকৰ লগত নানা অসুৰ দানৱৰ আৰু পৰাক্ৰমী ৰজাৰ সংঘৰ্ষ হৈছিল। এই বিলাকেই ৰামসৰস্বতীৰ মৌলিক কাব্যবিলাকৰ বিষয়বস্তু। চমুকৈ এই বিলাকক আজিকালি বধকাব্য বুলি জনা যায়, আৰু এই সকলোবোৰকেই ৰামসৰস্বতীয়ে বনপৰ্ব্বৰ ভিতৰুৱা কৰি থৈ গৈছে। এই কাব্যবিলাকক ৰামসৰস্বতীয়ে নিজে কেবা ঠাইতো বৈষ্ণৱপৰ্ব্ব বুলি উল্লেখ কৰিছে। এই কাব্যবিলাকৰ মাজেদি পাণ্ডৱৰ একনিষ্ঠ কৃষ্ণ-ভক্তি আৰু শ্ৰীকৃষ্ণৰ ভক্ত-বাৎসল্য এই দুয়োটা মূল কথা প্ৰকাশ পাইছে। এই কাৰণে ৰামসৰস্বতী বৈষ্ণৱ আন্দোলনৰ এজন প্ৰধান কবি। এই কবিতাবিলাক একালে

যেনে গধুৰ ভক্তি-তত্ব, আনফালে জনপ্ৰিয় লঘু সাহিত্য। অসুৰ-দানৱৰ অলৌকিক কাহিনী, যুদ্ধৰ বৰ্ণনা, বিপদসঙ্কুল আৰু ঘটনাপূৰ্ণ পাণ্ডৱজীৱনৰ কাহিনী, অথচ সৰল সহজ ছন্দত জনসাধাৰণে চুকি পোৱা ভাষাত ৰচিত—

—ৰামসৰস্বতীৰ ৰচনাসমূহে লোকপ্ৰিয় জনসাহিত্যৰ ঠাই অধিকাৰ কৰাৰ এয়ে মূল কাৰণ।

ভীমচৰিতৰ প্ৰভাৱ অসমীয়া গাঁৱলীয়া সমাজত অতি বিস্তৃত। অসমীয়া গাঁৱত এনে বুঢ়া–ডেকা অতি কমেইহে ওলাব, যি ভীমচৰিতৰ এফাকি পদ গাব নোৱাৰে। মহাভাৰতৰ আখ্যান আৰু লৌকিক শিৱায়ন সাহিত্যৰ সংমিশ্ৰন ভীমচৰিত। জগতক ৰবদি নিজে নাঙঠা শিৱৰ দাম্পত্যজীৱনৰ মাজত ভোজনপ্ৰিয় ভীমৰ প্ৰবেশ, শিৱপাৰ্ব্বতীৰ সম্বন্ধ, শিৱৰ কৃষিকাৰ্য্যত ৰখাচেষ্টা আদি হাস্যৰসাত্মক কথাই **ভীমচৰিতক** অসমীয়া জনসাহিত্যত এখনি বিশেষ আসন দিছে। খটাসুৰবধ, কুলাচল বধ, বঘাসুৰ বধ, জম্ভাসুৰ বধ আদি কাব্যবোৰ বৰ্ণনাবহুল। কোনো কোনো ঠাইত বৰ্ণনা অনাৱশ্যক আৰু অতিৰঞ্জিত; সেইবোৰ লোকৰঞ্জনৰ কাৰণে আৱশ্যক হৈছিল। প্ৰত্যেকখন কাব্যতে পাণ্ডৱৰ বীৰত্বৰ কথা আৰু সেই বীৰত্বৰ উৎস যে কৃষ্ণভক্তি, এই কথা প্ৰত্যেক কাব্যতে স্পষ্ট হৈ-উঠিছে, নহলে এইবোৰ কাব্যৰ লগত 'জেক্ ডি জায়াণ্ট কিলাৰ'ৰ সাধুৰ পাৰ্থক্য নাথাকিলহেঁতেন। এই বৃহৎ কাব্যবোৰৰ মাজে মাজে কবিয়ে ভাগৱতৰ গুটিকুল বাছি সাধাৰণ কাহিনীৰপৰা

এইবিলাকক ওপৰলৈ তুলি নিছে।

এই কাব্যবোৰৰ মুল মহাভাৰতত বিচাৰিবলৈ গলে দিনৰ পৰ্ব্বত, ৰাতিৰ জুই খেদাৰ নিচিনা হব। জৈমিনীভাৰতৰ কিছু অংশ প্ৰকাশ হৈছে, তাতো মহাভাৰতত উল্লেখ নোহোৱা বহুত কথা সোমাই আছে। দেখা যায় মহাভাৰতক আশ্ৰয় কৰি ঠায়ে ঠায়ে ডাঙৰ সাহিত্য ৰচনা হৈছিল, আমাৰ পুবপ্ৰান্ততো নিশ্চয় নোহোৱা নহয়, তাৰে কিছু অংশ আমি ৰামসৰস্বতীৰ বধকাব্যবিলাকত পাওঁ। ৰামসৰস্বতীয়ে তেওঁৰ এই কাব্যবোৰৰ ঠায়ে ঠায়ে হংসকাকী, শিৱযামল আদি গ্ৰন্থৰ কথা উল্লেখ কৰিছে। সেইবিলাক গ্ৰন্থৰ বিষয়ে কোনো কথা আজিকালি পাবলৈ নাই। হব পাৰে সেই গ্ৰন্থবোৰ কালৰ গৰ্ভত লীন হৈছে।

সেই সময়ত ন[illegible]ৰণ, পুৰাণ—ভাগৱতৰ বিশেষ চৰ্চ্চা হৈছিল, সেই কথা নতুনকৈ প্ৰমাণ কৰিবৰ আৱশ্যক নাই, সেই চৰ্চ্চাৰ ফলস্বৰূপেই পুৰণি অসমীয়া কাব্য সাহিত্য। সেই কাব্যকাৰসকলৰ অগ্ৰগামী ভাৰতাশ্ৰয়ী কবি ৰামসৰস্বতী। তেওঁৰ বনপৰ্ব্বৰ অন্তৰ্গত বিভিন্ন কাব্যবোৰ অসমৰ নিজস্ব অৱদান বুলি ধৰিব পাৰি।

"শক্তিতকৈ সহিষ্ণুতা শ্ৰেয়।"

— ৰাস্কিন।

নিৰীক্ষণ।

শ্ৰীমহীচন্দ্ৰ বৰা বি, এল।

কথা]

[আধুনিক অসমীয়া গল্পলিখকসকলৰ ভিতৰত এখেতৰ নাম জাকতজিলিকা। "আৱাহন' 'ৰবদৈচিলা' 'ৰামধেনু' প্ৰভৃতি আলোচনীৰ পাঠকসমাজৰ আগত এখেতৰ গল্পই হাস্যৰসৰ ৰহঘৰা মেলি দিছে। নিভাঁজ ৰচনা ৰীতি আৰু স্বকীয় প্ৰকাশভঙ্গী এখেতৰ লিখনীৰ বৈশিষ্ট্য।]

বাৰু, এতিয়া যোৱা।

চৰণে অৱশ্যে মৰণৰ ঠাই জানে। কিন্তু মৰিবৰ ইচ্ছা মোৰ সমূলি নাছিল আৰু পঞ্চাছ বছৰৰ পিছতো যে তেনে ইচ্ছা হব তাৰো ভৰষা নাই।

চৰণে চিনা ঠাই সভাপতিৰ ঘৰলৈকে খোজ চলাবলৈ ধৰিলোঁ।

পদুলিৰপৰাই দেখিলোঁ— দেশ স্বাধীন হোৱাৰ পিছত সভাপতিৰ নতুনকৈ সজা দুমহলীয়া ঘৰৰ আহল-বহল চোতালত চাহ মেলৰ বিৰাট আয়োজন— কোনো এজন 'এইচ এম'অৰ অভ্যৰ্থনাৰ কাৰণে। সভাপতিৰ প্ৰতিপত্তি দিনক-দিনে বাঢ়িছে।

ওহোঁ পদুলিত এনেকৈ ঠিয় দি থকাটোও নিৰাপদ

নহয় । গান্ধীটুপিপৰিহিত, খদ্দৰসুশোভিত শিল্পপতি, কেন্দ্ৰপতি, ৰাষ্ট্ৰপতি, লাখপতি, জিলা-মহকুমাৰ অধিপতিসকলক বুকুত লৈ লানিনিছিগা বহুৰঙী 'কাবৰ' খুন্দাত পৈতৃক প্ৰাণ শোধাবৃৰ ইচ্ছা মোৰ নাই ।

দৈৱ আৰু ভাগ্যক্ৰমে অভ্যাগতক আদৰি নিবৰ কাৰণে অহা সভাপতিৰ চকু এবাৰ মোৰ ওপৰত পৰিল । কলোঁ।— "বিশেষ কাৰণত লগ পাবলৈ আহিছিলোঁ।" । "দেখিছাই নহয় ? কালিলৈ পালেও নহব জানো ?"

সভাপতিৰ সৰ্ব্বাঙ্গতে ব্যস্ততাৰ সুস্পষ্ট লক্ষণ । "—বাৰু এতিয়া যোৱা । 'এইচ, এম' পায়হিয়েই লাগে ।" এই বুলি যি পথেদি 'এইচ, এম' অহাৰ কথা সেই পথেদি তেওঁ চাযেই থাকিল ।

এনে চাহ-মেলত বহিবৰ যোগ্যতা মোৰ আগেয়েও নাছিল, এতিয়াও নাই । আগলৈকো নহব, তাক মই জানো । মোৰ নিচিনা কেৱল উকা পত্নীৰ পতিহঁতৰ তাত ঠাই নাই, নগৰুত অলপ সাৰ থকা লোকেও জানে । অৱশ্যে প্ৰকাৰান্তৰে নেখেদাহলেও হলহেঁতেন । আপুনিয়েই আঁতৰিবৰ সুবুদ্ধি মোৰ আছে ।

আঁতৰোঁতে আঁতৰৰপৰাই শুনিলোঁ।— অনাতাঁৰৰ লাউদ স্পীকাৰৰ সহায়ত বাজি উঠা—

ৰঘুপতি ৰাঘৱ ৰাজাৰাম

সবকো সদ্‌মতি দে ভগবান ।

বোধকৰোঁ 'এইচ এম' চাহমেলত বহি শোভাবৰ্দ্ধন কৰি ভক্ত পণ্ডিতসকলৰ প্ৰতি কৃপা কটাক্ষ হানিছেহি ।

সেৱা লাগে, সংগঠন লাগে ।

পুৱাতেই সভাপতিৰ ঘৰলৈ গৈ বাহিৰৰ বেঞ্চি এখনিতে বহিলোঁ । অনেক সময়ৰ মূৰত ওলাই অহা লৰা এটাক সুধি জানিলো ।— সভাপতি তেতিয়াও টোপনিত । 'এইচ এম'অক সম্ভাষা জনাবলৈ বাইজে পতা অমৃত-মন্থন ভাওনা চাই শেহ ৰাতিহে উভতিছে । এটা নিশ্বাস ছাৰি শেহ মৌ কৰোঁতেই বিখ্যাত বণিক কুম্ভকৰ্ণ আছোৱালে 'ৰাম ৰাম বাবুজী' বুলি মোৰ ফালে এবাৰ টেৰুৱাকৈ চাই ড্ৰয়িং ৰুমত সোমাল । কন্তেকৰ পিছতে সভাপতি আৰু আছোৱালৰ ভুনভুননি কাণত পৰিল ।

বিয়নী— মেলৰ অন্তৰ আগন্তুক নেদেখি অধৈৰ্য্য হৈ গল হেকাৰিলোঁ,— 'হো, প্ৰতিদান নাই ।

বহি বহি সঁচাকৈয়ে আমনি লাগিছিল । মৰণত শৰণ দি উঠি দুৱাৰৰ চেলুলয়েডৰ পৰ্দ্দা অলপ দাঙি ভিতিটো সোমাই দিলোঁ ।

"তুমি আহিছা ?"

"তেনে বুলিয়েই মযো ভাবিছোঁ"— বিৰক্তিৰে কলোঁ ।

"দেশত শত্ৰুৰ দল বাঢ়িছে। সংগঠনত লাগা। বুজিছে বাবুজী, এওঁ আমাৰ এজন ভাল কৰ্ম্মী, খাটিব পাৰে।"

ভাবিলোঁ—এনে প্ৰশংসাত ভগৱন্তবন্তও আপ্লুত হয়। মই কোন কুটা ?

বাবুজীয়ে বহাৰপৰাই এটি প্ৰণাম মোলৈ টোৱাই কলে,— "আমাক এইৰকম কৰ্ম্মী লাগে। ছয়ছলিষ্ট, কামুনিষ্ট-বোৰে 'দেছ্' খাই লব বাবুজী—"

"খাব কি ? খাইছেই। সেইদেখিহে মই সদায় কৈ আহিছোঁ— সংগঠনৰ যোগেদি, সেৱাৰ যোগেদি ৰাইজৰ মন আকৃষ্ট কৰিব লাগিব।" —সভাপতিয়ে কলে।

"ঠিক বাবুজী' 'ছেৱা' লাগে, 'ছংগঠন' লাগে।"

"লাগে বুজিছোঁ, কিন্তু ইমান দিনেনো তেন্তে আমি কৰিছিলো কি ? এতিয়া দেখো আপোনালোকেই সেৱাৰ সেৱা চুৰ কৰিছে, সংগঠনৰ মুৰত মাধমাৰ শোধাইছে।"

গৰজি উঠিল সভাপতি। কলে— "দেশৰ কাৰণে, দহৰ কাৰণে ইমানদিন যুজিছিলোঁ— যুঁজিছিলা। দেশ স্বাধীন হৈছে— কিন্তু সেই স্বাধীনতা ৰক্ষাৰ গুৰুভাৰ আকৌ আমাৰ ওপৰত পৰিছে। দেশৰ প্ৰতি আমাৰ দায়িত্ব আৰু কৰ্ত্তব্য আৰু বাঢ়িছে।"

"ইতিহাসে এইদৰে অভিনয় কৰিয়েই থাকে।"

"শুনা, তৰ্ক নকৰিবা। আজিয়েই আকৌ আগৰদৰে কামত লাগা, গাৱেঁ গাৱেঁ প্ৰচাৰ কৰা মন্ত্ৰীসকলৰ, ৰাষ্ট্ৰপতিসকলৰ

মাঙ্গলিক বাণী ।"

"সেইবোৰ কৰিবলৈ বাবুজীহঁত আছে— স্বাধীন চৰকাৰৰ মাহে হেজাৰ বাৰশ পোৱা বিষয়াৰ অভাৱ নাই। প্ৰচাৰ বিভাগৰ অনুগ্ৰহত গাৱে গাৱে অনাতাঁৰত ৰাইজৰ প্ৰতি চৰকাৰৰ সহানুভূতিৰ বাণী বাজিবই লাগিছে। প্ৰচাৰ 'ভানবো' সংখ্যা একেবাৰেই কম নহয়।" চকুটেৰুৱাকৈ সভাপতিয়ে চালে।

কলে।— "মই আহিছিলো আপোনাৰপৰা অলপ সহায় বিচাৰি। আপোনাৰ হাত দীঘল অন্ততঃ এতিয়া হৈছে। মোৰ ঘৰ-দুৱাৰ ভাঙি-ছিঙি গৈছে। চৰকাৰৰ বন্ধা দামত দুছলামান টীন বিচাৰিছোঁ। খেৰ দেখিব'ল নাইকিয়া হৈছে— বি দুমুঠি ওলায়, তাৰো জই ছাই দাম।"

সভাপতি গম্ভীৰ হল। কলে— "টীনৰ কাৰণে দিয়া আবেদন-নিবেদন মোৰ ফটা কাকতৰ টোপোলাত পচিব লাগিছে। মই নিজেই এতিয়া মটৰ গেৰেজটো বহলাবৰ কাৰণে টীনপাত বিচাৰি হাবাথুৰি খাইছোঁ।"

কলোঁ।— "এৰা, এনেবোৰ কথা অদৃষ্টৰ উপহাসৰ নিচিনাই শুনুত বাজে।" "বিশ্বাস নকৰা? বাবুজীকেই সোধা।" বাবুজীয়ে ৰবপেটটো এবাৰ ওফোন্দাই কলে— 'ছভাপতিয়ে' হক কথা কৈছে বাবুজী। আজি-কালি টীন আৰু 'ছোনা' একেই হৈছে। আপুনি আমাৰ 'কাংৰেছি' লোক। আপোনাক যদি নিতান্তই লাগে, যোগাৰ কৰি দিব পাৰিম।— বাজিৰত 'দুছ'কৈ কিন্তু লাগিব।"

"বাণ্ডিলত ছুশ ? এই অনুগ্ৰহৰ অত্যাচাৰৰপৰা মোক মুক্তি দিয়ক বাবুজী। ছুশডাল নোমো মোৰ গাত বিচাৰিলে নোপাব। ভাল এতিয়া সেৰাছে।"

সভাপতিৰ আদেশ শিৰোধাৰ্য্য কৰি সংগঠনৰ কামত আকৌ লাগিলোঁ— গাৱেঁ-ভূঞে আকৌ ঘূৰিলোঁ।

লেখকৰ "নিৰীক্ষণ" নামক কাহিনীৰপৰা বোটলা।

—০—

জন্মভূমি

শ্ৰীৰত্নকান্ত বৰকাকতি।

কবিতা]

[অসমৰ সুধীবৃন্দৰ সুপৰিচিত অন্যতম দাৰ্শনিক কবি। 'শেৱালি' অসমীয়া সাহিত্য মন্দিৰলৈ এখেতৰ মোহন উপহাৰ]

জননি জনম—ভূমি
তুমি মোৰ
নোহোৱা মৃন্ময়ী দেবী—
তুমি যে চিন্ময়।
নোহোৱা হৃদয়বিহীন তুমি
কাঠ-বাঁহ
মাটি-পানী মাথোঁ।

গছে-পাতে নাচি উঠা
চেনেহ-প্ৰীতিৰ ৰঙে
এখনি হৃদয় !

* * *

তোমাৰ ফুলতে ফুলে
প্ৰিয়টিৰ জেউতি মুখৰ,
তোমাৰ ফলতে ফলে
প্ৰীতিৰ সোৱাদ মোৰ
আপোন ঘৰৰ ।

* * *

তোমাৰ নৈবেদ্য বয
ধীৰে বোৱা
দুখে-সুখে সেই
এখনি যে জননী-হৃদয় !
তোমাৰে আকাশে হাঁহে
মৃদুল বতাহ বলি
হাঁহি লই বন্ধুটিৰ
চিৰ-সহৃদয় ।

* * *

তোমাৰ চৰাইযে মাতে
ধ্বনি তুলি আবেগভৰ
মোৰ এই

ব্যাকুল হিয়াৰ,
জোন বেলি-তৰা, জ্বলে
নিজেই করুণা ঢালি
অকৃপণ হৃদয়েৰে
পৰমপিতাৰ।

* * *

তোমাৰ মাতত্তে শুনো
মাত মোৰ
চিৰ-চেনেহৰ সেই
জননী কণ্ঠৰ,
তোমাৰ মাতত্তে ভণো
মোৰ এই ভগাছিগা
হৃদয়ৰ কথা লই
কবিতা—সুন্দৰ।

* * *

তোমাৰে বসন্ত আহি
অন্তৰত মোৰ
"কুহু" স্বৰ ঢালি কোকিলৰ,
যৌৱন সঞ্চাৰি দিয়ে
বিৰহৰ লগাই খলক
হু—হু বৰে
কিযে ৰহস্যৰ!

আজি

তোমাৰ শৰতে আহি

দিছে দেখা হাঁহি হাঁহি

শঙ্কৰ মুৰতি ধৰি

নিৰ্ম্মল ৰূপৰ ;

সৰসীত ফুলি উঠা

পদুমৰ সতে আজি

লগতে উঠিছে ফুলি

ভকতি পদুম মোৰ

লভি মহা জ্যোতিকণা

বিজয়া দশমী
শঙ্কৰাব্দ

শঙ্কৰ- সূৰ্য্যৰ ।

—:০:—

"মহাপুৰুষক অনুকৰণ কৰি যাতে আৰু ডাঙৰ মানুহৰ জন্ম হয়, তাৰ বাবেই মহাপুৰুষসকলে জন্ম লয়।"

—ইমাৰ্ছন ।

—:০:—

নৱোদয়

কণু বৰুৱা বি, এ

কণিকা]

[এগৰাকী সাহিত্যানুৰাগী লিখিকা। 'নতুন অসমীয়া' আৰু 'জন্মভূমি'ৰ পাঠক-পাঠিকাই এওঁৰ লেখনীৰ সোৱাদ পাইছে।]

খনিকৰ ..... হৃদয়ৰ সকলো উত্তাপ ঢালি দি সি মাটিৰ প্ৰতিমা গঢ়ে! এমুঠি মাটি, অলপ ৰং তাতে লুকাই থাকে সৃষ্টিৰ ৰহস্য। বিশ্বজগতখন প্ৰহেলিকা। তাৰ সৃষ্টিকৰ্ত্তা অনো এটি জটিল সাঁথৰ... বস্তু এই সাঁথৰ ভাঙিবলৈ বহুত মানুহেই চেষ্টা নকৰে, সিহঁতেই হৈছে পৃথিৱীৰ সহজ মানুহ ..... খনিকৰো তাৰে এজন! খনিকৰৰ সৰু জগতখন সৃষ্টিৰ এটি সহজ নিজৰা, তাত জীৱনৰ জটিলতা নাই। সহজ স্বচ্ছ জীৱন খনিকৰৰ আৰু তাৰ-সি নিজা গঢ়া পুতলাবোৰৰ .... মাটিৰ পুতলাবোৰেই খনিকৰৰ জীৱনৰ সংস্থান .... সি সিহঁতক গঢ়ে, ভাঙে, সিহঁতৰ লগত অবুজ ভাষাত কথা পাতে.. ....। বিভিন্ন ৰঙৰ সংমিশ্ৰণত গঢ়ি উঠা পুতলাবোৰে তাৰ মনটোক কোনোবা মায়া-পুৰীলৈ লৈ যায়.... ধনৰ অভাৱে হাললেও সি পাহৰি যায় তাৰ জীৱনৰ বহু যাতনা-টোক।

.........সেইদিনা সি গঢ়িছিল বজাৰ সাজুত এটি মূৰ্ত্তি.........

মাটিৰে গঢ়া ৰূপ তাৰ প্ৰাণৰ অনুভূতি লৈ জীৱন্ত হব। তিল তিল্ কৈ গঢ়ি উঠা তাৰ সাধনাৰ এটি অঙ্গৰ পূৰ্ণতা আনিব এই মূৰ্ত্তিটোৱে [illegible]। সি মন-প্ৰাণ ঢালি দিয়ে মূৰ্ত্তি গঢ়াত...... কিন্তু নিজা এটা অজান আশঙ্কাত তাৰ প্ৰাণ কঁপি উঠে....... কল্পনাত যদি নিজা এটা ভুল হল.... কিবা এটা খুঁত ৰৈ গল... সি [illegible] এই আশঙ্কা... পিছ মুহূৰ্ত্তত সি দুগুণ উৎসাহেৰে [illegible]।.. নিখুঁত এই মূৰ্ত্তিৰ বিনিময়ত পাব সি এমুঠি [illegible] ... সেই ধনে তাৰ জীৱনলৈ আনিব সুখ আৰু স্বচ্ছলতা।

তাৰ [illegible] নাছেৰি দিনৰ পোহৰবোৰ শেষ হৈ যায়। পৃথিৱীৰ বুকুত নিঃশব্দে সৰি পৰে ৰাতিৰ ঘন আন্ধাৰবোৰ .. শান্তিত তাৰ চকু দুপাট জাপ খাই আহিব খোজে ..·· কিন্তু মনটোৱে বিশ্ৰাম লব নোখোজে.... সি ভাবে তাৰ জগতখনৰ বিচিত্ৰতা..... শান্তিৰ পৰশত তাৰ মন ভৰি উঠে..... ভগবানৰ এই বিৰাট বিশ্বখন আৰু তাৰ সৰু জগতখনৰ স্ৰষ্টা সি নিজে.... সিহঁত দিছুমান অকণমান শিশু......সি এই শিশুবোৰৰ পিতা.... ভাবি ভাবি খনিকৰ বস্তুৰূপবোৰ আঁতৰি যায় ..···'খনিকৰ'। খনিকৰে ঘূৰি চায়—সেই শেষ হব খোজা ৰজাৰ মূৰ্ত্তিটো··· মাটিৰ নহয় .... তেজ মঙহৰ জীৱন্ত মানুহ·····.. ৰজাৰ চকুৱে-মুখে আতঙ্কৰ চিন ·· "খনিকৰ, তুমি মোৰ সৰ্ব্বনাশ কৰিলা। তোমাৰ সৃষ্টিৰ ক্ৰুটিৰ কাৰণেই আজি মোৰ এই অৱস্থা—ৰজা হৈ আজি মই [illegible]লৰীয়া। সিহঁতে মোক হত্যা কৰিবলৈ

আহিছে ।" ৰজাই আঙুলিয়াই দেখুৱায় । চকু ঘূৰাই চাই খনিকৰে ...... বেৰত অগণন ছায়া-মূৰ্ত্তি...... মূৰ্ত্তিবোৰ লাহে লাহে স্পষ্ট হৈ উঠে ...... এইবোৰ খনিকৰে নিজ হাতে গঢ়া মাটিৰ মূৰ্ত্তি ; কিন্তু সিহঁতৰ গাত এতিয়া মাটিৰ জড়তা নাই—চেতনাৰ জীৱন্ত মূৰ্ত্তি সিহঁত ......সিহঁত সকলোৰে হাতত শানিত অস্ত্ৰ ......খনিকৰৰ ভয় লাগি যায়......কিন্তু ইহঁত আহিল ক'ৰপৰা ? ইহঁতক দেখোন খনিকৰে কেতিয়াবাই টকাৰ বিনিময়ত বেচি দিছিল— খনিকৰে আৰু বেছি ভাবিবলৈ নাপালে... সিহঁতৰ এটাই কৈ উঠিল ... "তুমিয়েই আমাৰ ভগৱান নহয় জানো ?" মন্ত্ৰমুগ্ধৰ দৰে খনিকৰে উত্তৰ দিলে, ... "এনা নহয় ।" সিহঁত সকলোৱে চিঞৰি উঠিল,—'আমি কাৰ মানি চলিম— তোমাক নে তোমাৰ সৌ ৰজাক ? তুমি যি উদ্দেশ্য আমাক সৃষ্টি কৰিছিলা, সেই উদ্দেশ্যৰে সমাধি ঘটিছে ; মনুষ্যত্বৰ লেশমানো আমাৰ গাত নাই— হাবিৰ পশুৰ দৰেই আজি আমি হিংস্ৰক কিয় জানা ? ভোকত আমাৰ পেট জ্বলিছে । কাপোৰৰ অভাৱত আমাৰ শৰীৰে কান্দিছে । ৰেজাৰ অত্যাচাৰত আমাৰ প্ৰতিটো অঙ্গ বিকল হৈ গৈছে, তথাপিও তোমালোক অন্ধ .. কিন্তু তোমালোকে [illegible] তোমালোকৰ বাহিৰ-ভিতৰৰ এই অন্ধতাই আমাক দিব্যদৃষ্টি দান কৰিছে । এই দিব্যদৃষ্টিত কি দেখিছোঁ [illegible] দেখিছোঁ নতুন সূৰ্য্য ... নতুন পোহৰ ... সেই পোহৰত জন্ম হৈছে লক্ষ লক্ষ নতুন শক্তিৰ— সেই পোহৰত চাৰণাৰ হৈছে তোমাৰ

ৰজাৰ দুৰ্ব্বল শক্তি। তুমি নাজানিবা খনিকৰ—তোমাৰ ৰজা আৰু তেওঁৰ অনুগামীসকলে চিৰকাল আমাক এই দৰে শোষণ কৰি থাকিব পাৰিব। সূৰ্য্যৰ পোহৰত সিহঁতৰ কৃত্ৰিম শক্তি নিঃশেষ হৈ যাব আৰু তেতিয়াই হব আমাৰ নতুন জন্ম। খনিকৰে ভয়ে ভয়ে সিহঁতৰ চকুলৈ চালে—অঙ্গাঠাৰ দৰে সিহঁতৰ চকু·· সিহঁতৰ ক্ৰুদ্ধ দৃষ্টি ৰজাৰ ওপৰত……. খনিকৰে ৰজালৈ চালে ….. ভয় আৰু নিস্ফল আক্ৰোশত কঁপিছে। খনিকৰৰ সৃষ্ট ৰজা …… ৰজাৰ ভয়াৰ্ত্ত দৃষ্টিয়ে যেন কব লাগিছে … মোক ৰক্ষা কৰা, মোক আশ্ৰয় দিয়া……ৰজালৈ এবাৰ বিদ্ৰূপৰ ভঙ্গাৰে চাই সিহঁতৰ এটাই কৈ উঠিল……ভয় নাই ৰজা……. তোমাক এতিয়া হত্যা নকৰো।….. তুমি মৃত্যু বৰণ কৰিবা সময়ৰ অদৃশ্য শক্তিৰ হাতত— সেই শক্তি কিমান দুৰ্জ্জয়, তুমি নাজানা… কৈ কৈ সিহঁত লাহে লাহে অস্পষ্ট হৈ আহিল। চাওঁতে চাওঁতে খন্তেকতে মুৰ্ত্তিবোৰ বিলীন হৈ গল— খনিকৰ স্তব্ধ, ৰজা নিস্পন্দ·· কিমান সময় এই দৰে পাৰ হৈ গল খনিকৰে নাজানে·· যেন এটা যুগ·· পুৱফালৰ পৰা সূৰুযৰ ৰঙা পোহৰে জগাই তোলে খনিকৰৰ ··লাৰ পাই যায় খনিকৰ ··বাহিৰলৈ চকু ঘুৰায়·· অলপতে নতুন সূৰ্য্য উঠিছে—নতুন প্ৰভাতৰ জন্ম….দুঃস্বপ্নৰ গ্লানি যেন দুৰ হৈ যায় খনিকৰৰ· হঠাৎ কিবা এটা মনত পৰে· খনিকৰে আজি মুৰ্ত্তিটো শেষ কৰিব লাগিব··কিন্তু ইকি· বিস্ময়ত স্তব্ধ হৈ যায় খনিক··· মুৰ্ত্তিটো ভাঙি পৰি আছে মাটিত……।

—০—

লায়লা-মজনুৰ ঐতিহাসিক পটভূমি।

অধ্যাপক হবিবুৰ ৰহমান এম, এ।

আলোচনা]

[এখেতৰ চিন্তাপূৰ্ণ দুই চাৰিটা প্ৰবন্ধই যুগোপযোগী চিন্তাধাৰা আৰু সবল দৃষ্টি-ভঙ্গীৰ সঙ্কেত দিছে।]

মুছলিম জগতত লায়লা-মজনুৰ কাহিনী নজনা লোকৰ সংখ্যা বৰ কমেই আছে। পৃথিবীৰ প্ৰায় সকলোবোৰ প্ৰধান প্ৰধান ভাষাতে ইয়াৰ অনুবাদ হৈছে। অত্যন্ত মনোযোগেৰে প্ৰাচীন পাৰস্য ভাষাত লিখিত উপন্যাস বা গল্পবিলাকৰ প্ৰকাশ-ভঙ্গী বা ৰচনা-ৰীতিলৈ মন কৰিলে দেখা যায় যে, লায়লা-মজনুৰ কাহিনীয়ে সেই প্ৰচলিত ধাৰাক অতিক্ৰম কৰিছে।

লায়লা-মজনুৰ কাহিনীত ঐতিহাসিক সত্যতা কিমানদূৰ আছে, তাক সঠিকৈ কোৱা টান। কিন্তু সেইবুলি আমি লায়লা-মজনু অমূলক, মিছা গল্প মাত্ৰ বুলি কব নোৱাৰোঁ। কোনো কোনো ঐতিহাসিকৰ মতে খৃষ্টীয় সপ্তম শতাব্দীত আৰব দেশৰ ইবনে হোছেইন নামৰ এজন মুছলিম সাধকে প্ৰথমে লায়লা-মজনু নামৰ এখন বিয়োগান্ত কাব্যোপন্যাস পঢ়িবলৈ সুযোগ পাইছিল বুলি কয়। ইবনে হোছেইনেই যে আৰবী ভাষাত লায়লা-মজনু উপন্যাস আকাৰে ৰচনা কৰিছিল, তাত সন্দেহ

নাই। ইয়াৰ পিছত ফাৰেস্তানৰ (পাৰস্যৰ অন্তৰ্গত) মাস্তান বাবা নামৰ এজন সাধক-সাহিত্যিকে সৰ্ব্বপ্ৰথম ফাৰ্চী ভাষাত ইয়াৰ অনুবাদ কৰে। তেতিয়াৰেপৰা এই কাহিনী জনসমাজত লায়লা-মজনু বা লায়লী-মজনু নামে পৰিচিত হৈ পৰে। এই কাহিনীটি অৱলম্বন কৰি পাৰ্চী চুফী কবিসকলে জগতত অমৰ সাহিত্য ৰচনা কৰে।

লায়লা-মজনুৰ কাহিনী হয়তো ইছলাম আবিৰ্ভাৱ হোৱাৰ আগৰেপৰা আৰবৰ চুকে-কোণে গল্পৰ আকাৰে কথিত হৈছিল। ইছলাম প্ৰচাৰ হোৱাৰ পিছত, ধাৰ্ম্মিক আৰু সাধুসকলে এই কাহিনীটি আধ্যাত্মিক সাধনাৰ বাহন হিচাবে অৱলম্বন কৰে আৰু তাত এটি আধ্যাত্মিক ৰূপ দিয়ে। গতিকে টীকাকাৰসকলৰ মতে লায়লা-মজনুৰ কাহিনী ৰূপক মাত্ৰ। পাৰ্থিৱ প্ৰেমৰ মাজেদি কবিয়ে অপাৰ্থিৱ প্ৰেমৰ সন্ধান দিছে। লায়লা-মজনুক এক হিচাবে দাৰ্শনিক কাব্য বুলি কলে ভুল নহব।

টীকাকাৰ সকলৰ মতে 'লায়লা' শব্দৰ মূলগত অৰ্থ হৈছে ৰাতি আৰু 'মজনু' শব্দৰ মূলগত অৰ্থ হৈছে উন্মাদ। 'আব্দুল্লা' শব্দৰ মূলগত অৰ্থ হৈছে দাস আৰু 'আয়েচা' শব্দৰ মূলগত অৰ্থ হৈছে আনন্দ।

আধ্যাত্মিক সাধনাত ইছলামৰ চাৰিটা স্তৰ আছে। যেনে— চৰিয়ত, তৰিকত, হকিকত আৰু মাৰেফাত। টীকাকাৰ সকলৰমতে আৰবৰ চুলতান আব্দুল্লাহ সাধনাত সিদ্ধি লাভ কৰি ইছলামৰ দুটি স্তৰ, চৰিয়ত আৰু তৰিকতত উত্তীৰ্ণ হয়। এই সাধনাৰ বলত তেওঁ যি মানসপুত্ৰ লাভ কৰে, তেওঁ হল 'কয়েচ' বা মজনু। মজনু শব্দৰ অৰ্থ উন্মাদ। মজনু ইছলামৰ শেষৰ দুটি

স্তৰ— হকিকত আৰু মাৰেফাত। সাধনাৰ এই স্তৰত মানুহ প্ৰায় জ্ঞানশূন্য হৈ পৰে আৰু পাৰ্থিৱ প্ৰেমৰপৰা বহু আঁতৰ হৈ আছে। মজনুৱে হকিকত আৰু মাৰেফাত সাধনাত সিদ্ধি লাভ কৰি অনন্ত প্ৰেমৰ অধিকাৰী হৈছিল।

টীকাকাৰসকলে আৰু কৈছে যে আব্দুল আজিজ মজনুৰ 'মোৰচেদ' বা পথপ্ৰদৰ্শক। বাদচাহ নওফেলক তেওঁলোকে 'চয়তান' (Principle of evil) বা কামনা ৰূপে অভিহিত কৰিছে।

গল্প বা কাহিনী হিচাবে লয়লা-মজনু এখনি বিয়োগান্ত কাব্যোপন্যাস। ৰোমিও জুলিয়েটৰ দৰে ইয়াতো ভাল পোৱাৰ আবেগ বা উচ্ছ্বাস আছে। কিন্তু লায়লা-মজনুৱে ৰোমিও-জুলিয়েটৰ মানবীয় প্ৰেমক অতিক্ৰম কৰি স্বৰূপৰ সন্ধান দিছে। প্ৰেমৰ ভিতৰেদিয়েই মানুহে সুন্দৰক লাভ কৰে। 'মজনু' হল মানবাত্মা আৰু 'লায়লা' পৰমাত্মা। মানবাত্মাৰূপী মজনুৱে বিচাৰিছে সকলো সংসাৰ আৰু প্ৰথাৰ বন্ধন অতিক্ৰম কৰি পৰমাত্মাৰূপী লায়লীৰ মাজত নিজকে সম্পূৰ্ণৰূপে উপলব্ধি কৰিবলৈ। মজনুৰ এই প্ৰেম অখণ্ড আৰু শাশ্বত। মজনুৱে নিজকে এই শাশ্বত সত্যত প্ৰতিষ্ঠিত কৰিব পাৰিছিল বুলিয়েই মজনুৰ প্ৰেম অপাৰ্থিৱ। শেষ স্তৰত মজনুৱে গোটেই জগত লায়লময় দেখিছিল। সেই সময়ত বাহ্যজগতৰ হিতাহিত জ্ঞান মজনুৰ গাত নাছিল। মজনুৰ এই উন্মাদনাৰ কাৰণ, লায়লীৰ তেওঁ বাহ্যজগতৰ ক্ষুদ্ৰ গণ্ডীত ধৰি ৰাখিব নোৱাৰিছিল। মজনুৰ ওচৰত সকলোবেই সুন্দৰ; সকলোৱেই মধুৰ। তেওঁ সৰ্ব্বসুন্দৰৰ ভিতৰত পৰম সুন্দৰক বিচাৰি পাইছিল। মজনুৰ প্ৰেম কামনাবিহীন। ভোগৰ

স্পৃহা মজনুৰ কোনোদিন নাছিল। চিৰিয়ে কিন্তু পাৰস্য সম্রাট পৰবেজৰ অকল ৰূপ-যৌবনকেই বিচৰা নাছিল; পৰবেজৰ আভিজাত্য আৰু ৰাজ-পদ-সন্মানো বিচাৰিছিল। পৰবেজেও চিৰিৰ ৰূপ যৌবনকেইহে কামনা কৰিছিল। তেওঁলোকৰ কোনো যেই নিষ্কাম প্ৰেমৰ অভিলাষী নাছিল। গতিকে চিৰিয়ে পৰবেজৰ ভিতৰত আচল সত্য উপলব্ধি কৰিব নোৱাৰিলে। ফৰহাদৰ কামগন্ধহীন প্ৰেমেইহে চিৰিৰ অন্তৰত আচল সত্য উপলব্ধি কৰিবলৈ সুযোগ দিলে।

সুফীপন্থী সাধকসকলে প্ৰেমক তিন শ্ৰেণীত বিভক্ত কৰিছে। যেনে— এছকে মাজেজী, এছকে হাকিকী আৰু এছকে হকীকি। এছকে মাজেজীৰ উৎপত্তি হৈছে ৰূপজ মোহৰপৰা। তেওঁ-লোকৰ মতে ৰূপজ মোহৰ ভিতৰেদিয়েই প্ৰেমৰ পথত অগ্ৰসৰ হোৱা উচিত। এই স্তৰৰ সাধনাত উত্তীৰ্ণ হৈ মানুহে যেতিয়া বিশ্বজগতক ভাল পাবলৈ শিকে, তেতিয়া তেওঁৰ গন্তব্য স্থান এছকে হাদেকী। এই স্তৰৰ সাধনাত মানুহে মানুহৰ ভিতৰত কোনো পাৰ্থক্য নাৰাখে। বিশ্ব-প্ৰেম-ভ্ৰাতৃত্ব তেওঁৰ অন্তৰত জাগি উঠে। এই স্তৰৰ সাধনাত উত্তীৰ্ণ হৈ এছকে হকীকি বা পৰম সত্য-প্ৰেমৰ অধিকাৰী হয়। ইয়াৰ পিছত তেওঁ 'মাৰেফাত' বা পৰম সত্যত লীন হৈ পৰে। তেতিয়া বাহ্যজগতৰ কোনো অনুভূতিয়েই তেওঁৰ গাত দেখা পোৱা নাযায়।

গল্পৰ শেষত যেতিয়া মজনু আৰু লায়লীৰ মিলন হল, তেতিয়া মজনুৰ অন্তৰত কামনাৰ কোনো চিহ্ন নাছিল। লায়লা হল, "the type of Eternal Beauty". লায়লীৰ ভিতৰত তেওঁ চকুৰ আগত সেই শাশ্বত চিৰন্তন সৌন্দৰ্য দেখা পালে। সেয়েই হল তত্ত্বৰূপ,

আৰু অনন্তৰূপ। শেষ গুৰত লায়লীৰ প্ৰেমত ইমান উন্মাদ হৈ পাৰিছিল যে, গছৰ প্ৰত্যেকটো পাততে তেওঁ লায়লীৰ নামকেহে খোদিত কৰা দেখিছিল অৰ্থাৎ সৃষ্টিৰ প্ৰত্যেকটো বস্তুতেই তেওঁ স্ৰষ্টাক উপলব্ধি কৰিব পাৰিছিল।

লায়লা-মজনুত উল্লেখ আছে যে এবাৰ মজনু উন্মাদ হৈ মৰুভূমিৰ মাজেদি গৈ থাকোঁতে তেওঁ অজ্ঞাতে এজন তপস্যাৰত সাধকক লঠিয়াই গল। তপ ভঙ্গ হোৱাত সাধকে খঙমুৰা হৈ কলে যে, মই ঈশ্বৰৰ প্ৰেমত নিমগ্ন হৈ থকা অৱস্থাত মোৰ তপ ভঙ্গ কৰাৰ বাবে তুমি দায়ী নহয়নে? মজনুৱে কলে যে ই আপোনাৰ কেনে ভগৱত-প্ৰেম যে মোৰ ভৰিৰ স্পৰ্শত আপোনাৰ তপ ভঙ্গ হব পাৰে! অথচ মই মানৱীয় প্ৰেমত উন্মাদ হৈ অজ্ঞাতে আপোনাক লঠিয়াই গলো— মই কব নোৱাৰিলো, আপুনি চক খাই উঠিল। মোৰ প্ৰেম সত্যনে আপোনাৰ প্ৰেম সত্য? সাধকৰ প্ৰেম নিষ্কাম প্ৰেম নাছিল। তেওঁ লজ্জিত হল।

লায়লী-মজনুৰ দৰে চিৰি-ফৰহাদো এখনি বিয়োগান্ত কাব্যোপন্যাস আৰু লায়লী মজনুৰ দৰে ইও মুছলিম-সমাজত সমাদৃত। লায়লী মজনুৰ দৰে চিৰি-ফৰহাদৰো ঘটনা-কাল খৃষ্টীয় সপ্তম শতিকা। পাৰ্থক্য এয়ে যে চিৰি-ফৰহাদ সম্পূৰ্ণ ঐতিহাসিক ঘটনা আৰু গল্প হিচাবে ইয়াত কল্পনাৰ অৱকাশ বহুত নাই লায়লী-মজনুতো সেই সত্যৰ স্পষ্টতা নাই, তাক কব নোৱাৰি। কিন্তু ইয়াৰ বৰ্ণনাত কল্পনাৰ বহুত আছে। কাৰণ, চুফী কবিসকলে এই ঘটনাটো ৰূপক হিচাবে ধৰি তাত এটা আধ্যাত্মিকতাৰ ভাব ফুটাই তুলিছে।

—:o:—

—ৰেখা—

—বীণা বৰুৱা

অনুবাদ গল্প]

[সাহিত্য চৰ্চাৰ ক্ষেত্ৰত নবাগতা [illegible] লও [illegible] ৰচনা চিন্তা আৰু ব্যক্তিধৰ্মী [illegible] সমৃদ্ধ। '[illegible]ৰ আৰু পোহৰৰ আঁৰে আঁৰে' [illegible] এওঁৰ [illegible]প্ৰসূত গল্পত মানসিক অন্তৰ্দ্বন্দ্বৰ পৰিস্ফুট [illegible]। এওঁ নগাওঁ কলেজৰ কলা-বিভাগৰ [illegible]।]

আন্ধাৰ আৰু ঠাণ্ডা চেল[illegible]ৰ এটা কোণত ৰেখা [illegible] হৈ পৰি আছিল। পাৰ হৈ যোৱা কেইটা [illegible] সপ্তাহৰ কথা ৰেখাই মনৰ পৰা আঁতৰাব পৰা নাছিল। [illegible] মানুহবিলাকৰ কৰ্কশ মাতবিলাক ৰেখা, কাৰণ [illegible] আছিল। বোধহয় সিহঁতে ৰেখাক [illegible]খানা [illegible] আচৰিত জন্তু বুলিয়েই ভাবিছিল। [illegible] তাইৰ চকুত জাহি উঠিছিল, তাইক আমনি [illegible] মানুহবিলাকৰ নিষ্ঠুৰ মুখ কেইখন।

এই [illegible] পৰিস্থিতিটোৰ পৰা অব্যাহতি পাবলৈ ৰেখাই মনটো মেলি দিয়ে বিচাৰ-কক্ষৰ [illegible] মাজত। [illegible] তাই এইদৰে বিৰক্ত হৈ উঠিছিল। [illegible] সাজ পিন্ধা এজন মানুহে তাইক কিছুমান বিৰক্তিকৰ প্ৰশ্ন সোধা তাইৰ [illegible] মনত আছে। মানুহজনে কোনো ভাবাটোৰৈ মনত পৰিলে, ৰেখাৰ

[illegible]হিয়াও হাঁহি উঠে। এজন ভাৰতীয়ই যে ভাল হিন্দীত কথা [illegible]ৰ নোৱাৰে, ৰেথাই যেন সেইটো কল্পনাই কৰিব নোৱাৰে। তাইৰ মনত পৰিছিল—সাগৰ পাৰ হৈ যোৱা কিছুমান ভাৰতীয়ৰ কথা। বিদেশৰ মাটিত ভৰি দি তেওঁলোকে পাহৰি গৈছিল নিজৰ ৰীতি-নীতি, নিজৰ বৈশিষ্ট্য। কিমান অবিবেচক এই মানুহ-বিলাক,—ৰেথাই ভাবে। বিচাৰকক্ষৰ মাজত একমাত্ৰ দয়ালু মানুহ আছিল সেই বুঢ়া বিচাৰকজন। তাই তেওঁলৈ মুঠেই ভয় নকৰিছিল; তেওঁ আছিল দয়ালু আৰু বহুদৰ্শী। এবাৰ এটা পুলিচে তাইক আগলৈ ঠেলি দিছিল। তেতিয়া সেই দয়ালু বিচাৰকজনে তাক সুস্থিৰ হবলৈ আদেশ দিছিল। অসংখ্য প্ৰশ্নৰে জৰ্জ্জৰিত হৈ পৰা তাইৰ মস্তিষ্কই সেই অবিবেচক প্ৰশ্নবিলাক সোঁৱৰিবলৈ বিচাৰে। "কি দোষত তুমি সেই অকমাণী কেঁচুৱাটো মাৰিলা?' "নিজৰ সন্তানক তুমি বাৰু কোন সতেৰে হত্যা কৰিলা?" "এই হত্যাকাণ্ডৰ কাৰণে যে তোমাৰ ফাঁচি হব জানানে?" এনে ধৰণৰ অনেক প্ৰশ্ন ৰেথাই শুনিব লগা হৈছিল। কিন্তু এই বিলাকৰ পুনৰুত্থাপনত ৰেথাই নিজে নিজে কিবা ভোৰভোৰাইছিল। "অকমাণ বাবু, মইতো তোক কেতিয়াও মৰা নাছিলোঁ। এই মানুহ বিলাকে নাজানে মই তোক কিমান ভাল পাওঁ। নিজৰ প্ৰাণতকৈও তোক মই ভাল পাওঁ। খাবলৈ নাপাই বেচেৰাই তোকত কলমলাই আছিল। সেই কাৰণেই ভগবানক খাটিছিলোঁ, তাঁক এই কষ্টৰ পৰা আঁতৰাই নি নিৰাপদ ঠাইত ৰাখিবলৈ। ভগবানে তাক লৈ গল।" মৃত সন্তানটোৰ কথাবিলাক ৰেথাই এবাৰ ভাবে। কিন্তু তাৰ কাৰণে তাইৰ ওপৰত পৰিল হত্যাৰ অভিযোগ।

দুখে-ভাগৰে ভুকলা হৈ পৰা তাইৰ চঞ্চল মনটোৰে

পাখি মে'ল তাইৰ যৌৱনৰ দিনবিলাকলৈ উৰা মাৰে। ৰেখাই আছিল সিহঁতৰ গাওঁখনত ধুনীয়া ছোৱালী। গাঁৱৰ উঠন্তুৱা ডেকাকেইটাই তাইক 'কইনা' হিচাবে পাবলৈ আশা কৰিছিল। সুঠাম সাধুটো আছিল সিহঁতৰ গাঁৱৰে গাওঁবুঢ়াৰ পুতেক। সিয়েই আছিল ৰেখাৰ মাৰ-বাপেকে বাচি দিয়া তাইৰ কাৰণে মনোনীত দৰা। মাক-বাপেকৰ বাচনিত ৰেখাই সঁচাকৈয়ে আনন্দ পাইছিল! সি আছিল লাহী, দাঘল আৰু বলী। দু-এখন খানপিথাৰ, কেইহালমান গো-গৰু মহ, সাধুৰ সম্পত্তি সাহস আছিল।

সাধু আছিল শিক্ষিত। ৰেখাইও অলপ-অচৰপ লিখা-পঢ়া শিকিছিল। বাপেকৰ শিক্ষা বিষয়ত বাপ থকাৰ কাৰণেই জীয়েকেও শিক্ষিতা হবলৈ সুবিধা পাইছিল। মাক-বাপেকৰ বাচনিটো তাই আনন্দৰে গ্ৰহণ কৰিলে। বসন্ত কালৰ আৰম্ভণিতে মহাসমাৰোহৰে পতা সিহঁতৰ বিয়াখনে সিহঁতৰ মনলৈ জীৱন-বসন্তৰ বাতৰি আনিছিল। সিহঁতৰ ম হুহতেক কোৱা তাইৰ মনত পৰে,— সেই খনেই হেনো গাঁৱত আৰু সমকেৰে পতা বিয়া। সাধুৰ বুঢ়া মাক-বাপেকে ৰেখাক ভাল পাইছিল। ৰেখা আছিল সিহঁতৰ কাৰণে আদৰ্শ বোৱাৰী। গাঁৱৰ আন ডেকাৰ দৰে সাধুৱে বাহিৰা কথাৰ মহলা মাৰি, নাইবা তাচখেলত মজি সময় নষ্ট নকৰিছিল। সি সেই অমূল্য সময়খিনিৰ সদব্যৱহাৰ কৰিছিল, ৰেখাৰ লগত। মাজে সময়ে সাধু ওচৰৰ হাটকেইখনলৈ সিহঁতৰ পথাৰৰ শস্য বেচিবলৈ যায়। ওভটি আহোঁতে সি সদায় ৰেখাৰ কাৰণে উপহাৰ স্বৰূপে কিবা নহয় কিবা এটা আনে। সেই সময়ত ৰেখাৰ দিনবিলাক আছিল মধুময়। জীৱনটোক তাই

ভাবি আছিছিল সুখ আনন্দৰ কল্পনাৰ মাজেদি। ৰেখাই প্ৰায়ে গাৱঁৰ নামঘৰলৈ ভগবানক কৃতজ্ঞতা জনাবলৈ গৈছিল।

দিনবিলাক সোনকালে পাৰ হৈ যায়। কিছুদিনৰ পিছত সুন্দৰ-সুঠাম ছোৱালী এজনী সিহঁতৰ নতুন সংসাৰ ধৰলৈ আহে। মাতৃত্বৰ গৰিমাৰে যেন ৰেখাই জীৱনৰ পূৰ্ণতা লাভ কৰে। এবছৰৰ পিছত ৰেখাৰ আৰু এটি সন্তান জন্ম হয়। তাই এইবাৰ লৰা এটাৰ কাৰণে কম আশা কৰা নাছিল। তাইৰ আশা কিন্তু পূৰ্ণ নহল। সিহঁতৰ সংসাৰলৈ অহা কণা সন্তানটিকে তাই চেনেহৰ নিজবাত বুৰাই পেলালে। কেইমাহ— মানৰ পিছত সাধুৰ বাপেকে মৰ্ত্তাধাম এৰে। সিহঁতে সেই দুখৰ পাৰ নোপাওঁতেই মাকো চিৰকাললৈ আঁতৰি যায়। সাধু, ৰেখা আৰু লৰা-ছোৱালী কেইটাকে লৈ সিহঁতৰ সংসাৰখন চলিবলৈ ধৰে। সাধুৰ অৱস্থাৰ স্বচ্ছন্দতাৰ কাৰণে সিহঁতৰ মধুৰ সময়বিলাক সুখ আৰু শান্তিৰেই পাৰ হৈ গৈছিল। ৰেখা আকৌ সন্তানসম্ভৱা হয়। এইবাৰ তাই সিহতৰ বংশ উজ্বল কৰিবলৈ পুত্ৰসন্তানৰ কামনা কৰে। ভগবানেও বোধহয় তাইৰ প্ৰাৰ্থনা শুনিলে। এটা অকমান, মৰমলগা লৰাৰ হাঁহি-ধেমালীৰে সিহঁতৰ ঘৰখন মুখৰিত হৈ উঠে। অকণমান লৰাটোৰ নাম সিহঁতে ৰাখিলে বাবু। বাবু অকল মাক-বাপেকৰেই আনন্দৰ উৎস নাছিল—গোটেই গাওঁখনৰে অতিৰমৰ আছিল বাবু। হাঁহি-ধেমালীৰ মাজেদিয়েই সি দিনে দিনে ডাঙৰ-দীঘল হৈ আহিবলৈ ধৰে।

এদিনাখন সেই ধুনীয়া, শস্য-শ্যামলা গাওঁখনলৈ কিছুমান অচিনাকি মানুহ আহিল। সিহঁত ক্ষীণ, নিশকতীয়া আৰু

অনাহাৰীৰ দৰে। চকু মুখবিলাক তেনেই সোমাই গৈছিল। থৰক-বৰক খোজৰে কথমপিহে সিহঁতে খোজ দিব পাৰিছিল। গাৱঁৰ মানুহবিলাকে জাক বান্ধি বান্ধি সিহঁতক আগুৰি লৈ নানা ধৰণৰ প্ৰশ্ন কৰিবলৈ ধৰে। ভোকত দুৰ্ব্বল হৈ থকা মানুহবিলাকৰে গাৱঁৰ মানুহবিলাকক সিহঁতে সিহঁতৰ দুৰ্ভাগ্যৰ কাহিনী কয়। সেই অচিনাকি মানুহবিলাকে বোধহয় সিহঁতৰ লগত দুৰ্ভাগ্যক সাৰথি কৰি আনিছিল। ৰেখাহঁতৰ গাৱঁতো আকাল আৰম্ভ হয়। সেই বছৰ বৰষুণ দেৰিকৈ হল। খেতিৰ কাৰণে প্ৰকৃতিয়ে দিয়া পানীও যথেষ্ট পৰিমাণে নহল। বেলিৰ তাপত শস্যবিলাক ডেই-পুৰি যাবলৈ ধৰিলে। দিনে দিনে গাৱঁত খাদ্যৰ নাটনি পৰিল। মানুহবোৰ শুকাই-খীনাই কঙ্কাল হৈ পৰিল। সেই নাটনিৰ মাজতে সিহঁতে অৱশিষ্ট খোৱাবস্তু নিজে নাখাইও লৰাছোৱালীলৈ ৰাখিলে গাৱঁত মাৰি-মৰকে দেখা দিলে। বেলিয়াও কুশুনা বেমাৰত গাৱঁৰ মানুহবিলাক মৰি লৈ ধৰিলে। শ শ মানুহৰ মৃত্যুত সিহঁত সঁচাকৈয়ে আচৰিত হৈছিল; ইয়াৰ আগতে গাৱঁত এনেদৰে মানুহ মৰা সিহঁতে কব নোৱাৰে।

মৃত্যুৰ বিভীষিকাই ৰেখাহঁতৰ অন্তৰতো ভয়ৰ সূচনা কৰিলে। ৰোগ-ব্যাধিৰ বিৰুদ্ধে ৰেখাহঁতে একো কৰিব নোৱাৰে। এইবিলাক সিহঁতৰ কাৰণে তেনেই নতুন কথা হৈ পৰিছিল। খোৱাবস্তুৰ নাটনি হোৱা স্বত্বেও ৰেখাই লৰা-ছোৱালী কেইটাক আগৰ দৰেই খুৱাই-থুৱাই আছিল। তাই আৰু সাধুৱে সিহঁতৰ সন্তানৰ কাৰণে আহাৰ বচাবলৈ প্ৰায়ে লঘোন দিবলগীয়া হৈছিল। সিহঁত দিনে দিনে দুৰ্ব্বল হৈ

আহিবলৈ ধৰিলে।

শস্য-শ্যামলা সেউজীয়া পথাৰবিলাক এতিয়া হৈ পৰিল শুকান বকৰাণি। সিহঁতৰ আগৰ সেই সাৰুৱা মাটিবিলাকৰ পৰা এতিয়া আৰু একো উৎপন্ন নোহোৱা হল। অৱশেষত সেই ভয়াবহ দিনটো আহিল। সেই দিনটোতে, ৰেখা আৰু সাধুৰ প্ৰথম সন্তানটো মৃত্যুৱে কাঢ়ি নিলে। গাৱঁৰ বেজটোৱেও সেই নতুন বেমাৰৰপৰা সিহঁতৰ মৰমৰ সন্তানটোক ৰক্ষা কৰিব নোৱাৰিলে। দহোটা দিন পাৰহৈ যায়। সেই একে বেমাৰতে ৰেখাৰ দ্বিতীয় সন্তানটোও মৃত্যুৰ মুখত পৰে। শোকত বিভ্ৰম হৈ পৰা ৰেখাই অকণমান বাবুক তাইৰ দৃষ্টিৰ আঁতৰ হবলৈ নিদিছিল। দিনে ৰাতিয়ে বাবুৰ ওপৰত সতৰ্ক দৃষ্টি ৰখাটোৱেই তাইৰ কাম হৈ পৰিল। ভগবানক ৰেখাই প্ৰাৰ্থনা কৰিছিল—তাইৰ ভবিষ্যৎ আশাৰ স্থল বাবুক সিহঁতৰ বুকুৰপৰা কাঢ়ি নিনিবলৈ। কিন্তু তাইৰ কাতৰ প্ৰাৰ্থনা ভগবানে শুনিলে। দিনে দিনে বাবু খীণাই যাবলৈ ধৰিলে। তাৰ পুৰঠ গোলাপী গাল দুখন ভাগি তেনেই সোমাই গল, অনবৰত হাঁহি মাতি খেমালী কৰি থকা বাবুটো তেনেই স্ফূৰ্তিহীন হৈ পৰিল। প্ৰতি মুহূৰ্ত্ততে ৰেখাই লক্ষ্য কৰে—বাবুৰ শেঁতা পৰা সৰু ওঁঠ দুটাই কিবা এটা বিচাৰিছে। এই দৃশ্যত ৰেখাই অন্তৰত চোকা চুৰি এখনৰ আঘাত অনুভৱ কৰে। ঘৰত থকা খোৱাবস্তুৰে মাত্ৰ কেইদিনমানহে চলিল। গৰীবতা একো পাবলৈ নাইকিয়া হল। বহুত চেষ্টা কৰিও ৰেখাই খোৱা বস্তু যোগাৰ কৰিব নোৱাৰিলে। অকমাণ কেঁচুৱাটোৰ কাৰণে যদি অলপ খোৱাবস্তু তাই যোগাৰ কৰিব নোৱাৰে, তেন্তে তাইৰ চেনেহৰ বাবুৰ যে মৃত্যু অনিবাৰ্য্য, ৰেখাই

সেইটো মৰ্ম্মে মৰ্ম্মে অনুভৱ কৰিলে। খোৱাবস্তুৰ চিন্তাত বেখাই কেইৰাৰাতিও উজাগৰে কটালে। কিন্তু আহাৰ তাই কোনো মতেই যোগাৰ কৰিব নোৱাৰিলে। এই বিলাক গুণা-গথা কৰি থাকোঁতে তাই মূৰত অসহনীয় বিষ অনুভৱ কৰে। 'হঠাৎ তাইৰ মনত এটা বুদ্ধি খেলি যায়......। —বাবুক বক্ষা কৰিবৰ এইটোৱেই সুন্দৰ পথ। কিন্তু বেখাই নোৱাৰ, ওঁহো কোনোমতেই তাই এইটো কৰিব নোৱাৰে। তাই ওচৰতে শুই থকা বাবুৰ্ৰ বিহ্বল দৃষ্টিৰে চাই থাকে। মাজে সময়ে সি ভোকত আৰু যন্ত্ৰণাত খেনখেনাই উঠে। তাৰ বুকুৰ কামিহাড়বিলাক এডাল এডাল কৈ লেখিব পৰা হৈ পৰিছে। বেখাৰ চকু বদি চুথাৰি তপত লোতকৰে ওলাই আহে। বাবুক তাই বুকুৰ মাজত সোমাই লয়; জোৰেৰে আকোৱালি ধৰে। সি অতি কষ্টৰে উশাহ লবলৈ চেষ্টা কৰে, কিন্তু দুৰ্ব্বলতাৰ কাৰণে সেই শক্তি সি হেকৰাই পেলায়......। হঠাৎ বেখাই বাবুৰ দেহটোত এটা শীতল পৰশ অনুভৱ কৰে। .....তাই বাবুক চাৰি এখনৰ ওপৰত শুৱাই থয়। পাৰ হৈ যোৱা কেইটামান মিনিটৰ কথা তাই জোৰেৰে পাহৰিবলৈ বৃথা চেষ্টা কৰি, দুয়ো হাতেৰে বাবুক সাবটি ধৰি তাৰ কাষতে শুই পৰে।

কিমানপৰ যে বেখা সেইদৰে পৰি আছিল, তাই কব নোৱাৰে। সাধুৱে জগাওঁতেও তাই প্ৰায় অচেতন হৈ আছিল। বেখাই চাৰিওফালে চাই দেখে—সিহঁতৰ অকণমান পঁজাটোত বহুত মানুহ গোট খাইছে। সাধুৱে তেতিয়াও উচুপি আছিল। বাকী মানুহবিলাক কথা পতাত ব্যস্ত। তাৰে কিছুমানে তাইলৈ আৰু কিছুমানে বাবুলৈ আঙুলিয়াই কিবা কিবি কৈ আছিল। মানুহবিলাকে ইমান চিঞৰি চিঞৰি

কথা কি তাইনো আঙুলীয়াইছে কিয় ? সিহঁতৰ পঁজাত ইহঁতৰ নো কি কাম থাকিব পাৰে ? সাধুৱেই বা ইমানকৈ উচুপিছে কিয় ? কথাবোৰ ভাবি ৰেখাৰ মনৰ গতিত খেলি-মেলি লাগি যায়। হঠাৎ তাই শুই থকা বাবুলৈ এবাৰ লক্ষ্য কৰে ·· সকলো খিলাক ৰেখাৰ মনত পৰি যায়। এৰা, এইটোও এটা কুসপোনেই। তাই বিচাৰিছিল যি কোনো উপায়েৰে বাবুক সেই লেকেটীয়া মৃত্যুৰ দুখৰপৰা ৰক্ষা কৰিবলৈ — কিন্তু তাই সেইটো কৰিব নোৱাৰিলে। ৰেখাই বাবুক সাৱটি ধৰিলে-কৰবাত যেন কিবা এটা শুঁচ হৈ গল ! ৰেখাই তাক নিচেই কাষৰপৰা চাই মুখখনত হাত বুলাই দিলে। ৰৱফৰ দৰেই চেঁচা হৈ পৰিছিল সেই শৰীৰটো। তাই চাৰিও ফালে চালে, কোনোবাই তাইক আশ্বাস দিব বুলি, কিন্তু কোনেও নিদিলে। এটা ভীষণ চিঞৰ মাৰি তাই বাবুক আকোৱালি ধৰিলে। হঠাৎ "পুলিচ" বুলি এটা শব্দ শুনা গল। জুমবান্ধি থকা মানুহ-বোৰে সিহঁতক বাট এৰি দিলে। পুলিচে ৰেখাৰপৰা কেঁচুৱাটো কাঢ়ি নিলে আৰু তাইক বহাৰপৰা উঠিবলৈ আদেশ দিলে। কিন্তু ৰেখা অলৰ-অচৰ হৈ ৰল। "হত্যাকাৰীণি তুমি আহাঁ" পুলিচটোৱে তাইক আদেশ দিয়ে আৰু নিষ্ঠুৰ ভাবে আঘাত কৰে। তথাপি ৰেখা অচল। সাধুৱে শান্ত ভাবে ৰেখাক "প্ৰিজন ভান" খনত উঠাই দিয়েহি। নীৰৱ বিদায়ৰ শেষ চকুলো টুকি সি ঘৰলৈ উভটি আহে। ... ৰেখাই যথেষ্ট ভয় খাইছিল; তাই থকা চেলটো অন্ধাৰ আৰু ভীষণ ঠাণ্ডা আছিল। ৰেখাই তাইৰ মৰমৰ স্বামী আৰু শান্ত নগৰীয়া সাধুকেই অনবৰত বিচাৰিছিল। "সাধু" তাই চিঞৰি কৈউঠে 'সাধু, মোক ঘৰলৈ লৈ যোৱা'।

"মনে মানে আৰু পাপীয়সী ?জবাজা"। ৰেখাৰ ওপৰত দুটি

ৰখা বন্দীশালৰ মহিলা গৰাকীয় চিঞৰি উঠে "মনে মনে থাক, নহলে মই মনে মনে থাকিবলৈ বাধ্য কৰাম"। বন্দীশাল-ৰক্ষিনীৰ বেতৰ কোব ৰেখাৰ মূৰত পৰে এবাৰ … দুবাৰ … তিনিবাৰ অসহনীয় মাৰ-কিলত ৰেখা মূৰ্চ্ছা যায়। এসময়ত ৰেখাই কিমান সুখেৰে সিহঁতৰ সেই ধুনীয়া সংসাৰখনত বাস কৰিছিল! ৰেখাই বন্দীশালৰপৰা ওলাবাৰ উপায় বিচাৰে। তাই আচৰিত হয়। এইবিলাক ব'ক দুসপোন নে'ক ? সকলোবিলাক ভাল হৈ গল। তাই এতিয়া সুখী … …।

পিছদিনা ৰাতিপুৱা ৰেখাক চেলৰ ভিতৰত মৰি থকা পোৱা গল।

* সুপ্ৰসিদ্ধা লেখিকা কৃষ্ণা হাথীচিংৰ Shadows on the wallৰ Rekha গল্পৰ অসমীয়া ৰূপান্তৰ।

'শান্তি সদায় জয়ী, ই যুদ্ধতকৈ বেছি গৌৰৱময়।'

—মিল্টন—

'প্ৰেমেৰে জয় কৰা আৰু তাৰেই শাসন কৰা।'

—যীশুখৃষ্ট

স্মৃতি

কবিতা বৰুৱা

(কবিতা)

[সাহিত্য ক্ষেত্ৰত নবাগতা হলেও এই গবাকী লিখিকাৰ কাব্য প্ৰতিভাৰ পৰিচয় আমি পাইছোঁ। প্ৰথম প্ৰয়াসপ্ৰসূত এই "স্মৃতি" কবিতাটিতে লিখিকাৰ উজ্জ্বল ভবিষ্যতৰ সম্ভাৱনাৰ চিন ফুটি ওলাইছে। কাব্য সাধনাত একনিষ্ঠভাৱে লাগি থাকিলে, সময়ত লিখিকা এগৰাকী মহিলা কবি হৈ উঠিব পাৰিব বুলি আমাৰ বিশ্বাস]

সকলো বিদায় দিলেঁ।
মালাগে একোকে আৰু
নিপাৰলোঁ বাট চাই আছোঁ মাথোঁ মই ;
সেইহে সখিটি মোক
বিদায়ৰ মালা দিয়া
মৰণক আজি মই মালা দিওঁগৈ।
নিয়তিয়ে মোক সখি
মাতিব লাগিছে আজি
যাবলৈ দিয়া মোক মই যাওঁগৈ ;
সময়ৰ সোঁতে মোক
উটুৱাই লই যাব
নিৰলে-নিমাতে মই তাতে ৰওঁগৈ।
বেজিয়া সজিয়া হব

বঙা বেলি যাব যাব
সেইদিনা মোৰো যাব বঙা বেলি যাব,
সন্ধিয়াৰ আকাশত
ভাৰবৰ আবে আঁবে
চাই যাম মধমৰ মুখনি তোমাৰ ।
উঠিব যিদিনা সখি
সময়ৰ শেষ ঢেউ
তেতিয়া তোমাক দিম কবিতা প্ৰাণৰ,
তাতেই বিচাৰি পাবা
জীৱনৰ ছন্দমালা
হেৰোৱা সুৰভি সখি মৰহা গানৰ ।
এতিয়া নিদিওঁ দেই
আহিছে সময় সউ
বেছি পৰ আৰু সখি নালাগেযে ৰব,
প্ৰাণৰ কবিতাবোৰ
তেতিয়াই পঢ়ি চাবা
জীৱন-কাহিনী মোৰ সিহঁতেই কব ।
ঘিণ নকৰিবা দেই
কবিতা চুবলে' মোৰ
তাত যে সখিটি আছে কেঁচা তেজ সনা,
সেই তেজ যদি মোৰ
চুবলে' বিচাৰে সখি

তুমি দেই দুহাতক নকৰিবা মানা।
কবিতাত লাগি থকা
    চেকুৰা চেকুৰ তেজ
তুমি হলে কিবা ভাবি নমচিবা দেই,
যদি তুমি ঘিণ কৰা
    আকোৱালি লবলই
দলিয়াই দিবা তাকো মোৰ চিতাতেই।
শ্মশানৰ অন্ধকাৰে
    যেতিয়া সাবটি লব
খৰি জাপি দিবা তুমি মোৰ সি চিতাত,
শেষ অনুৰোধ মোৰ
    তুমিয়ে অগনি জ্বালি
পাবা যদি জুঁই চাবা শেষৰ বেথাত।
মাটিকেই থাপি দিবা
    মোৰ সমাধিত সখি
ইটা বান্ধি নগঢ়িবা মৰমৰ তাজ,
নালাগে মর্মৰ মোক
    মাটিকেই দিবা দেই
তাবে হব হীৰা-মণি-মুকুতাৰ কাজ।
তুমি দেই দুটুকিবা
    বিৰহৰ চকুপানী
পিপাৰত হলে মই বৰ দুখ পাম,

আকউ কান্দিম জানা
তোমাকেই ভাবি ভাবি
সমাধি বুকুৰপৰা তোমাকেই চাম ।
সন্ধিয়াৰ আকাশত
বগলীটি উৰি গলে
মৰমৰ বাঁহীটিত সুৰ দিবা দেই,
সেয়ে হব জীৱনত
বিদায় বেলাৰ দান
সুৰৰ বুকুতে পাম মই তোমাকেই।
ডাৱৰ আঁৰৰপৰা
তোমাকেই দেখা পাম
তুমিওতো দেখা পাবা মৰমৰ মোক,
তেতিয়াতো নোৱাৰিবা
আকোৱালি লব আৰু
সেইবাবে তুমি সখি নকৰিবা শোক।
মই যদি গুচি যাওঁ
স্মৃতিতো থাকিব সখি
গুজি দিয়া মৰমেৰে তোমাৰ হাতত,
তাকে তুমি হেপাহেৰে
বুকুত সাবটি লবা
সাৰ পালে নিশা সখি কেতেকী মাতত।

—০—

মৰমে হাঁহে, মৰমে কান্দে।

শ্ৰীঅৱনীন্দ্ৰ চন্দ্ৰ বৰ।

চুটিগল্প -]

……মৰমে হাঁহে, মৰমে কান্দে……...

মধুকৰৰ মৰমে হঁহা নাছিল।—

মধুকৰ ? সেই অসংস্কৃত মলিবসন' বুঢ়াটো। তাৰ মৰম-বোৰে সেইদিনা কান্দিছিল।—গোসাঁই যোৱা, ক্ষীণ, দুৰ্ব্বল, হালিপৰা, অসহায় উদং বুকুখনৰ একোণত সযতনে সাঁচি থোৱা অলাগতিয়াল মনৰ [illegible] সেইদিনা কিবা এটা অবুজ ব্যথাত, কিবা এটা অচিন্তনীয় বেদনাত, সাতখন সাগৰৰ নীলা বেদনা-বোৰ গোটাই লৈ, উচুপি উচুপি, লুকাই লুকাই কান্দিছিল।

—মধুকৰে কান্দিছিল। চকুলো ওলোৱা নাছিল।—সেইবোৰ আনে দেখা চকুলো নাছিল।—অজানিতভাবে বৈ গৈ মাটিত পৰি শুকাই যোৱা চকুলো নাছিল। —সেইবোৰ তাৰ বুকুখনে, তাৰ প্ৰাণটোৱে দেখা—নহয়— তাৰ চিৰন্তন পিপাসাটোৱে অনুভৱ কৰা চকুলো আছিল।

• তেজ-মঙহৰ সম্বন্ধ-বিজড়িত প্ৰাণ দুটাৰ মৰমৰ অনুভূতিবোৰ আছিল তাৰ চকুলো।

এৰা, মধুকৰৰ পুঞ্জীভূত মৰমবোৰ, আৰু আৰু এটা অভিনৱ

অনুভূতি ।

* * * *

এটা দাঙিব নোৱাৰা গধুৰ শিল ।

লগত আৰু এটা অসহন বোজা ।

—মধুকৰৰ কৈ টুত লগা দহ বছৰীয়া ছোৱালীজনী । —কোলাই-বোকোচাই লৈ তিলতিলকৈ ডাঙৰ-দীঘল কৰা তাৰ মৰমৰ ছোৱালীজনী । মানে মিনু ।

তাইক জানো সি কম মৰম কৰিছিল !

তাই আঁতৰি গল দূৰলৈ — বহুদূৰলৈ । সি দেখা নাপালে ।

তাৰ মৰমবোৰে কান্দি উঠিল, হাঁহাকাৰ কৰি উঠিল । আকাশৰ অগণন তৰাবোৰৰ দৰেই পৃথিবীখনৰ অগণন মানুহবোৰ । সিহঁতৰ কাৰো কাৰণে নহয়, আন কাৰোবাৰ কাৰণে নহয়,— কেৱল তাৰ ছোৱালীজনীৰ কাৰণেই, তাৰ মৰমবোৰে কান্দি উঠিছিল ।

মধুকৰ স্বাৰ্থপৰ আছিল নেকি ?

এৰা, সি স্বাৰ্থপৰেই আছিল । —জীৱনৰ পদে পদে অৱহেলিত, সঙ্কীৰ্ণ ভাৱমাৰে অনুপ্ৰাণিত বুঢ়াটোৰ নিস্তেজ, শেঁতা, অৱশ চকুযোৰে পৰৰ কাৰণে কান্দিবলৈ কাহানিও শিকা নাছিল । শিকিব নোৱাৰে ।

নিজৰ জীৱনটো আৰু মিনুৰ মৰমৰ মমতাটোৰ বাহিৰে সেউজীয়া পৃথিবীখনত মধুকৰে আৰু একো দেখা পোৱা নাছিল ।

মিনু আঁতৰি গল । মধুকৰে কান্দিলে ।—

জীৱন। মমতা। জন্ম আৰু মৃত্যুৰ মাজৰ ব্যৱধান। — দুপাৰৰ মাজৰ এডাল শাঁকো। চকুৰে মণিব নোৱাৰা, আনে নেদেখা দুটা গুৰিপকৰা। বগাই গৈছিল। এটা সময়ৰ ধুমুহাত সিদিনা কোনোবাফালে উফৰি গল। এটাই কান্দিলে। মধুকৰৰ হিয়াভগা কান্দোন আৰু গণিতৰ দশমিক বিন্দুবোৰৰ পিছৰ শূণ্যবোৰ হয়তো একেশাৰীতে পৰি সমানেই মূল্যহীন হৈ গৈছে।

এৰা, জীৱনটোক, জীৱনটোৰ কান্দোনবোৰক মিছাতেই মূল্যবান বুলি ভবা হয়। চাবলৈ গলে, জীৱনটো মূল্যহীন এটা বিৰাট শূণ্য। যোগ-বিয়োগ, পূৰণ-হৰণ ঘটি মধুকৰৰ জীৱনৰ শেষ ফল জানো শূণ্য হে নাৰা নাই? মিনু আহিল। যোগ হল। মিনু গুচি গল। বিয়োগ হল। যোগ-বিযোগ ঘটি ফলাফল শূণ্য হল। বৈ যোৱা যোগটোৰো বিযোগ ঘটিব—মানে মধুকৰো এদিন ভয়াবহ মৰণৰ স্পৰ্শত চিৰকাললৈ হেৰাই যাব। মধুকৰে জানিছিল। তথাপি তাৰ মৰমবোৰে কান্দিলে।

জেনেহলে মধুকৰৰ মৰমবোৰ মৰা নাই।
এৰা, সিহঁত মৰা নাই। সেই কাৰণেই সিহঁত জীয়াই আছে। জীয়াই থাকিবলৈ নহলেও অন্ততঃ মৰিবলৈকে সিহঁত জীয়াই থাকিব লাগিব।

* * *

মধুকৰৰ কুৰিদিনীয়া পুৰণি অন্তৰখন। কিছুমান সাঁচতীয়া

আবেগ আৰু অলপমান নতুন অনুভূতি।

মধুকৰে মানুহজনক ভুল বুজিলে।

অনুভৱি দুখনেৰে খুবাই খুবাই, লাখুটিত ভৰ দি দি, থৰক-বৰককৈ বহুদূৰ বাট বুলি দুমহলীয়া অট্টালিকাটোৰ সুবিস্তৃৰ্ণ চোতালখনৰ একোণত সি জুপুৰা মাৰি বহি আছিল। লগত তাৰ মিনু।

"দেউতা, আমাক মানুহজনে মৰম কৰিব।" ওপৰ মহলাৰপৰা তললৈ নামি অহা ধুনীয়া ডেকা মানুহজন মধুকৰেও লক্ষ্য কৰে। "জানো আই, ঈশ্বৰে চকুমেলি চালে......" অৱশ চকুযোৰ অলপ মুদি, হাত দুখন ওপৰলৈ দাঙি, নেদেখা-জনৰ প্ৰতি কিবা এটি প্ৰাৰ্থনা জনায়। মিনুৱে নুবুজে। অকণমান ছোৱালী তাই। মধুকৰে জীৱনত বহু অভিজ্ঞতা লভিছে।

·"হেৰা, তোমাক কি লাগে?"

"দেউতা, আপোনাৰ ওচৰলৈকে আশা কৰি আহিছোঁ। ছোৱালীজনীৰ কাম-কাজ এটাৰ...... ।"

"অ' মই তোমাৰ কথা বুজিব পাৰিছোঁ। বাৰু ছোৱালী-জনীক থৈ যোৱা।"

বৰুৱাৰ ঘৰত মিনু থাকে। মধুকৰ আঁতৰি যায়।

* * *

মিনুৰ জীৱনৰ এটা নতুন অধ্যায়।

তাইৰ গতি-পথৰ চকৰিটো আন্নকালে ঘুৰিব খুজিছেনেকি?

ঘুৰিবৰে কথা। জীৱন-চকৰি ঘূৰ্ণায়মান। উঠা আৰু নমা বৈ যোৱা আৰু আগবঢ়া, এয়ে আমাৰ জীৱন।

সৌৱা, মিনুৱে হাতত জাৰুডাল লৈ কিবা-কিবিবোৰ গুচাই আছে। জীৱনৰ দায়িত্ব। কৰ্ম্মবন্ধন। বোৱাঁৰী স্মৃতি। আকাঙ্খাৰ আনন্দ।

মিনুৱে কাম কৰি যায়। কেতিয়াবা তাইৰ মধুকৰলৈ মনত পৰে।

মধুকৰ যে আঁতৰি গৈছে।—মনমৰ মমতাটোৰ মোহ এৰি, মানে ১২ টকীয়া মাহিলি বেতনত বুকুৰ উত্তপ্ত অনুভূতিখিনি বিক্ৰী কৰি মধুৰৰ যে কাগানিবাই কৰবালৈ আঁতৰি গৈছে। হয়তো মিনুৰ জীৱনত এটা সাময়িক বিয়োগ ঘটিছে।

তেনেহলে মিনু অকলশৰীয়ানেকি? মিনু অকলশৰীয়া নহয়।—

তাইৰ সকলোবোৰ আছে। প্ৰাসাদসদৃশ সুবৃহৎ অট্টালিকা, নিতৌ সমাগম হোৱা অগণন মানুহ, বিতোপন ফুলনিখন, ৰেৰত আৰি থোৱা মহাত্মাজীৰ ধুনীয়া ফটো, ৰেডিওৰ কলৰৱ— আনন্দ-উছৱ মিনুৰ কাৰণে সকলোবোৰ আছে।—তাই এই সকলোবোৰৰ সোৱাদ পাইছে।

হয়তো কোনোবা জনমৰ কোনোবা সাধনাৰ কোনোবা পুণ্যৰ ফলত তাই এনে এখন ঘৰত ঠাই পাইছে।

অদৃষ্ট? কৰ্ম্মবন্ধন?— নহয়, নিয়তিৰ পৰিহাস!

* * * *

অনন্ত সময়ৰ অনন্ত ইতিহাস ।—

বছৰবোৰ পাৰ হৈ যায় । মাহৰ বুকুৰপৰা দিনবোৰ খহি পৰে । মুহূৰ্ত্তবোৰ হেৰাই যায় । —সময়ৰ ৰথখন চলি থাকে ।

দুবৰ গঠঙা বুঢ়া অমৰাজোপাৰপৰা শুকান পাতবোৰ উফৰি উফৰি ক'ৰবাত পৰিছেগৈ ।

শীতত অমৰাজোপাৰ সেউজীয়া পাতবোৰ নাথাকে । শুকাই যায । বসন্তত আকৌ সেউজীয়া হব । মিনুৱে ভাবে । বাহিৰৰ শূণ্য আকাশখনলৈ অনিমেষ দৃষ্টিৰে চাই থাকি তাই কিবা এটা ভাবে । বুকুৰ কোণত তাইৰ অপ্ৰকাশৰ কিবা এটা অবুজ বেদনা ।

হয়তো শূণ্যতাৰ তিক্ততাৰে তাইৰ ৰিক্ত জীৱনটো অশ্ৰুসিক্ত হৈ উঠিছে । ফুলনিখনত মালীটোৱে পানী দি আছিল । মালীটো বুঢ়া ।

মিনুৱে তালৈ এবাৰ লক্ষ্য কৰে । মধুকৰৰ ছবিখন চকুৰ আগত জিলিকি উঠে । তাই এটা হাঁহি দেখা পায় ।

সেউজীয়া দুবৰিডৰাত লাগি থকা নিয়ৰৰ টোপালবোৰ পোহৰৰ বেঙণিত তেতিয়া মুকুতাৰ দৰে উজ্জল হৈ উঠিছে ।

মিনুৰ চকুলো ওলোৱা নাছিল ।

* * *

শাওণ আঁতৰি যায় । বসন্ত আহে । সপোন আঁতৰি যায় । ফাগুন আহে । আন্ধাৰ খহি পৰে । পোহৰ নামে । ....অ' পূজা আহিছে ।

আজি বেলবৰণ, এদিন দুদিন তিনিদিন—তাৰ পিছত বিজয়া দশমী।

মিনুৱে পূজাৰ কাৰণে পইচা পাইছিল।—

একঅনা, দুঅনা, তিনিঅনা,— অ' নহয়— এটা অ'ধলি।

তাই এটা ধুনীয়া পুতলা কিনিব।

একালে জীৱনৰ ৰঙীন উছৱ। আনফালে এটা ধুনীয়া পুতলাৰ মূল্য এটা আধলি।

ছবিবছ ঘণ্টা বাগৰি গৈ আঠছল্লিছ আৰু আঠছল্লিছ বাগৰি গৈ বাগত্তৰ। আজি বিজয়া দশমী। মিনুৱে ধুনীয়া পুতলা এটা কিনে।

এটা চেলুলইডৰ পুতলা। এটা তেজ-মঙহৰ প্ৰাণ। এটা নিৰ্জীব, আনটো সজীব। সন্ধ্যা হয়। বিজুলীবাতি-বোৰ জ্বলি উঠে।

মাহুহে পাষাণী দেবীৰ পদ-প্ৰান্তত শেষবাৰলৈ প্ৰাৰ্থনা জনায়।

মিহুৱে হলে সেইবোৰ একো নকৰে। সেইবোৰ তাই নাজানে। আন কথা ভাবিবলৈ তাইৰ সময় ক'ত!........ ধুনীয়া পুতলাটো তাই পাইছে!

★ ★ ★ ★

"ইমান ধুনীয়া মুকুতাৰ মালা ক'ত পালা তুমি দান ...."

অট্টালিকাটোৰ কোনোবা কালৰপৰা উ.টি অহা গীতৰ কঁপনিটোৱে নিস্তৰ চঞ্চলা কৰি তোলে। তাইৰ প্ৰাণত হয়তো

এটা অনাবিল বেদনা জাগি উঠে।

সীমাহীন শূন্যতাৰ বুকুত খলক লগাই 'ইমান ধুনীয়া মুকুতাৰ মালা ক'ত পালা তুমি দাদা'ৰ ঝঙ্কাৰ মাৰ যায়

মিনুৰ আবেগৰ কঁপনিবোৰ জীয়াই থাকে।

গৌৰা, ওপৰ মহলাত মানুহৰ সমাগম হৈছে। দেশকৰ্ম্মীসকল গোট খাইছে। মথুৰা পাগৰ সৈতে, বৰপেটটোত হাত ফুৰাই ফুৰাই, দেশভক্ত বাবুজীৰ কি নিস্ফুট গুঞ্জন। অভিৰুচিৰ অভিনয়। স্ব-জাতি আৰু স্বদেশৰ গৌৰৱ। পৃথিবীৰ এমূৰৰ পৰা সিমূৰলৈকে, মানে অনেক্বৰপৰা কমেকলৈকে গোটেই বিশ্বব্ৰহ্মাণ্ডৰ সমস্যা সমাধানত জুকলা দেশকৰ্ম্মীসকল। 'গান্ধী', 'গণতন্ত্ৰ', 'নেহৰু', 'বনমহোৎসৱ', 'পাঁচবছৰীয়া পৰিকল্পনা', 'চাহৰ ত্ৰাইচিচ'ৰে পৰা জকাইচুকৰ জ'কাটোলৈকে অগণন শব্দত অভিধান অৰ্থহীন হৈ গৈছে।

প্ৰগতিৰ লক্ষণ। বুৰ্জুৱা সভ্যতা। মিনুৱে একো নুবুজে। "কুৰীয়া চুৰীযাৰ" কথা তাই শুনা নাই। অভিজ্ঞতাৰ পৰিসৰ তাইৰ বৰ ঠেক।

তাই কেৱল কাম কৰে। —ঘৰ সাৰে, জাক দিয়ে, কাপোৰ কানি ধোৱে, গান গায়, আনন্দ কৰে, নাচে।

লঠঙা অমৰাডালত কুঁহিপাতবোৰ মেলিছে। ৰঙা, সেউজীয়া আৰু গুলপীয়া।

মিনুৱে চাই থাকে। চাই ভাল পায়। কিবা এটা নতৱা, কিবা এটা মধুৰ আনন্দত তাইৰ মন-প্ৰাণ ভৰি উঠে।

পুতলাটোৰ কথা তাইৰ হঠাতে মনত পৰে। পুতলাটো কাষৈগে শুই আছে।

পুব আকাশৰ বুকুফালি বেলিটো ওলাই আহিছে।

আৰৈ দেহি, কিমান ধুনীয়া, ৰঙচুৱা, উজ্জল, স্নিগ্ধ। ফেহজালিতেই মিনু শোৱাৰপৰা উঠে। হাতত জাকডাল লৈ তাই ফুলনিখনলৈ ওলাই আহে। ভোমোৰা এটাই গোলাপ-ৰেণুৰ কাণত কি কৈ যায়, গুঞ্জে। যুটুকী পখিলাটো তাইৰ কাষেদি উৰি যোৱা তাই দেখে। জীঁয়া বিচাৰি ফুৰা অকণমান ছোৱালী এজনীৰ দৰে তাই পখিলাটো থাপ মাৰি নধৰে।

বেলিৰ পোহৰত ফুলবোৰ সজীৱ। পুৰণি হৈয়ো নতুন। পুৱাৰ কোমল, মিঠা, মধুৰ বতাহ এজাকে মিনুৰ চুলিবোৰ আউল-বাউল কৰি যায়। সহিব নোৱাৰি দূৰৰ—বহুদূৰৰ পোহৰ-বোৰে তাইৰ থুপ্‌থুপীয়া, কোমল, ৰঙা গাল দুখনত অপূর্ব আভা এটা ঢালি দি যায়হি।

বতাহ জাক উটি যায়। বেলিটো উজ্জল হয়। মিনুৰ মুখখন ৰঙচুৱা হৈ উঠে।

হাতত জাকডাল লৈ মিনু গন্তব্যস্থানলৈ গুচি যায়। শেৱালিডালত সদায় পৰি থকা ধনচিৰিকাটোৱে মুখত কুটা দুডালমান লৈ কিৰিলি পাৰে। মিনুৱে লক্ষ্য নকৰে।

আজি তাইৰ কাম বহুত। ডেকা দেশকৰ্মীৰ গৃহদৈ

আজি কোনোবা ডাঙৰ মানুহ এজন আহব।

তাই একান্তমনে কাম কৰি যায়।

★ ★ ★ ডই‌ং ৰুমৰ শুভ্ৰ বেৰখনত পেটপেলাই থকা ঘড়ীটোৱে কয় টিং টিং টিং ... । অ' ন বাজিল।

বাহিৰত তেতিয়া পোহৰবিহীন আন্ধাৰ।

ভিতৰত সমবেতসকলৰ নিস্ফুট গুঞ্জন। 'হোৱাইট্ লেবেল'ৰ অত্যাচাৰ। মদ নিবাৰণী সভাৰ প্ৰস্তাৱ গ্ৰহণ। দেশভক্তসকলে দেশৰ সেৱা কৰিছে। চিপাত মুৰ ঘোপোলা কৰি, পৰিশ্ৰমত তেম পানী কৰি, অপমান আৰাম উপভোগ কৰিছে।

তেতিয়া ৰাতি বাৰ।

সেচুৰালী পাটিৰ মৰিবনজনা যাপৰে-ধৰা কুকুৰটোৰ দিগন্ত বিদাপা ভুকভুকনিবোৰ মিনুৰ কাণত বাজি উঠিছিলহি।

"মিনু।"

পৰিচিত মাতষাৰত তাই শোৱাৰপৰা উঠি পৰে। তাইৰ আশ্ৰয়দাতাৰ অস্বাভাৱিক মুখখনিলৈ লক্ষ্য কৰে। তাই আচৰিত হয়। —দেউতাই মদ খাইছে। কি ভেকেটা-ভেকেট গন্ধ।

অৰুণ চকুযোৰ জোৰেৰে মেলি, নিঃস্বাৰ্থ মানৱপ্ৰেমৰ উৎকণ্ঠাৰে, দেশকৰ্মীয়ে মিনুক কয়—"তোৰ লগত মোৰ অলপ কথা আছে মিনু। তই মোৰ কোঠালৈ আহ। দেৰি নকৰিবি। মই আহিছোঁ।"

দেশকৰ্মী আঁতৰি যায়। মিনুৰ বুকুখন কঁপি উঠে। নবুজাকৈ তাইৰ মনত পৰে। নৰকৰ ৰনভাঁটোৰ মোহ তাইতো

এৰিব পৰা নাই।

—মধুকৰে কিয় এৰিলে ?

জীৱনৰ সীমা-ৰেখা। দুৰত্বৰ ব্যৱধান। সময়ৰ গণ্ডি।

• • • ওপৰ মহলাৰ কোলাহল মাৰ যায়। অট্টালিকা নিস্তব্ধ হয়। মানৱ প্ৰীতিৰ নিদৰ্শনৰ সংখ্যা বাঢ়ে। ভোগ আৰু ক্ষুধা, আত্মৰক্ষা আৰু আত্মসংবৰণ, প্ৰথমটোৰেই জয় হয়।

মানুহ বাসনাৰ পূজাৰী। পূজা শেষ হয়।

সংসাৰৰ অপদাৰ্থ, অলাগতিয়াল জীৱন এটাৰ ছন্দপতন ঘটে।

সৌৰা, মিনুৰ স্থিৰ চকু দুটাই শূন্য আকাশখনিৰ ফালে একেথৰে চাই আছে। কোনোবা এটাই শায়িত নিশ্চল অবয়বটোক বগা কাপোৰ এখনেৰে ঢাকি দিযেহি।

বাহিৰৰ আন্ধাৰবোৰ ঘন হৈ আহে।

জনপ্ৰাণীবিহীন শ্মশানখনৰ শুকান বুকুত শুই থকা হাড়, জকা কঙ্কালবোৰে সাৰ পাই নাচি উঠে। ক'ৰবাৰ ফাপৰে ধৰা কুকুৰ এটা আহি, সুঙি সুঙি হাড় বিচাৰি ফুৰেহি। শিমলু-জোপাত গোটেই দিন পৰি থকা বুঢ়া শগুন কেইটা আনো কলৈ আঁতৰি গৈছে। ৰাতিপুৰাতে ওলাবহি।

ভেতিয়া দূৰৰ—বহুদূৰৰ অসীম অনন্ত আকাশখনিৰ বুকুভেদি এটা পপীৰা ভৰা ক'ৰবাৰ পৰা ক'ৰবাত ৰুহি পৰিছিলহি।

পৃথিৱীখনৰ মানুহবোৰে দেখিলেনে নাই, কব নোৱাৰোঁ।

মানুহ মৰি যায়। মৰম জীয়াই থাকে।

মধুকৰৰ বাওঁচকুটো কিয় জানো সঘনে কঁপি উঠিছিল। সি কি ভাবিলে, কব নোৱাৰোঁ।

পঙ্গু ভৰিদুখনৰ শক্তিহীন গতিটোৰে সি বহুদূৰ বাট বুলিলে। তাৰ চকুৰ আগত ছুবছৰৰ আগৰ পুৰণি অট্টালিকাটো নতুন যেন লাগি গল।

মধুকৰৰ চকুৰ দোষ ঘটিছে হবলা? তাৰ দৃষ্টিত আজি পুৰণিটো নতুন হৈ গৈছে।

"এই বন্ধু। সেই খোৰাটোক বাহিৰ কৰি দে। এই ছুপৰীয়া সি আকৌ আহিল আমনি কৰিবলৈ" ওপৰ মহলাৰ পৰা কোনোবা এজনে কাৰোবাক আদেশ দিয়া মধুকৰৰ কাণত পৰে।

বাহিৰৰ গেটখন বন্ধ হৈ যায়।

দাৰুৱানটোৰ ছুগালেদি ছুধাৰ লোতক বাগৰি আহে। সিয়োতো মানুহ। খোৰাটোৰ পৰিচিত মুখখন সি চিনি পালে।

এৰা, ভালেই হল। খোৰাটো এই ছুপৰীয়াখন মৰিবলৈ কিয় আহিছিল।

ৰাতিৰ আন্ধাৰবোৰ ঘন হৈ আহে।

শ্মশানখনৰ জনপ্ৰাণীহীন বাটটোত কোনোবা এটাই পাগলৰ দৰে চিঞৰি চিঞৰি আন্ধাৰৰ মাজেদি অপৰাধীৰ দৰে গৈ থাকে। ভৰিৰ খচকত শুকান গছপাতবোৰ মৰমৰাই উঠে। দূৰত সৌৱা আধাপুৰা জুই। শ্মশানৰ বুকুত সি,— সেই উদভ্ৰান্ত মানুহটো

বাড়িব আজাবৰোব, পুৰণি ৰঙা ৰঙকেইডাল, শুকান আধা-পোৰা কাঠ আৰু কঁ'লা ছাইবোৰ।

দূৰত—বহুদূৰত ধ্বনিত হোৱা এটা চিঞৰে ভয়াবহ নিশাটোৰ বুকু কঁপাই তুলিছিলহি।

তেতিয়া বৰুৱাৰ অট্টালিকাৰ আমোদ-ভৱনত মৃদু গুঞ্জন, গীত আৰু সুৰৰ মধুৰ সংমিশ্ৰণ।

ৰাতিটোৰ কেইবা ঘণ্টাও পাৰ হৈ গৈছে।

বৰুৱাৰ কণ্ঠস্বৰ সংযমহীন। মন স্থিৰতাশূন্য। 'হোৱাইট লেবেল'ৰ অত্যাচাৰৰ পুনৰাভিনয়। সমবেতসকলৰ মধুৰ আলাপ।

"বাবু, ইয়ে আপকা চিঠি হ্যায়।"

★ ★ ★ নীলা খামটোৰ ভিতৰৰ পৰা হালধীয়া কাগজ-ডোখৰ ওলাই পৰে। বৰুৱাৰ বুকুখন অসম্ভৱৰূপে কঁপি উঠে। হাতদুখন মৰা মানুহৰ হাতৰ দৰে জঠৰ হৈ পৰে। চকু দুটা আচৰিত ধৰণে মেল খায়। অপ্ৰত্যাশিত বাতৰিটোৱে বৰুৱাৰ মুৰৰ ভিতৰত এটা প্ৰচণ্ড বা-মৰলীৰ সৃষ্টি কৰি দিয়ে। এখানমান কাগজডোখৰৰ সৰু সৰু শব্দ কেইটা এশগুণে ডাঙৰ হৈ, এশগুণে উজ্জ্বল হৈ বৰুৱাৰ চকুৰ আগত ভাহি উঠে—Sorry Barua! Anu breathed the last to-day evening" বৰুৱাই আৰু বেছি কথা ভাবিব নোৱাৰে। মুৰ ঘূৰাই যায়। হাতৰ পৰা টেলিগ্ৰামখন খহি পৰে। অন্ত, বৰুৱাই এবাৰ নামটো স্মৰিবলৈ চেষ্টা কৰে।

অকমাণি হোৱাৰুৰ জনীৰ মৰমৰ মনতাটোৰ মোহটো আজি এশবাৰ মৰি মৰি জী উঠিছে।

এৰা, মৰমবোৰ নমৰে। এশবাৰ মৰি মৰি সিহঁত জীয়াই থাকে।

অতীত দুৰন্তীখন বৰুৱাৰ চকুৰ আগত ভাহি উঠে। শোৱনি কোঠাৰ শুভ্ৰ বেৰখনত আৰি থোৱা 'অৰুণিমা'ৰ ডাঙৰ ফটখন বৰুৱাই অনিমেষ দৃষ্টিৰে চাই থাকে। 'অৰুণিমাই জানো অগিম সমস্ত কম আশা কৰিছিল......। অজানিতে দুটোপাল চকুলো বৰুৱাৰ দুগালেদি বাগৰি আহে।

তেতিয়া পৃথিৱীত অলপো পোহৰ নাই। বিজুলী বাত্তি বোলো কিয় জানো গুমাই গৈছে।

বৰুৱাই পোহৰ নেদেখিলে, পোহৰ নুবুজিলে।

দুটোপাল চকুলোৰ বুকুত সপ্তানৰ মৰমৰ মমতাটোৰ মোহৰ শেষ সতীৰতাখিনিও নোহোৱা হৈ গৈছে।

মধুবৰুৱে মিনুক মৰম কৰিছিল। বৰুৱাই অণুক মৰম কৰিছিল।

এটাৰ মৰমে হাঁহিছিল, আনটোৰ মৰমে উচুপিছিল।

এৰা, মৰমে হাঁহে, মৰমে কান্দে।

প্ৰগতিমুখী বিশ্বসভ্যতাত বৰগুণি যোগোৱা মন্দৰ-পুজাৰী সকলৰ মৰমবোৰে দেশৰ কান্দে কান্দে, চকুলো টুকে, হাঁহে, হুমুনিয়াহ পেলায়।

ইতিহাসৰ ভুল হৈ গৈছে।

—সেই মৰমবোৰে কন্দা নাই, সিহঁতে হাঁহিছে। হয়তো মৰমৰ গভীৰতাৰ পৰিচয় লৈ, মৰমবোৰে হাঁহিবলৈকে শিকিছে।

মানুহ মৰে। প্ৰাণে কান্দে। মৰমে হাঁহে।

মধুকৰৰ মৰমবোৰে হলে হঁহা নাছিল,—কান্দিছিল।

কান্দি কান্দিয়েই সিহঁতে হাঁহিলে।

সোৱা, মৰ-আউসীৰ ক'লা আন্ধাৰৰ বুকুত মধুকৰৰ মৰমবোৰে কান্দি কান্দি হাঁহি হাঁহি ভাগৰি পৰিছে।

১৯[illegible] চনত [illegible] কলেজত অনুষ্ঠিত সুকুমাৰ কলা-প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত।

[লিখকৰ অপ্ৰকাশিত 'ফুল যেতিয়া মৰহে' নামৰ গল্পপুথিৰ পৰা।]

জীৱনত এনে কোনো অৱস্থাৰ উদ্ভৱ নহয়, যাৰ পৰিবৰ্ত্তন ঘটাব নোৱাৰি।

—ডিকেন্স।

বিশ্বকবিৰ সপোনৰ বিশ্বখন

—পবিন্দ্ৰ চন্দ্ৰ বৰা।

[চমু আলোচনা]

[গুৱাহাটী বিশ্ববিদ্যালয়ৰ ১৯৫১ চনৰ প্ৰবেশিকা পৰীক্ষাত দ্বিতীয় স্থান লাভ কৰা এজন উজ্জ্বল ছাত্ৰ। বৰ্ত্তমান কটন কলেজৰ এজন শিক্ষাৰ্থী। 'ৰাইজ', 'অখণ্ড ভাৰত,' 'ভ্ৰমৰ', 'উদয়' আদি আলোচনী বাতৰি কাকতত প্ৰকাশিত এওঁৰ কবিতা-গল্প-ৰচনাই সাহিত্য সেৱাৰ পৰিচয় দিছে। এওঁ নগাঁৱৰ খ্যাতনামা উকিল, সুসাহিত্যিক শ্ৰীযুত মহীচন্দ্ৰ বৰাদেৱৰ তৃতীয় পুত্ৰ।]

প্ৰাচ্যক প্ৰতীচ্য আৰু প্ৰতীচ্যক প্ৰাচ্য কৰি প্ৰেম, শান্তি আৰু ঐক্যৰ বিশ্ব এখন গঢ়িব নোৱাৰি, পাৰি কেৱল প্ৰাচ্য আৰু প্ৰতীচৰ অপূৰ্ব্ব সমন্বয়ৰ যোগেদিহে। ইয়াৰ সত্যতা অন্তৰৰ নিভৃত কোণৰপৰা উপলব্ধি কৰি বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে ৰচিছিল নতুন বিশ্বৰ মধুৰ সপোন, বিচাৰিছিল প্ৰেম আৰু শান্তিৰ আলোকেৰে উদ্ভাসিত নতুন পৃথিৱী আৰু অপেক্ষা কৰিছিল সেই দিনটোলৈ,—

"যেইদিন এক এক প্ৰেমে হইয়া নিবদ্ধ
মিলিবেক কোটি কোটি মানব হৃদয়।"

এসময়ত যৌবন গৰ্ব্বীৰ এজন কৃষকে সমালোচনাৰ সুৰত কৈছিল, "চন্দ্ৰৰ দৰে আকাশত আমি উৰিব পাৰো, মাছৰ

দৰে পানীত সাতুৰিব পাৰো, কিন্তু পৃথিবীখনত কেনেকৈ থাকিব লাগে, তাকে আমি নেজানো"। এজন সহজ, সৰল কৃষকৰ প্ৰাণৰ অনুভূতিৰ আত্মপ্ৰকাশত ফুটি উঠিছে তথাকথিত মানৱ-কেন্দ্ৰিক সভ্যতাৰ পৰিচয়।

মানৱ জাতিৰ ভুৱা সভ্যতা, মিছা ইতিহাসক বিশ্বকবিয়ে স্বীকাৰ কৰা নাছিল। তেখেতৰ প্ৰাণে বিচাৰিছিল সভ্যতাৰ সঁচা আলোকেৰে আলোকিত এখন পৃথিবী। বিখ্যাত মনীষী ৰমাঁ ৰোলাঁ আৰু দাৰ্শনিক ৰাট্ৰেণ্ড ৰাছেলৰ দৰে তেখেতে বিশ্বাস কৰিছিল যে, প্ৰাচ্য আৰু প্ৰতীচ্যৰ সংস্কৃতিৰ একত্ৰীকৰণৰ ওপৰতে নিৰ্ভৰ কৰিছে মানৱ জাতিৰ ভবিষ্যৎ গৌৰৱ আৰু মুক্তি। দুয়োটা সভ্যতাৰ সমন্বয় ঘটিলেহে মানৱ জাতিয়ে সভ্যতাৰ শিখৰত আৰোহণ কৰিব পাৰিব।

পাশ্চাত্যৰ মানুহে হয়তো ভাবে যে, মায়া, ভ্ৰম, ৰহস্য আদিকে লৈ প্ৰাচ্যৰ মানুহ ব্যস্ত; সংস্কৃতিৰ পোহৰ তেওঁলোকে পোৱা নাই। সেইদৰে প্ৰাচ্যৰ মানুহেও পাশ্চাত্যৰ মানুহৰ নাস্তিকবাদ আদি ভুল ধাৰণা পোষণ কৰিছে। প্ৰাচ্য বেছি নিষ্ক্ৰিয়; প্ৰতীচ্য বেছি সক্ৰীয়— ইত্যাদি বিষয়ৰ সত্যতা সম্বন্ধে কোনো প্ৰশ্ন উত্থাপিত হব নোৱাৰে; কাৰণ, সক্ৰিয়তা বা নিষ্ক্ৰিয়তা প্ৰাচ্য আৰু প্ৰতীচ্য দুয়ো ঠাইতে আছে।

প্ৰতীচ্যৰ Intellectual religion আৰু প্ৰাচ্যৰ Intutive religion দুয়োটাৰে দোষ-গুণ নিশ্চয় আছে। কিন্তু দুয়োটা ধৰ্মৰ ভাল-খিনিৰ সমন্বয়েহে ধৰ্মগত ঐক্য বা Spiritual unity দিব পাৰে

ৰাধাকৃষ্ণনে কোৱাৰ দৰে প্ৰতীচ্যতো ৰহস্যবাদ আছে আৰু

প্ৰাচ্যতো বিজ্ঞানৰ ভাৱধাৰাৰ অভাৱ নাই। ৰবীন্দ্ৰনাথ ঠাকুৰে প্ৰাচ্যৰ ৰহস্যবাদ (Eastern mysticism) আৰু প্ৰতীচ্যৰ যুক্তিবাদ (Western rationalism) ৰ সমন্বয়ৰ যোগেদি এখন নতুন পৃথিৱী বিচাৰিছিল। আদৰ্শ পৃথিৱী এখন সৃষ্টিৰ বাবে তেওঁ প্ৰয়োজনীয় বুলি ভাবিছিল পাৰস্পৰিক বুজাপৰাৰ ভাব, সাংস্কৃতিক আদান-প্ৰদান। সেয়েহে তেওঁ গাইছে,—

"পশ্চিম আজি খুলিয়াছে দ্বার,
সেথাহতে সবে আনে উপহার,
দিবে আর নিবে, মিলাবে মিলিবে
যাবে না ফিরে
এই ভারতের মহামানবের সাগরতীরে।" ('ভারতবর্ষ' 'গীতাঞ্জলি।')

"জীৱনৰ সঙ্গীত আৰু বিশ্বৰ ঐক্যৰ সুৰৰ বাবে সকলো সমানে মহৎ আৰু সকলোৰে আৱশ্যকতা সমানে আছে।" তেওঁৰ এই উক্তিৰ মাজেদি সাৰ্ব্বজনীনতাৰ কি মহান ভাৱ পৰিস্ফুট হৈ উঠিছে! "Homo sum, humani nil a me alienum puto" ('মই এজন মানৱ আৰু কোনো মানৱেই মোৰ প্ৰতি উদাসীন হ'ব নোৱাৰে") বিশ্বপ্ৰেমৰ মহান আদৰ্শৰ মৃদু মধুৰ সুৰটো মানৱ ধৰ্ম্মত দীক্ষিত বিশ্বকবিৰ প্ৰাণতো বাজি উঠিছিল। তেওঁ নিজেই কৈ গৈছে,— "বিভিন্ন পাহিবোৰ বিকশিত হোৱাটোতেই গোলাপ ফুলৰ উদ্দেশ্য নিহিত হৈ থাকে; সেইদৰে যেতিয়া বিভিন্ন জাতিয়ে প্ৰেমৰ মাজেৰে নিজৰ বৈশিষ্ট্যবোৰ এক কৰি সামঞ্জস্যৰ কাৰণে নিয়োগ কৰে, তেতিয়াহে মানৱজাতিৰ গোলাপ ফুলপাহি সম্পূৰ্ণৰূপে বিকশিত হয়।"

প্ৰাচ্য আৰু প্ৰতীচ্যৰ ঐক্যৰ ভিত্তিটো গঢ়ি তুলিব পাৰি

সাংস্কৃতিক সংযোগ-সাধনৰ দ্বাৰা। বিশ্বৰ বিভিন্ন মহান আদৰ্শবোৰ প্ৰেম আৰু বন্ধুত্বৰ বান্ধোনত বান্ধি থুবাই ভাৰতত সংস্কৃতিৰ কেন্দ্ৰ এটা গঢ়ি তোলাৰ কল্পনা তেওঁ কৰিছিল আৰু সেই কল্পনাই বাস্তৱত বিশ্বভাৰতীৰ ৰূপ ললে। "ৰবি-ৰশ্মি'ৰ গ্ৰন্থকাৰ চাৰুচন্দ্ৰ-বন্দোপাধ্যায়দেৱে কৈছে, — "নদী যেমন তাহার করুণাধাৰা দেশে দেশে বহন করিয়া লইয়া এক দেশের সম্পদ অপর এক দেশে উপনীত করে, কবি তেমনি নিজের দেশের ভাবসম্পদ আর একদেশে লইয়া যাইতে চাহেন।" সঁচাকৈয়ে ৰবীন্দ্ৰনাথৰ সপোন দিঠকত পৰিণত হ'ল। তেওঁ ভাৰতৰ সৈতে পৃথিৱীৰ সুসভ্য দেশ-বোৰৰ সংযোগ স্থাপন কৰিলে আৰু অন্যান্য দেশৰ জ্ঞান, সংস্কৃতি ভাৰতলৈ আনি শান্তিনিকেতন প্ৰতিষ্ঠা কৰিলে।

"নবীন আগন্তুক,
নব যুগ তব যাত্ৰার পথে
চেয়ে আছে উৎসুক।
কী বাৰ্ত্তা নিয়ে মৰ্ত্তে এসেছ তুমি ;.... ....

ৰক্ত প্লাবনে পঙ্কিল পথে
বিদ্বেষে বিচ্ছেদে
হয়তো রচিবে মিলনতীৰ্থ
শান্তির বাঁধ বেঁধে। ('নবজাতক')

শান্তিৰ মিলনতীৰ্থ আছিল বিশ্বকবিৰ জীৱনৰ কাম্যতীৰ্থ। হিংসা-অসূয়া, বিদ্বেষ-বিচ্ছেদৰহিত শান্তিময়, প্ৰেমময় পৃথিবী এখন তেওঁ বিচাৰিছিল।
আকৌ তেওঁ গাইছে—

"শুধু ধাও, শুধু ধাও, শুধু বেগে ধাও
উদ্দাম উধাও,
ফিরে নাহি চাও।" (বলাকা)

বাৰ্গছনৰ দৰে পৰিবৰ্ত্তনশীল বাস্তৱতাত তেওঁ বিশ্বাস কৰে। স্থিতিশীলতাত নহয়, গতিশীলতাতহে তেওঁৰ বিশ্বাস। তেওঁ ভাবে যে পৃথিৱীখন এইদৰে সদায় নেথাকে, এদিন ই শান্তি আৰু পবিত্ৰভূমি হ'বই। "মই দৃঢ়ভাৱে আশা কৰোঁ যে সকলো বৈপৰীত্য আৰু সংঘাতৰ মাজেদি হলেও প্ৰাচ্য আৰু প্ৰতীচ্যৰ মিলন ঘটিবই।

বিশ্বকবি হৈছে আশাবাদী। তেওঁ আশা কৰে যে মানৱ জাতিৰ পৰস্পৰৰ সম্পৰ্কৰ মাজত চিৰস্থায়ী শান্তি বিৰাজ কৰিব। —

'পৃথ্বীসে শান্তির পথে চলতেছে ক্রমে
পৃথিবীর সে অবস্থা আসেনি এখনো,
কিন্তু একদিন তাহা আসিবে নিশ্চয়।" (কবিকাহিনী)

"আমি বিংশ শতাব্দীর মানুষ
আমার গর্ব
আমি এখানে আছি' ('বিংশশতাব্দী: নাজিম হিকমত)

বিংশশতিকাৰ মানৱ আমি আশাবাদী। আমাৰ দৃঢ় আশা,— বিশ্বকবিৰ সপোনৰ পৃথিৱীখন এদিন আহিব। সেই পৃথিৱীখনত বসন্তৰ চিৰলগৰী কুলিয়ে পঞ্চমত সুৰ ধৰি গাব প্ৰেমৰ গীত; ৰিব্ ৰিব্ কৰি মলয়া বতাহে দিব শান্তিৰ বতৰা।

কবি সুকান্ত ভট্টাচাৰ্যই গোৱাৰ দৰে সেইদিনা আমি বিশ্বকবি ৰবীন্দ্ৰনাথৰ উদ্দেশ্যে সমবেত স্বৰেৰে গাব পাৰিম,—

"এখনো আমার মনে তোমার উজ্জ্বল উপস্থিতি,
প্রত্যেক নিভৃত ক্ষণে মত্ততা ছড়ায় যথারীতি,
এখনো তোমার গানে সহসা উদ্বেল হ'য়ে উঠি—
নির্ভয়ে উপেক্ষা করি জঠরের নিঃশব্দ ভ্রূকুটি।"

[‘ৰবীন্দ্ৰনাথেৰ প্ৰতি’
—ছাড়পত্র।]

—:০:—

—এটি দৃশ্য—

—বেণু বৰুৱা।

[এগৰাকী সাহিত্যানুৰাগী ছাত্ৰী। ‘পছোৱা,’ নগাঁও কলেজ আলোচনী, ‘ৰাইজ’ আদিত এওঁৰ কবিতা প্ৰকাশ হৈ গৈছে। এওঁৰ কবিতাবোৰ আধ্যাত্মিক ভাৱনাৰে অনুপ্ৰাণিত]

… … .. অকলশৰে ভাৱে তাই … জীৱনৰ উৰাদিহ নোহোৱা কথাবিলাক ভাবি ভাবি তাই হৈ পৰে তন্ময় .. … ।

অতীতৰ গৰ্ভত লীন হোৱা তাইৰ সোণালী স্মৃতিবোৰ এটি এটিকৈ জাগি উঠে তাইৰ মানসপটত। .. .... তাইৰ মনাকাশখন হয়তো তেতিয়া কৰকাল হৈ পৰিছিল.... … ....। চকুত তাইৰ উজ্জ্বল দীপ্তি, প্ৰাণত তাইৰ অফুৰন্ত আবেগ… … … পাহৰি

যায় বৰ্ত্তমানক,… … ….অতীতৰ মধুৰ স্মৃতিৰ স্মৰণত আজি তাই আপোনপাহৰা হৈ পৰিছে।…. … …

মুক্ত আকাশৰ তলত প্ৰকৃতিৰ মৰমী কোলাত বহি তাই ভাবিছে– তাইৰ প্ৰাণৰ আটিগুৰি নোহোৱা কথাবোৰ –কোনেও বুজা, কোনেও নুশুনা তাইৰ অন্তৰৰ কঁপনিবোৰ…. … …. সান্ধ্য সমীৰণৰ মৃদু আঁচলৰ শীতল সান্নিধ্যত হয়তো তাইৰ উতলা প্ৰাণে অলপ শান্তি পাইছিল… … … । কিন্তু মৰহা অতীতৰ ৰঙীন সপোন কাহানিবাইতো আঁতৰি গ'ল— তাইৰ দৃষ্টি-পথৰ পৰা। তাইৰ আবেগবিভোৰ মুখখনি লাহে লাহে সেতা পৰি যায়— । মৰহা অতীতৰ প্ৰাণ সঞ্চাৰ কৰিবলৈতো তাইৰ শক্তি নাই। নিঠুৰ অতীতৰ আগত তাইৰ হিয়াই পৰাজয় মানিলে…। অতীতৰ নিঠুৰ পদাঘাতে তাইৰ প্ৰাণৰ আবেগ-আশা সকলো চুৰমাৰ কৰি পেলালে …. …তাইৰ চকুত ফুটি উঠিল এক উদাস ভাব…. … … ।

বিশাল শূন্যৰ বুকুৰেদি উৰি গল দূৰ দূৰণিলৈ দুটি পখী; সিহঁতৰ আবেগময় মলাটিত…. … …তাইৰ উদাস চকুযুৰিয়ে চাই ৰল সিহঁতৰ সেই মৃদু গতিপথলৈ… … … লাহে লাহে অদৃশ্য হৈ গল সেই ধুনীয়া দৃশ্যটি তাইৰ দৃষ্টি পথৰপৰা… … ।

দূৰণিৰপৰা ভাহি আহিল কাৰোবাৰ হিয়াভঙা বেদনাসনা এটি সুৰ… … … । তাইৰ হিয়াত যেন সেই সুৰ প্ৰতিধ্বনিত হৈ উঠিল। হয়তো সেই সুৰৰ কঁপনিত তাইৰ জীৱন-বীণাৰ তাঁৰ কিতাপি স্পন্দিত হৈ অন্তৰত ভীষণ আঘাত কৰিলে। তাইৰ চকুযুৰিৰপৰা বাগৰি আহিল দুধাৰি উত্তপ্ত চকুলো। … …সেই চকুলোৰ মাজত হয়তো এখনি প্ৰাণৰ কিমান হিয়াভঙা বেদনা

বিজড়িত হৈ আছিল, তাক কোনে কব...... ?

....নাহে নাহে কলীয়া ভাবৰে গোটেই আকাশ ছাটি ধৰিলে........আন্ধাৰৰ বুকুত তাৰো অদৃশ্য হৈ গল— হয়তো চিৰদিনলৈ ....।

—:o:—

দুখীয়াৰ কেঁচা তেজ চহকীৰ পূজাৰ কাৰণে।

শ্ৰীখগেন্দ্ৰনাথ বৰা।

কবিতা]

[সাহিত্য আৰু সুকুমাৰ কলাৰ প্ৰেৰণাসম্পন্ন এজন ডেকা লিখক। চিত্ৰ-শিল্প-চৰ্চাত বিশেষ সুখ্যাতি লাভ কৰিছে।]

তেজ লাগে।

দুখীয়াৰ কেঁচা তেজ চহকীৰ পূজাৰ কাৰণে,
কাটি কাটি মঙহকো চপৰা চপৰে,
নকৰেনে অনুভৱ দুখীয়াৰ প্ৰাণে,
তেজ লাগে চহকীক পূজাৰ কাৰণে ॥

শতাব্দীৰ নীতি ভেদে ভেদৰ উমনি
সিয়ো তেজ দুখীয়া হিয়াৰ
শিহা জ্বালে, জুই জ্বালে
দুখীয়াৰ বুকুৰ খোলাত
চহকীয়ে কত লালসাৰ !
লালসা যে পঙ্ক হায়
দুখীয়া হিযাৰ
চহকীৰ কত মহিমাৰ
অনির্ব্বাৰ জ্বলি উঠে
দুখীযাৰ প্ৰাণত দুৰ্ব্বাৰ
প্ৰাণ সিয়ো সহস্ৰ ব্যথ'ৰ !
নমৰাও মৰি যায দুখীযাৰ জীৰ্ণ কুটিৰত,
দুখীযাই চাই থ'কে মাথোঁ চকুলই
আন্ধাৰতে বহি বহি নিচেই কাষত
সবা'ৰাপৰত—
এচাকি তেল !
সিয়ো নাই দুখীযাভাগ্যত !!
চহকীয়ে তেল পুৰে হেঁপাহে-হুতাহে
সবাকো সাৰাটি ৰাখে ৰঙৰ বলেৰে—
টকা ঢালে মুঠিয়ে মুঠিয়ে
ভাতো যে বিৰিঙে তেজ দুখীয়াপ্ৰাণৰ
চহকীৰ এটুপি তেলত

চহকীৰ এমুঠি ধনত
জ্ঞানহীন, চক্ষুহীন, প্ৰবৃত্তি প্ৰাণৰ
সমাজো যে বশবৰ্ত্তী ধনীৰ ধনৰ ॥

—০—

নিস্বাৰ্থ

—ছামছুল হুদা—

আলোচনা]

['হেৰোৱা দিন,' 'মৰমী প্ৰিয়া,' 'স্মৃতিৰ কণিকা' প্ৰভৃতিৰ ৰচক এজন উদীয়মান ডেকা কবি। 'নতুন অসমীয়া' আৰু 'জনমভূমি'ৰ এজন সংবাদদাতা]

নিস্বাৰ্থ বোলোতে আমি স্বাৰ্থহীন বুলি বুজোঁ; কিন্তু, প্ৰকৃততে নিস্বাৰ্থৰ অৰ্থ স্বাৰ্থহীন নহয়। এই দুয়োটা শব্দৰ মাজত বিশেষ পাৰ্থক্য আছে। এই পাৰ্থক্য অতি সূক্ষ্ম আৰু সেই কাৰণে, "নিস্বাৰ্থ" আৰু 'স্বাৰ্থহীন'ৰ পাৰ্থক্য দেখুৱাবলৈ যাওঁতে, সৰ্ব্বসাধাৰণৰ মনত অলীক ভাবনাৰ বিকাশ যেন লাগিব পাৰে; কিন্তু, ঢকৈ ভাবিলেই, পাৰ্থক্যটো স্পষ্ট হৈ উঠিব আৰু যুগ যুগ ধৰি চলি অহা ভুল এটিৰ মূলোচ্ছেদ হব।

সন্তানৰ প্ৰতি জনক-জননীৰ মৰম-বাৎসল্যক আমি নিস্বাৰ্থ বুলি আখ্যা দি তাক স্বাৰ্থহীন বুলি ভাবো। কিন্তু, এই মৰম-বাৎসল্য কোনো প্ৰকাৰেই স্বাৰ্থহীন নহয়। দাম্পত্য জীৱনৰ

প্ৰাৰম্ভৰেপৰা, আনকি অবৈতাবস্থাতেই প্ৰত্যেক নৰ-নাৰীয়ে নিজৰ নিজৰ বৈবাহিক জীৱনত সন্তান লাভৰ কামনা কৰে; এই সত্য অস্বীকাৰ কৰিবলৈ মানৱ-মন সম্পূৰ্ণ অক্ষম। কুমাৰীয়েও মনোৰাজ্যত চাই থাকে— তেওঁ বিবাহিতা, গৃহিনী, সন্তানৰ জননী। জগতখন তেওঁৰ চকুৰ আগত এক বিৰাট ফুলনি; তাৰে এমূৰত তেওঁ থিয় দি আছে গোটেই ফুলনি জুৰি, তেওঁৰ সন্তানে হাঁহি-মাতি নাচি-বাগি উমলি ফুৰে; উমলাৰ ভাগৰথিনি লৈ সন্তানবিটিয়ে "মা-মা" বুলি তেওঁৰ ওচৰ চাপেহি। কোনো গৰাকীয়ে অন্তৰ-ভুৱনত দেখে, তেওঁ গৃহস্থালীৰ কামত ব্যস্ত। "মা! ভোক লাগিছে" বুলি সন্তানে তেওঁক সাৱটি ধৰিছেহি। কোনো গৰাকীয়ে আকৌ হেপাহ দীপ্ত চকুৰে ভাৱৰাজ্যত চাই থাকে,— তেওঁ সন্তানক ভাত-পানী খুৱাই পঢ়াশালীলৈ পঠাবৰ অৰ্থে সজাই পৰাই আছে। পঢ়াশালীৰপৰা ঘূৰি অহাত তেওঁ সন্তানক আহাৰ দিছে। অনুন্নত অঞ্চলৰ নিৰক্ষৰা কুমাৰীয়ে দেখে, তেওঁৰ ছোৱালীজনীয়ে তেওঁৰপৰা গৃহস্থালীৰ কাম শিকিছে; ঘৰুৱা কামত তেওঁক সহায় কৰিছে। তেওঁৰ লৰাটোৱে পথাৰত গৰু ম'হ চৰাইছে, খেতিৰ কাম কৰিছে। এনেবোৰ মনোচিত্ৰ আঁকি নীৰৱ আনন্দোপভোগ কৰা কুমাৰী বোধকৰোঁ জগতত বিৰল নহয়; আৰু এই আনন্দোপভোগৰ স্বাৰ্থ সম্পূৰ্ণ অনস্বীকাৰ্য্য।

অবৈতাবস্থাৰ পুৰুষেও ঠিক একেদৰেই কল্পনাৰ চিত্ৰ আঁকি, বৰ্তমানত থিয় দি ভৱিষ্যতৰ সন্তান-বাৎসল্যৰ আনন্দৰে হিয়া নচুৱাই তোলে,— তেওঁ বিবাহিত গৃহস্বামী; সসন্তান-পৰিয়ালক লৈ সুখেৰে জীৱন নিৰ্ব্বাহৰ কাৰণে কৰ্মঠাইলৈ ওলাই যায়; আৰু নিৰ্দ্দিষ্ট সময়ত ঘূৰি আহে। তেওঁৰ সন্তানে কোলাত বহি মু

ওচৰতে থিয় দি, তেওঁৰ মুখখন চাই, মৰমৰ দাবীৰে না-না বস্তু খোজে; তেৱোঁ তেনেহলে প্ৰতিজ্ঞাবদ্ধ হয়। আৰু সেই প্ৰতিজ্ঞা অবিলম্বে কাৰ্য্যত পৰিণত কৰে। কোনোবা কুমাৰৰ চকুত, তেওঁৰ অনাগত সন্তানৰ ভেকাৰূপ আৰু কৰ্ম্মচিত্ৰ ভাহি ওঠে। এইদৰে কল্পনাৰ মাজেদিয়ে, আগতীয়াকৈয়ে, কুমাৰ-অন্তৰে আনন্দৰ স্বাৰ্থ লাভ কৰে, ইয়াৰ সত্য অস্বীকৃতি সম্পূৰ্ণ প্ৰকৃতি বিৰুদ্ধ।

দাম্পত্য জীৱনত নৰ-নাৰীৰ পক্ষে এনেবোৰ চিন্তা হৱ তেনেই স্বাভাৱিক; নৱবিবাহিতাই পুৱাই শিহৰনাত শুই, বা আগবেলাতে গোপনে পাতল হুমুনিয়াহ কাঢ়ে, কাৰণ, তেওঁ সপোন দেখিলে যে কোনোবাই তেওঁৰ কোলাত এটি সন্তান দিলে, আৰু কলে— "এইটি তোমাৰেই সন্তান।" সন্তানৰ মুখখনি শাৰদীয় শুক্লাচতুৰ্দ্দশীৰ জোনৰ দৰে উজ্জ্বল, তাৰ কান্তিত যেন গোটেই ঘৰখন উদ্ভাসিত হৈ উঠিছে। কোনোবাই দেখে,— তেওঁৰ সন্তান জগতৰ এক অপূৰ্ব্ব সুন্দৰ সজীৱ চিত্ৰ! পুৱাৰ বাস্তৱৰ পৰশে নিশাৰ সপোনৰ মাধুৰী আঁতৰাই দিয়ে, দেৱশিশু অন্তৰত ভাহি উঠে, দিঠকত বিবাহিতাৰ অন্তৰত তাৰ কাৰণে কামনা জাগে, 'পামনে?' বা 'কেতিয়া পাম?' এই প্ৰশ্নই তেওঁৰ অন্তৰত লগে লগে বিষাদ আনি দিয়ে, আৰু তেতিয়াই হুমুনিয়াহ ওলাই আহে।

নৱবিবাহিতজনেও সপোন দেখে— তেওঁ জনক। শিশু সন্তানৰ অমিয়ভৰা মুখখনি চাই সন্তুষ্ট হব নোৱাৰে, অন্তৰৰ আকুলতা বাঢ়ি উঠে, আবেগৰ বেগত শিশুক তাৰ মাকৰ কোলাৰপৰা নিজৰ কোলাত লৈ মৰমবাচক ভাষাৰে, গীত-

কবিতা গাই, মনৰ অসীম আনন্দ প্ৰকাশ কৰে। তাৰ পিছত দিঠকৰ পূৰ্ণনাৰীত্বৰ অনুভূতিয়ে দেখা দিয়ে, সপোনৰ আনন্দ-মুখৰতা গুচি যায়, কামনাৰ অভিপ্সিত তেৰো হুমুনিয়াহ কাঢ়ে। গহীন চকুৰে সহধৰ্ম্মিনীৰ ফালে চায়, ভাষা অপ্ৰকাশ হৈ ৰয়।

এতিয়া আৰু বাস্তৱলৈ অহা যাওক। বিবাহিতাই যেতিয়া পুত্ৰসন্তান কোলাত লৈ মৰম কৰে, তেতিয়াও তেওঁ এক মৰমৰ স্বৰ্গ লাভ কৰে; তদুপৰি, সেই সময়ত, তেওঁৰ মনত সন্তান-লাভৰ কথা জাগি উঠে; আৰু মাতৃসুলভ স্নেহানন্দৰ ঢৌ এটিয়ে অন্তৰত খেলি যায়। এই সত্য বোধকৰো নাৰীসমাজে অস্বীকাৰ কৰিব নোৱাৰে। বিবাহিতজনেও এনেক্ষেত্ৰত সহধৰ্ম্মিনীৰ লগত সহযোগ কৰা দেখা যায়। আঁতৰৰ পৰা বা ওচৰত বৈ তেওঁ চকুৰ ভাষাৰে ভাগিনীক কয়— "নিজৰ হোৱাহলে আমি কিমান সুখী হলোহেঁতেন।" সহধৰ্ম্মিনীয়ে তেতিয়া চুটিকৈ, 'কিয় মানুহজন' বা 'কিনো এইবুলি' ওঁঠৰ মাজতে উচ্চাৰণ কৰে; কিন্তু, সি মাথোন চকুৰ মুখৰ প্ৰবোচনা, প্ৰকৃতপক্ষে তেওঁৰ চকুত আনন্দৰ দীপ্তি ফুটি উঠে; অন্তৰত বাজি উঠে— 'দুষ্ট বিহঙ্গ তুমি!' আৰু এই সকলোটিৰ মূলত থাকে সমিধান— 'সঁচাকৈয়ে আমি সুখী হলোহেঁতেন।' আৰু দুয়োৰো অন্তৰত তেতিয়া এক আনন্দৰ ফল্গুধাৰা বৈ যায়।

এনেবোৰ সা-সপোন, কল্পনা-আলোচনা যেতিয়া বাস্তৱত পৰিণত হয়, তেতিয়া জনক-জননীয়ে এক অচিন্তনীয় আনন্দ লাভ কৰে; আৰু সেই আনন্দতেই পৃথিবীখনক আৰু আপোনকৈ পাবলৈ বিচাৰে। সন্তান-সন্ততিৰপৰা লাভ কৰা এই আনন্দ প্ৰাবল্য কিমান, তাৰ আলোচনাৰ কাৰণে আমি আৰু বাস্তৱতালৈ

আগবাঢ়ি যাওঁ।—

পুত্ৰকন্যাৰ কিবা ব্যাধি বা বিঘিনি হলেই পিতৃমাতৃ ব্যাকুল হৈ উঠে; আৰু সিহঁতে আৰোগ্য লাভ কৰিলেই, তেওঁবিলাকে মনত অফুৰন্ত আনন্দ লাভ কৰে; সন্তানৰ উপযুক্ত লালন-পালনৰ কাৰণেই পিতৃমাতৃয়ে সৰহীয়া অৰ্জ্জন আৰু অধিক সঞ্চয়ৰ হেতুকে বুকুৰ তেজ পানী কৰে। সন্তানক উপযুক্তভাবে খুৱাই-পিন্ধাই ডাঙৰ-দীঘল কৰিব নোৱাৰিলে পিতৃমাতৃৰ মন ব্যথাহত হৈ উঠে, জীৱনৰ প্ৰতি ধিক্কাৰ জন্মে। ভাল খুৱাই, ভাল পিন্ধাই, ভাল দি, ভাল শিকাই, ভাল দেখুৱাই, পুত্ৰকন্যাক সংসাৰ বাসৰ উপযোগী কৰিব পাৰিলেহে পিতৃ-মাতৃয় মনত শান্তি পায়, তৃপ্তি লাভ কৰে, জীৱন সাৰ্থক বুলি ভাবে। পিতৃমাতৃৰ মৰম-চেনেহৰ মূলত আত্মাৰ এই চিৰন্তন স্বাৰ্থ নথকা হ'ল হয়তো পাহৰিলেহেই মানৱ সোঁত ৰুদ্ধ হৈ গ'লহেতেন; মানুহে সংসাৰৰ এই অসীম কষ্টক্লেশ সহ্য কৰিব'ল বাধ্য নহলহেঁতেন। সন্তানৰ প্ৰতি জনক-জননীৰ যি মৰম-চেনেহ, তাত গভীৰ তৃপ্তি আৰু বিৰাট স্বাৰ্থ থকা হেতুকেই, হয়তো সন্তানক যে লাভ সাৰটি লৈ মাকে কয়,—

"Sweet my child I live for thee"

-:•:—

সত্যৰ দ্বাৰাহে সত্য লাভ হয়, হিয়া দান কৰিলেহে হিয়া পাব পাৰি।

—মাৰ্চেল।

কাব্যৰ উপেক্ষিতা ?

অধ্যাপক মহেশ চন্দ্ৰ দেৱ গোস্বামী ।

['আবাহন', 'সুৰভি', 'জয়ন্তী' প্ৰভৃতি আলোচনীৰ পাঠক পাঠিকাসকলৰ ওচৰত 'স্মৃতি' আৰু 'ছয়ামৰা'ৰ কবি গোস্বামী দেৱ সুপৰিচিত। এওঁৰ কবিতাবোৰ প্ৰধানতঃ ভাৰতীয় দৰ্শন আৰু আধ্যাত্মিক চিন্তাধাৰাৰে সমৃদ্ধ। কবি হিচাবে খ্যাত হলেও চিন্তামূলক প্ৰবন্ধলিখক স্বৰূপেও এওঁৰ পৰিচয় আমি পাইছোঁ।]

ভাত খাই উঠি বিচনাত পৰি কিতাপ এখন মেলি ললোঁ টোপনি নাহে, অবশ্যে মোৰ নহয়, বহুতৰে। ভুপৰীয়া বেলত মনটোৰ ওলাই যাব নোখোজাত বিচনাতে দীঘল দিলোঁ হয়, হাতত লৈ গলোঁ, ৰবৰুৱাৰ যুদ্ধ ক্ষেত্ৰত "আহোমৰমনী" কাব্যখন। অসমীয়া সাহিত্যক ৰবৰুৱাই কাব্যসমপদেৰে চহকী কৰি থৈ গল, কিন্তু আজি সেই ৰবৰুৱাক অসমীয়া পাঠক সমাজে সম্মান দেখুৱাব জনা নাই। ভাবিলোঁ ৰবৰুৱাৰ কাব্য আলোচনা কৰি এটা প্ৰবন্ধকে লিখা যাওক।

বীৰ ৰমনী মুলাৰ বীৰত্বৰ কথা পঢ়োঁতে পঢ়োঁতে মনটো নাচি উঠিছিল। যৱনৰ হাতত আহোম বীৰসেনা নিপাত হোৱাত চুক্লেন আদিয়ে আশা-ভৰসা এৰি বহি থাকোঁতে

মুলা আৰু সখীসকল উপস্থিত হৈ যি খিনি কথা কলে, সেই কথাই গা বঞ্জিৎ কৰি তুলিলে। মুলাই কৈছিল :

কি কাজ প্ৰাণত, যদি হবা কাপুৰুষ ?
নেদেখাবা, যদি বীৰ্য্য বিপক্ষ-পক্ষক
সমৰ ক্ষেত্ৰত গই ? স্বদেশৰ হেতু
দেশৰ মঙ্গল অৰ্থে মুছৰ্গিবা প্ৰাণ ?
জন্মিলে মৰণ আছে বীৰপুৰুষৰ
এবাৰ মৰণ, কিন্তু এই জগতত
শতবাৰ মৰে ভীৰু প্ৰতি মুহূৰ্ত্তত।

পঢ়ি থাকোঁতে থাকোঁতে কেতিয়া টোপনি আহিল কব নোৱাৰোঁ। দেখিলোঁ, স্বৰ্গীয হিতেশ্বৰ বৰবৰুৱা মোৰ ঘৰৰ আগত। সসম্ভ্ৰমে তেখেতক বহিবলৈ দিলোঁ। তেখেত এনে ভাৱে আহি ওলোৱাত আচৰিত হলোঁ। তেখেতে গহীনাই মাত দিলে,— "বোপা, মই তোমাৰ শলাগ লবলৈ আহিছোঁ। ইমান দিনে অসমীয়া মানুহে মোৰ প্ৰাণেৰে লিখা কথাবোৰ পঢ়ি বুজিবৰ চেষ্টা নকৰিলে। তুমি কিতাপখন পঢ়া দেখি মোৰ আনন্দ লাগিছে। পিছে, কেনে পাইছা বোপাই ?" মই তেখেতৰ এই আপোন ব্যৱহাৰত নিঃসঙ্কোচ হৈয়ে কলোঁ। "কিতাপখন পঢ়ি খুব ভাল পাইছোঁ। কিন্তু মাজে মাজে বহুতো কথা বৰ অতিৰঞ্জিত যেন লাগে।"

বৰবৰুৱা—, "কিনো অতিৰঞ্জিত পালা ?"

মই— "এই ধৰক যুদ্ধলৈ যোৱাৰ আগতে চাওক

মুলাগাভৰুৱে কোৱা কথাবোৰ। মুলাই দেখিছোঁ ৰামায়ণ মহাভাৰত সোপাকে কণ্ঠস্থ কৰি তাৰ উদাহৰণবোৰ দি যোৱাটো অলপ কাণত বাজি যায়।”

ৰবৰুৱা— “বোপা, তুমি ভুল বুজিছা। এই ঘটনা তোমাৰ এই বিশ শতিকাৰ নহয়। এতিয়াৰ ছোৱালীয়েহে নেলাগে, লৰাইও ৰামায়ণ মহাভাৰতৰ কাহিনীবোৰ নাজানে। কিন্তু এসময়ত প্ৰতিজনী অসমীয়া ছোৱালীয়ে নিজে লিখিব পঢ়িব নোৱাৰিলেও লোকৰপৰা পুৰাণ-মহাভাৰতৰ কাহিনী শুনি কথা শিকিছিল। পুৰণি বীৰনাৰীসকল অসমীয়া গাভৰুৰ আদৰ্শ আছিল। মই মুলাৰ চৰিত্ৰ বৰ্ণাওঁতে তেওঁক এগৰাকী অসমীয়া গাভৰু হিচাপেই বৰ্ণাইছোঁ, তিলমানো অতিৰঞ্জিত কৰা নাই।”

মই— “আপুনি মুলাক অতিশয় প্ৰগলভো কৰি তুলিছে আৰু প্ৰাত ৰথাতে তেওঁৰ মুখত বহুতো উপমা দি অপ্ৰাকৃতিক কৰি তুলিছে। এই ধৰক চাওৰ মৃত্যুৰ বাতৰি পোৱাৰ পিছত মুলাই মুহিলাক যি ধৰণে কথা কৈছে,— তাৰপৰা গোটেই কাহিনীটো অতিৰঞ্জিত কৰিছে। মুলাই নিজৰ গুণ-যশ কিয় বাৰু ইমানকৈ গালে ?

“ধুমুহা বতাহে হায় ভাঙে যদি তৰু
উদ্যানৰ, হেৰা সখি, থাকে কি ছাঁয়াৰ
পূৰ্ব্বৰূপ ? সেই ৰবি আভাসত দেখি
কমলিনী হাঁহে সুখে মিচিকীয়া হাঁহি,

সেই ৰবি ম্লান দেখি অস্ত অচলত
নোহে কি নলিনী, সখি, কান্দি বিষাদিনী ?
মূলাবো প্ৰাণৰ ৰবি অস্তাচলৰূপী
যৱন-যুদ্ধত আজি ডুবিছে অকালে,
কমলিনী মূলা হায় ! থাকিব কি কৰি
হাহি মুখে ?

মূলাইনো বাৰু ইমান দুখত ইমানবোৰ কথা কব পাৰিছিলনে ? এনে দীঘলীয়া বক্তৃতাই মূলাক অলপ অপ্ৰাকৃতিক কৰি তোলা নাইনে ?"

বৰনবৰা— "বোপা, মূলাই নিজৰ দুখ-শোক পাহৰিবলৈ আৰু অন্তৰ ডাঠ কৰি সবলৈকে অতীতৰ কাহিনীৰপৰা আৰু প্ৰকৃতিৰপৰা বুদ্ধিৰ সকলো সম্ভাৰ গোটাই লৈছে। যদিও আমি ভাবোঁ যে অতিশয় দুখত মানুহৰ মুখৰপৰা কথা নোলায়, তথাপি ইও ঠিক যে মন সবল থাকিলে, আগত মহান উদ্দেশ্য থাকিলে আপোনা আপুনি মানুহ প্ৰগলভ হৈ উঠে। বিশেষকৈ মূলাৰ এই দুখত সখিয়েক মুহিলাই সান্ত্বনা দিবলৈ কৈছিল,—

"সমৰ প্ৰাঙ্গন নোহে তিৰুতাৰ ঠাই
কাৰ্য্যক্ষেত্ৰ, তিৰীজাতি কৰ্ত্তৃ গৃহস্থৰ,
গৃহস্থালী কৰ্ম্মক্ষেত্ৰ, সীমা অতিক্ৰম
কৰা নোহে ন্যায্য সখি, নেদেখায় ভাল।"

মুহিলাৰ এনে দুৰ্ব্বলতা দূৰ কৰিবলৈ হলে মূলাৰ দৰে

সৰহকৈ কথা কোৱাটো আৱশ্যক। কাৰণ অকল মুহিলা কিয়, নিস্তেজ হৈ পৰা আহোম কোঁৱৰ আৰু সেনাসকলকো নতুন ভাৱত অনুপ্ৰাণিত কৰি তোলাৰ একমাত্ৰ উপায় আছিল— মূলাৰ নিজৰ স্বামীশোক পাহৰি দেশপ্ৰেমৰ সোঁত এটা বোৱাই দিয়াটো। মুলাই যদি অনুপ্ৰেৰণাৰ যোগান নধৰে, আহোম ৰাজ্য ধ্বংসই হলহেঁতেন।

মই— "ভাল বাৰু বুজিলোঁ। আপুনি মুহিলাৰ চৰিত্ৰটিও দেখোন ভালকৈ ফুটাই নুতুলিলে? মুলাই পাঠানৰ হাতত প্ৰাণত্যাগ কৰিলে— মুহিলাই হুৰাওৰাৰে কান্দিলে, আৰু আপুনি মাখোন লিখি থলে,—

'কান্দিলে মুহিলা পুনু সখীক সুমৰি
মায়াময় সংসাৰত মায়াবদ্ধ প্ৰাণী
কি কৰি নিবাৰে মায়া?'

তাৰ পিছত মুহিলাক আপুনি তেনেই উপেক্ষা কৰিলে দেখোন, কিয়? যি মুলাই সকলোকে নতুন প্ৰেৰণাৰে উদ্বুদ্ধ কৰিব পাৰিছিল, সেই মূলাৰ মৃত্যুৰ লগে লগেই তেওঁৰ সখি মুহিলা ইমান নিস্তেজ হৈ গল কিয়?"

ৰবৰকৰা— "বোপা তুমি কাব্যৰ উদ্দেশ্য বুজাত ভুল কৰিছা। কাব্যৰ উদ্দেশ্য মুহিলাৰ চৰিত্ৰ অঙ্কন নহয়। মুহিলা কোনো বুৰঞ্জীমূলক নাৰীও নহয়। কাব্যৰ উদ্দেশ্য মূলাৰ চৰিত্ৰ অঙ্কন— মুলাৰ আদৰ্শই কেনেকৈ আহোমৰ গাত নতুন তেজ আনি দি অসমদেশ ৰক্ষা কৰাত সহায়

কৰিলে, তাকহে মই বৰ্ণাইছোঁ। গোটেই অসম বুৰঞ্জী লিখাও মোৰ উদ্দেশ্য নহয়। গতিকে মুহিলাৰ চৰিত্ৰ সিমানতে এৰা আৱশ্যক হল। আহোমবীৰসকলৰ দুৰ্ব্বলতা যোৱাৰ পিছত ৰণক্ষেত্ৰত নাৰী নমাৰ কোনো সাৰ্থকতা নাই।”

মই—“তথাপিতো মুহিলা সম্বন্ধে আৰু এযাৰ কথাও নিলিখি আপুনি মুহিলাক অন্যায় কৰা বুলি নেভাবেনে?”

ৰবৰুৱা—“নিশ্চয় নাভাবোঁ। বৰং মুহিলাৰ কথা আৰু লিখা হলে কাব্যৰ সৌন্দৰ্য্যহে হ্ৰাস হলহেঁতেন। আনকি মূলাৰ সৰুকালৰ জীৱনী, চাওৰ জীৱনী আদি লিখাও মোৰ উদ্দেশ্য নহয়। মোৰ উদ্দেশ্য মাত্ৰ যুদ্ধক্ষেত্ৰত আহোম ৰমণীয়ে কি কৰিছিল—সেই খণ্ড লিখাহে। সেইবাবে মই কাব্য আৰম্ভ কৰিছোঁ,—কেনেকৈ এবাৰ পঢ়ি চোৱাঁ।”

মই পুথিখন লুটিয়াই ঘটনাৰ আৰম্ভণিটো উলিয়ালোঁ।

—ৰজাৰ ঘৰৰপৰা সন্ধিয়া বেলিকা
আহিল ঘৰত চাও স্বোৱামী মূলাৰ
মূলাৰ আৰাধ্য ধন, প্ৰাণৰ দেৱতা,
কিন্তু চিন্তাভৰা আজি। সুধিলে মূলাই—
চিন্তা যুঁজ প্ৰিয় নাথ? কি ভাবিছা তুমি
অন্তৰত? কিবা ভাব খেলিছে হিয়াত?

ৰবৰুৱা—“চোৱা খুনলুঙৰ মৃত্যুৰ পিছৰ ঘটনাহে মই বৰ্ণনা কৰিছোঁ। আৰু আগত উলিয়াই লৈ চোৱাচোন—কাব্যৰ মূল উদ্দেশ্য কি পোৱা?”

মই পাও লুটিযাই লুটিয়াই পালো—
—গাওঁ আজি বীৰৰ কাহিনী
বীৰ ৰমণীৰ; সেই আহোম বংশৰ
মূলা নামে বীৰাঙ্গনা— আসাম গৌৰৱ—
কৰিলে যি প্ৰাণত্যাগ সন্মুখ যুদ্ধত
তুৰৰকে সতে যুজি চামুণ্ডাৰূপিণী,
আক্ৰমোতে সষ্টৰাৰ যৱনে আসাম।

ৰবৰকৰাই ঢেকঢেক কৈ হাঁহিলে— সেই চোৰা বোপা, মোৰ কাব্যৰ উদ্দেশ্য কিমান পৰিষ্কাৰকৈ লিখি থৈছোঁ। তোমালোকে একো খুঁত উলিয়াব নোৱাৰিবা।

কোনোবাই এনেতে মাত দিলে— "দেউতা দেউতা—হঠাৎ সাৰ পাই দেখোঁ যে ৰবৰকৰা নাই— কিতাপখন বুকুৰ ওপৰত পৰি আছে আৰু গাৰ ঘামত তিতিছে। মোৰ ছোৱালী মঞ্জুৱে মাতিছে— বাহিৰত মানুহ অহা বুলি।*

অল ইণ্ডিয়া ৰেডিঅ'ত পঠিত।

—:০:—

কোনো কাম ভালকৈ কৰিব পৰাটোৱেই কামটো কৰাৰ প্ৰকৃত পুৰস্কাৰ।

- ওৱাৰ্ডচ ওৱৰ্থ।

ভাৰতীয় কথাছবি।

মোখলেছ আহমদ।

চমু টোকা]

[এজন সাহিত্যানুৰাগী ছাত্ৰ-লিখক। ছায়া-চিত্ৰ-শিল্পৰ প্ৰতি বিশেষ অনুৰাগী।]

বৰ্ত্তমান যুগত কথাছবিৰ প্ৰয়োজনীয়তা সম্বন্ধে বহলাই কোৱা নিষ্প্ৰয়োজন। জগতৰ আন আন দেশৰ লগতে আজি ভাৰতবৰ্ষ পৃথিবীৰ ভিতৰত দ্বিতীয় বৃহৎ ফিল্ম উৎপন্নকৰ দেশ। (World's second largest film producing country.) আমাৰ ভূতপূৰ্ব্ব—সহকাৰী প্ৰধানমন্ত্ৰী স্বৰ্গীয় চৰ্দাৰ বল্লভভাই পেটেলে মন্তব্য প্ৰকাশ কৰিছিল,— 'I am convinced that our films can be turned into an effective medium of propoganda for the national movement of an all around regeneration of the people."

বৰ্ত্তমানৰ কথাছবিবোৰ বাস্তৱৰূপৰ পৰা আঁতৰি যোৱা যেন দেখা গৈছে। সামাজিক ছবি নিৰ্ম্মাণ কৰি দেশৰ, সমাজৰ যে উৎকৰ্ষ সাধন কৰিব পাৰি, তাক প্ৰযোজকসকলে অন্তৰেৰে অনুভৱ কৰা নাই। বৰ্ত্তমান ডেকা-গাভৰুৰ প্ৰণয়—কাহিনীকেই মাত্ৰ কেন্দ্ৰ কৰি চিত্ৰ নিৰ্ম্মাণ কৰাটোৱেই প্ৰযোজকসকলৰ কৰ্ত্তব্য হৈ পৰিছে। দ্বিতীয়তে আমাৰ ছবিবোৰৰ সঙ্গীত বিভাগবো

অবস্থা প্ৰায় শোচনীয়। ছবিৰ প্ৰায়বোৰ গীতত পাশ্চাত্য বা বিদেশী সুৰৰ অনুকৰণ; ভাৰতীয় গীত-মাত, বাদ্য-যন্ত্ৰৰ ব্যৱহাৰ নিচেই কম। গীতৰ ভাৱ ভাষা সন্তোষজনক নহয়। বিষয়বস্তুৰ অভাৱ। ইয়াতো কিছুমান অৰ্থহীন আৰু অশ্লীল শব্দৰ প্ৰয়োগ। প্ৰযোজকসকলে বিচাৰে কেনেকৈ তেওঁলোকৰ ছবিখন Box office hit হয় আৰু গীতবোৰো Box office hit song হয়। অৰ্থাৎ প্ৰযোজকসকলৰ লক্ষ্য সদায় ধন ৰ সোনালৈহে; সমাজ তথা জনসাধাৰণৰ কল্যাণৰ কাৰণে তেওঁলোকে চিন্তা নকৰে।

আজি চোভিয়েট ৰাছিয়াৰ চিত্ৰ-শিল্প ইমান উন্নত কিয়? কাৰণ, তাৰ প্ৰযোজক, পৰিচালক আৰু চিত্ৰ শিল্প বলমোদী সকলে সমাজ জীৱনত ইয়াৰ সাৰ্থকতা উপলব্ধি কৰিব পাৰিছে। প্ৰায় বিয়াল্লিছ বছৰৰ আগেয়ে লেনিনে ৰুপালী পৰ্দাৰ বিষয়ে এনে মত প্ৰকাশ কৰিছিল,—"The cinema, so long as it remains in the hands of the common speculators, bring more harm than benefit not merely exercising a degrading influence upon the masses by the disgusting contents of its pictures. But as a matter of course, when the masses will take possessions of the cinema and it will be in the hands of real workers of the socialistic culture, it will become one of the mightiest means of education of the masses." সেই কাৰণেই আজি চোভিয়েট চিত্ৰ-শিল্প, জনসাধাৰণৰ শিল্প। আজি চোভিয়েট কথাছবি, প্ৰযোজক সকলে, শ্ৰমিক, কৃষক, মজদুৰ, ছাত্ৰ-ছাত্ৰী আৰু সৈন্য আদিৰ কাৰণে

ধক পৃথক আদর্শমূলক চিত্র নির্ম্মাণ কৰি, তাৰ যোগেদি জন-সাধাৰণক শিক্ষিত আৰু জাতীয় মনোভাবাপন্ন কৰি গঢ়ি তুলিছে। এক সক লৰা-ছোৱালীৰ কাৰণে আচুতীয়া প্রেক্ষা-গৃহ নির্ম্মাণ কৰি আদর্শমূলক ছবিৰ জৰিয়তে সিহঁতৰ উচ্চ চৰিত্র গঠনৰ পথত সহায় যোগাইছে। সৈনিকসকলৰ কৃতিত্বৰ সমৰ চিত্রৰ (war picture) যোগেদি দেশ-হিতৈষণা ভাব জগাই তুলিছে।

উচ্চখাপৰ শিক্ষামূলক, বুৰঞ্জীমূলক, ধৰ্ম্মমূলক সমৰচিত্র আৰু সামাজিক ভাৰতীয় ছবিও যে নির্ম্মাণ হোৱা নাই, এনে নহয়। অতি সুন্দৰ উৎকৃষ্ট ভাৰতীয় ছবিও নির্ম্মাণ হৈছে। সেইবিলাকৰ ভিতৰত বহুতে আন্তৰ্জাতিক খ্যাতি (International fame) অৰ্জ্জন কৰিছে। 'শকুন্তলা' ডক্টৰ কটনিচ, "সংসাৰ" 'নিচানগৰ" "অপনা দেশ" 'ধৰতী কি লাল' "মেৰেলাল" "মা" "গৃহস্থী" 'দহেজ' 'বৈজু বাওৰা' আদি হিন্দী ছবি উল্লেখযোগ্য। উৎকৃষ্ট আদর্শ-মূলক ছবিৰ নির্ম্মাণ ক্ষেত্ৰত বঙ্গদেশৰ প্রযোজকসকল আগৰণুৱা। "মহাপ্রস্থানেৰ পথে" 'বড়দিদি' 'স্বয়ংসিদ্ধা' 'দেবদাস' 'বাঘেৰ সুমতি' "বিৰাজ বৌ" "বাবলা'—(আন্তৰ্জাতিক খ্যাতিপ্রাপ্ত) আদি চিত্রই চিত্র-জগতক নতুন ৰূপ দিছে। অলপতে প্রসিদ্ধ প্রযোজক পৰিচালক মেহবুবৰ "ৰঙ্গাৰ" (color) চিত্র "আন" ছবিখনে ভাৰতীয় চিত্র বুৰঞ্জীত এটা নতুন ৰূপ দিলে আৰু চোহৰাব মোদীৰ সৰ্ব্ব প্রথম ভাৰতীয় "টেকনিকলাৰ" (Techni color) চিত্র "ঝাঁচী কী ৰাণী" য়ে অলপতে সদৌ ভাৰতত মুক্তিলাভ কৰি চিত্র-জগতৰ বুৰঞ্জীত এটি নতুন অধ্যায়ৰ পাতনি মেলিলে। তাৰ উপৰিও বৰ্ত্তমান কেবাখনো চিত্র "গেভা কলাৰত" (Geva color) নির্ম্মাণ হৈ থাকিছে। এনেভাবে আমি দেখিবলৈ পাইছোঁ যে, কেইজনমান

শিল্পীয়ে ভাৰতীয় ছবিৰ মানদণ্ড উচ্চ সোপানলৈ তুলি নিয়াত আত্ম নিয়োগ কৰিছে। সেই সকলৰ ভিতৰত ভি শান্তাৰাম, বিমল ৰয়, ফণী মজুমদাৰ, চোহৰাব মোদী, মেহবুব আদিৰ নাম উল্লেখযোগ্য। Technic, Photography, Art, Acting. Settings আদিৰ ক্ষেত্ৰত ভাৰতীয় কথাছবিয়ে আগতকৈ যথেষ্ট উন্নতি সাধন কৰিছে। বৰ্ত্তমান ভাৰতীয় কথাছবিয়ে যে আগতকৈ বহুগুণ শ্ৰেষ্ঠতা লাভ কৰিছে, এই বিষয়ে যোৱা বছৰত ভাৰতৰ দিল্লী, বোম্বাই, মাদ্ৰাজ আৰু কলিকতা আদি মহানগৰীত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰিয় কথাছবি উৎসৱত International film fastival) আমেৰিকাৰ প্ৰসিদ্ধ প্ৰযোজক পৰিচালক মিঃ ফ্ৰেঙ্কচাপ্ৰা চাহাবে এই বুলি কৈছিল—"Today the world very much needed spiritual guidence and only India would provide it." তেখেতেই নহয়, উৎসৱত যোগদান কৰা চোভিয়েট ৰাচিয়া, চীন, জাপান, চেকশ্লভিয়া, মিছৰ, ইটালী, আমেৰিকা, ফ্ৰাঞ্চ, যুক্তৰাষ্ট্ৰ আদিৰ প্ৰতিনিধিসকলেও ভাৰতীয় কথাছবিৰ ভিস্তৰ প্ৰশংসা কৰি গৈছে। এনেস্থলত আমাৰ প্ৰযোজক আৰু পৰিচালকসকলে যদি তেওঁলোকৰ নিজৰ স্বাৰ্থ আৰু Box office লৈ লক্ষ্য নকৰি দেশৰ, সমাজৰ অৰ্থাৎ জনসাধাৰণৰ উন্নতিৰ কাৰণে চিত্ৰ নিৰ্ম্মাণ কৰে, তেন্তে সঁচাকৈয়ে ফ্ৰেঙ্কচাপ্ৰা চাহাবৰ উপৰুক্ত মন্তব্য আখৰে আখৰে ফলিয়াব আৰু তেতিয়াহে বিশ্বসভ্যতাৰ ক্ৰমবৰ্দ্ধমান গতি-পথত, ভাৰতীয় কথাছবি-শিল্পৰ ৰবিয়ে চিত্ৰ-কলাযোদী পথিক সকলৰ চকুত নতুন পোহৰ ঢালি দশোদিশ উদ্ভাসিত কৰি তুলিব।

ভাৰতীয় মনীষীৰ দৃষ্টিত

ফ্ৰয়েডৰ মনস্তত্ত্ব।

মূল-লেখক— অনুবাদিকা—

মহাপণ্ডিত ৰাহুল সাংকৃত্যায়ন। বন্দনা বৰুৱা।

[একাধাৰে পৰ্যটক, পুৰাতত্ত্ববিদ, ইতিহাসজ্ঞ, বৈজ্ঞানিক, বিচাৰক, কলাকাৰ আৰু নেতা মহাপণ্ডিত ৰাহুল সাংকৃত্যা-য়নৰ নাম নুশুনা লোক সভ্য সমাজত বিৰল। 'মানৱ সমাজ', 'ভল্গাসে গঙ্গা' 'বিস্মৃতিকে গৰ্ভমে,' 'বিশ্বকী ৰূপৰেখা', 'বৈজ্ঞানিক ভৌতিকবাদ', 'দৰ্শন-দিগ্‌দৰ্শন' প্ৰভৃতি এখেতৰ বহু গৱেষণা-প্ৰসূত আৰু সাধনা-লব্ধ তথ্যবহুল গ্ৰন্থবোৰে বিশ্ব-সাহিত্য-জগতত যুগান্তৰ সৃষ্টি কৰিছে। উপৰুক্ত প্ৰবন্ধটি 'বিশ্বকী ৰূপৰেখা'ৰ 'মন আৰু শৰীৰ' অধ্যায়ৰ 'ফ্ৰয়েডৰ মনোবিজ্ঞান' শীৰ্ষক প্ৰবন্ধৰ ভাঙনি।]

আমাৰ মনৰ ইচ্ছাবোৰৰ ভিতৰত পৰস্পৰ-বিৰোধী ইচ্ছাও আছে। এই বিৰোধী ইচ্ছাসমূহৰ মাজত সঙ্গতি স্থাপন কৰাটো বহুসময়ত কষ্টসাধ্য হৈ উঠে। মনৰ সচেতন স্তৰে পৰস্পৰ-বিৰোধী দুটা ইচ্ছাৰ এটা স্বীকাৰ কৰি লয় আৰু আনটোৰ অস্তিত্ব অস্বীকাৰ কৰে। এনেভাৱেই এটা ইচ্ছা সচেতন স্তৰৰপৰা খহি পৰে; কিন্তু সি সম্পূৰ্ণৰূপে

বিলুপ্ত হৈ নাযায়। অচেতন স্তৰৰপৰা তাক বহিষ্কৃত কৰি, সমস্ত মনোজগতৰপৰা তাৰ অস্তিত্ব বিলোপ কৰি দিয়াটো সাধ্যাতীত। ফ্ৰয়েডৰ মতে, এনে ইচ্ছাক সচেতন স্তৰৰপৰা অচেতন স্তৰলৈ প্ৰেৰণ কৰা হয় মাথোন।

ফ্ৰযেডে কৈছে যে শিশুৱে পাৰম্ভতে নিজৰ সকলো-প্ৰকাৰ আৱশ্যকতা পূৰণৰ অৰ্থে মাতৃৰ ওপৰত নিৰ্ভৰ কৰে। শৈশৱাবস্থাৰেপৰাই শিশুৰ সকলো প্ৰবৃত্তি, মাতৃৰ ক্ৰিয়া-কলাপ,— শব্দ, মুখাকৃতি, সঙ্কেত, পদধ্বনি আদিৰ অনুযায়ী গঠিত হয়। মাতৃ-কণ্ঠৰ মাত শুনিলেই কাষলৈ যাবলৈ ইচ্ছা কৰি শিশুৱে ফেকুৰিবলৈ ধৰে। সন্মুখত দেখিলেই কোলাত সোমাবলৈ উত্ৰাৱল হৈ উঠে। স্তন দেখিলেই মুখত গাখীৰ শোষণৰ কাম আৰম্ভ হৈ যায়। কান্দিলে মাতৃয়ে শিশুক পিয়াহ দিযে, সেইকাৰণেই শিশুৱে মাতৃৰ সন্মুখত কান্দিবলৈ ধৰে। মাতৃ, শিশুৰ সকলোপ্ৰকাৰ ইচ্ছা পূৰণৰ অৱলম্বন। সেই কাৰণে মাতৃৰ প্ৰতি শিশুৰ ভাবধাৰাও বিভিন্ন ৰকমৰ। বয়সৰ লগে লগে শিশুৰ অভিৰুচি আৰু অনুৰাগ গৃহৰ অন্যান্য লোকসকলৰ প্ৰতি ধাবিত হয়। প্ৰথম অৱস্থাত শিশুৰ মনোজগতত প্ৰতিফলিত হোৱা প্ৰতিবিম্ব পৰস্পৰ অসংবদ্ধ অৱস্থাত থাকে। কিন্তু, যেতিয়া মানস প্ৰতিবিম্ব অধিক স্পষ্ট হৈ উঠে, তেতিয়া শিশুৱে বুজিব পাৰে যে, তাৰ সকলো অনুৰাগ-আকাংক্ষা, তাৰ ইচ্ছানুযায়ী ফলৱতী হ'ব নোৱাৰে। সি ইচ্ছা কৰে,— মাতৃৰ সঙ্গ সকলোপ্ৰকাৰে তাৰ কাষে

থাকে। কিন্তু [illegible] যে পিতৃয়েও সেই কামের কিছু [illegible] অনিবার্য [illegible]। সেই কারণেই পিতৃ গৃহের-পরা [illegible] [illegible] করে। [illegible] শিশুর সবা[illegible] প্রকা[illegible] [illegible] কামুকতা প্রতিপন্ন করিবলৈ [illegible] [illegible] অভিযান ঘটিছে। [illegible] [illegible] এবং গীতা আছে। মানুষ [illegible] [illegible] নোয়ারে। প্রণো[illegible] [illegible], [illegible] আদির অম্বেষণতে [illegible] [illegible] [illegible] যায়।

[illegible] [illegible] অধ্যয়ন আরু চি[illegible] [illegible] (১) স্বপ্ন পরীক্ষণ-পদ্ধতি [illegible] দার্শনিক বল্পনা, ৩। [illegible] সম্বন্ধে লব্ধ দার্শনিক শী[illegible] [১] [illegible] দ্বিতীয় আৰ তৃতীয় কপৰ সংস্পর্শবি[illegible] [illegible] ইচ্ছা আৰ স্বভাবৰ সিদ্ধান্ত।

[illegible] অধ্যয়ন আরু চিকিৎসাই বিজ্ঞান [illegible] আৰ এই ক্ষেত্রত ফ্রয়েডৰ চেষ্টা প্রশংসনীয়। [illegible], এই [illegible] ফ্রান্সত জানেটে আরু ই[illegible] [illegible] প্রতিপন্ন করি থৈ গৈছে, জগতত [illegible] ফ্রয়েডর দার্শনিক কল্পনার সম্পূর্ণ বিরুদ্ধ মতবাদ পোষণ করি[illegible]। [illegible] আজি ইয়াৰ উচ্ছেদনত

প্ৰতিষ্ঠিত হৈছে, সেইটো তেওঁৰ বৈজ্ঞানিক পদ্ধতিৰ কাৰণে নহয়, দাৰ্শনিক কল্পনাৰ কাৰণেহে ; ইয়াৰ কাৰণে বৈজ্ঞানিক পদ্ধতি দায়ী হব নোৱাৰে ।

বিগত মহাযুদ্ধৰ সময়ত ইউৰোপত ব'মা-বিস্ফোৰণ, আত্মীয়-স্বজনৰ মৃত্যু আদিৰ ফলত মস্তিষ্ক আৰু স্নায়ুতন্ত্ৰৰ এক বিকৃত মহামাৰীৰ উদ্ভৱ হৈছিল । ইয়াৰ চিকিৎসা আৰু অধ্যয়নৰ কাৰণে বিজ্ঞানে বিস্তৃত পৰিসৰ জুৰি পৰীক্ষণ-পদ্ধতি চলাই, তাত যেনেভাবে সফলতা লাভ কৰিছিল, সি মানুহক বিস্ময়ান্বিত কৰি তুলিছিল । বিজ্ঞানৰ সফলতাৰ সংযমহীন ব্যৱহাৰ কৰি, নিজৰ মূৰ্খতা প্ৰতিপন্ন কৰাটো হৈছে,— ধাৰ্ম্মিক, অৰ্থনৈতিক সত্তাধাৰী, তেওঁবিলাকৰ পৃষ্টপোষক লেখক আৰু বাতৰি কাকতবোৰৰ কাম । ভিয়েনাৰ প্ৰসিদ্ধ মস্তিষ্ক-চিকিৎসক ফ্ৰয়েডৰ চিকিৎসা-পদ্ধতিৰ ব্যাখ্যা আৰু বিচিত্ৰ কল্পনাই যেতিয়া এনেধৰণৰ লোকসকলৰ দৃষ্টি আকৰ্ষণ কৰিলে, তেতিয়া তেওঁবিলাকে বুজিব পাৰিলে যে যুদ্ধ পশ্চাৎকালীন পৰিবৰ্ত্তনশীল গতিটোক ৰুদ্ধ কৰিবৰ কাৰণে পৰোক্ষভাবে ই অমোঘ অস্ত্ৰ । তেওঁবিলাকে এই 'অদ্ভুত বিজ্ঞান'ৰ মহিমা – তাৰ বৈজ্ঞানিক তত্বভাগ পৰিত্যাগ কৰি, কঠিন কল্পনাভাগৰ মহিমা পৃথিৱীৰ চুকে-কোণে প্ৰচাৰ কৰিবলৈ ধৰিলে । বাতৰি কাকতত প্ৰবন্ধৰ পিছত প্ৰবন্ধ প্ৰকাশিত হল । কিতাপৰ পিছত কিতাপ প্ৰণোদিত হৈ বুকষ্টলবোৰৰ শোভাবৰ্দ্ধন কৰিলে ।

এই কথা মনত ৰখা উচিত যে, ফ্ৰয়েডৰ ব্যাখ্যাৰ লগত

সেইবিষয়ৰ অন্যান্য বৈজ্ঞানিকসকল একমত হব পৰা নাই। ফ্ৰয়েডৰ প্ৰাক্তন শিষ্য আৰু সহকৰ্ম্মী য়ুঙ আৰু এডলাৰেও বিৰুদ্ধ চিন্তাধাৰাই পোষণ কৰিছে, নোবেলপুৰস্কাৰ বিজেতা পাবলভ আৰু তেওঁৰ মতবাদত বিশ্বাসী প্ৰবৃত্তিবাদী-সকলে ফ্ৰয়েডৰ ব্যাখ্যাক বিজ্ঞান-বহিভূত কল্পনা বুলি কৈছে।

ফ্ৰয়েডৰ অচেতন স্তৰ কোনো নতুন কল্পনা নহয়। হেনৰী মৌডস্লেৰ দৰে প্ৰাচীন বৈজ্ঞানিকসকলে প্ৰতিপন্ন কৰি থৈ গৈছে,— ইন্দ্ৰিয়ৰ দ্বাৰা প্ৰতিদিনৰ প্ৰতিঘণ্টাত বাহ্য-জগতৰ যিমানবোৰ সংস্কাৰ মনোজগতে গ্ৰহণ কৰে, তাৰ অধিকাংশই সজীৱ চেতনাৰপৰা লুপ্ত হৈ যায়, আৰু মনো-জগতত মনে মনে সুপ্ত হৈ পৰে। এনেভাবে সজীৱ চেতনাৰ পৰা লুপ্ত হৈ গলেও সি নষ্ট নহয়, বায়ুমণ্ডলত বাষ্পাকাৰে বিলীন হৈ যোৱা পেট্ৰোলৰ দৰে এটা ফুলিঙ্গতেই প্ৰজ্জলিত হৈ উঠিব পাৰে। ফ্ৰয়েডে এই 'বিলুপ্ত' সংস্কাৰসমূহ অচেতন স্তৰত সঞ্চিত হৈ থাকে বুলি কৈছে। তেওঁ ঘোষণা কৰিছে যে সমাজৰ দ্বাৰা বহিষ্কৃত আৰু অতৃপ্ত বাসনাবোৰ এই অচেতন স্তৰতে সংগৃহীত হৈ থাকে। যদিও সচেতন স্তৰে এই বাসনাবোৰক আপোন ৰাজ্যৰপৰা নিৰ্ব্বাসিত কৰি দিয়ে, তথাপি সিহঁতে, ঈশ্বৰৰ ৰাজ্যৰপৰা বহিষ্কৃত প্ৰেতাত্মাৰ দৰেই, সামান্য সুবিধা বা সুযোগ পালেই স্বপ্নত বা আন সময়ত মানুহক নানাপ্ৰকাৰ পাপ কাৰ্য্যত লিপ্ত হবলৈ উদ্বুদ্ধ কৰি তোলে। এই অচেতন স্তৰ আৰু পুঞ্জীভূত বাসনাৰ বিচাৰধাৰাৰ ব্যাখ্যাৰে

ফ্ৰয়েডে [illegible] । [illegible] তাক প্ৰেতাত্মাৰ সিদ্ধা কেই নতুন [illegible] বিচাৰিলৈ চেষ্টা কৰিছে।

[illegible] কোনো মৌলিক বস্তু নহয়। ই [illegible] যাব নোৱাৰে। ই [illegible] নিৰ্দিষ্ট দাৰ্শনিক কাণ্টৰ দ্বৈতবাদৰ অভিন্নতা [illegible] অজ্ঞেয় সত্তাৰ [Thing-in-itself] [illegible] বিশ্বাস আৰোপিত কৰিছে। ফ্ৰয়েডে [illegible] Thing-in-itself প্ৰতিমূৰ্ত্তি এটি অচেতন সত্তা। [illegible] অন্যান্য ভৌতিকবাদ-বিৰোধী [illegible] বিজ্ঞানবাদ সমৰ্থন কৰিছে। [illegible] কৰিছে বুলি কোৱা হয়, [illegible] চোপেনহাৱাৰে অতিৰ [illegible] নিৰাশাবাদী দৰ্শন প্ৰতি [illegible] যোগ কৰি ফ্ৰয়েডে তাক [illegible] কৰি পেলালে।

ফ্ৰয়েডৰ [illegible] মানসজীৱনৰ আধাৰ কামুকতা— ইচ্ছা, দ্বেষ, চেষ্টা সুখ-দুখ সকলো কামুকতাৰেই বিভিন্ন ৰূপ। ফ্ৰয়েডে এই মৌলিক কামুকতাক অবিভক্ত, অস্পষ্ট [illegible] বা কেৱল তৃষ্ণা নামেৰে অভিহিত কৰিছে। এই তৃষ্ণা, কামুকতাৰ ভিন্ন ভিন্ন ৰূপত মানুহৰ অচেতন স্তৰত সংগৃহীত হৈ থাকে। এনেভাৱেই ফ্ৰয়েডে অচেতন স্তৰক কামুকতাৰ অক্ষয় ভঁৰালৰূপে দাঙি ধৰিছে। তেওঁ কৈছে

া, প্রয়োগ-নিরপেক্ষতার অভ্যাসে ই বিজ্ঞান-ভাণ্ডার বহির্ভূত হ গেছে তাকে এই বা প্রমাণ বলিবার কারণ ততই াটির বুদ্ধি তকর সহায় ল'ইল নিচ্ছিলে। সমস্ত মানব ীবনক একমাত্র ... ভিত্তি বলি দাভি বা ব্যাখ্যা কোনো দার্শনিক ব্যাখ্যা ... াখ্যাও হয় কোনো।

সমলোচনাকারীরা ... পরে ... হারানো ... ভাদের ভি... ... দীমব ... বেণ এর যে, প্রত্যেক ... নি- লৈ বিচারে, কিন্তু, ... একমাত্র াধিকারী। ... সৃষ্টি করে। এভাবে ... মানব- পতা ঈশ্বর কল্পনাও ... হয়।

ইহাত আমি দর্শনের তর্ক ... নাই। য়েছে নিজ মনোবিজ্ঞানের দার্শনিক ... চিত্র রবি, অর্থব যে অনিষ্ট সাধন ... করিয়েই য়াত ভূআসার ... প্রবৃত্তি মুহ— ভয়, আহার, কাম ... স্থান ক্তীয়।

—জেঠৰ বাৰখন—

দণ্ডি শইকীয়া ।

চুটি গল্প]

জেঠ মাহৰ টিকা-ফটা ৰ'দ । বেলি ভাটি দিয়াৰ লৈকে একাঠু পানীত হালবাই আহি ভুপৰীয়া মিনাৰাম বহিল ভাতৰ পাতত । ঘৰগিৰীয়ে কচুশাক এবাটিৰে সৈতে থেকেচ্ কৰি ভাতৰ কাঁহীখন মিনাৰামৰ আগত থলেহি । ভাতকাঁহী থবলৈ পালেহে মাত্ৰ, পিল্ পিল্ পাল-পালকৈ গেঠু, গেৰেলা, লেবেলা, ভেদেঙ্গী আদি কৰি মিনাৰামৰ ল'ৰা-ছোৱালীজাক আহি ভাতৰ কাঁহীৰ ওচৰত থুপ খালে ; যেন ভেগামাথি জাকহে কিবা গেলা বস্তুত পৰিলহি । গেৰেলাৰ নাকৰপৰা ওলাই মুখত পৰা শেঙুনসোপা কেইবাবাৰো উলিওৱা-সুমুৱা কৰি থকা দেখি মিনাৰামে তাৰ ফটা চুৰীযাখনৰ আগটোৰেই মচি দলে । তাৰ নাকৰপৰা অবিৰাম শেঙুন ওলাই থকাৰ কাৰণে দুটা খাদৰেই সৃষ্টি হৈছে । যেন দুটি সৰু জুৰিহে, মুখ ব্ৰহ্মপুত্ৰক বিচাৰি ধাবমান হৈছে । ·····বাটিটোৰ কচুৰ আঞ্জাখিনিৰ আধামান বাকীলৈ মিনাৰামে গোটেই ভাতখিনি সানি পেলালে । পাঁচখন হাত এবেলগে ভাতৰ কাঁহীত পৰিল ।

—"কিয় কিবা ভজা-পোৰা কৰা নাছিলা জানো ?" মিনাৰামে ঘৈণীয়েকক সুধিলে ।

—"কিটোনো আছিল ভজাপোৰা কৰিবলৈ ; সদায় টেকীয়া আৰু বগাল ওৰ আগবোৰ আৰু কিমান খাবা ? আমাৰ কপালত বস্তা দ্যাওৰ্ গছু পা ভুটি নালাগে । কলোঁহে কলোঁ, বোলো বতৰৰ বস্তু

ভেলী, টিকা, ভাতকেবেলা কিবা দুজোপা কৰক; তেতিয়া খাপখাবেই নিদিলে। আৰ্জিলেহে ফল ভুগিবলৈ পায়; এতিয়া ভাতৰ পাতত বিচাৰিলে হয় ক'ৰপৰা ? যি সময়ত আন মানুহে ভবিতৰকাৰীৰ গুটি সিচিছিল, তেতিয়া আপুনি ফুৰিছিল দেশৰ মেল-মিটিং কৰি। এতিয়া আকৌ।"

—"হৈছে হৈছে আৰু তোমাৰ বকলা ইমানতে থোৱা; আছে যদি জলকীয়া এটাকে দিয়া।" বাধা দি মিনাৰামে কলে। ইতিমধ্যে ভাতৰ থালখন খালি হোৱা দেখি বহাগীয়ে ভাত আনিবৰ কাৰণে ৰান্ধনী ঘৰলৈ সোমাই গল। জলকীয়া আৰু ভাত লৈ বহাগী ওলাই আহিল।

—"তুমি যে সদায় মোক বাজহ, মেল আদিৰ পৰা বিৰত ৰাখিবলৈ চেষ্টা কৰা, কিন্তু তুমি জানো নাজানা যে সেইটো কৰাতো মোৰ কৰ্ত্তব্যহে। ৰাইজৰ সেৱাই গাঁওবৰা হিচাপে বাচি লৈছে যেতিয়া মই এইবোৰ নকৰি পাৰো কেনেকৈ ?"

—'এৰা, ৰাইজৰ কাম কৰি থাকিলেই খাবলৈ হব নহয় ? আজি দুদিন ধৰি —নাই খৰি এডাল, নাই মাহ এমুঠি। মই আৰু এইদৰে চলিব নোৱাৰো।"

——"অ' এৰা আজি ভালেমান দিনো বজাৰ কৰা নাই, আজি বাৰু বজাৰলৈকে যাব লাগিব। কিবাকিবি অলপ বিনিমুটি আনিব লাগিব। অন্ততঃ এভাগ মোৰামাছ আনিবই লাগিব। মাছ নেদেখা আজি প্ৰায় তিনিমাহেই হলহি।"

বজাৰৰ নাম শুনিয়েই গেহুৱে কলে, "পিতাই, মোলৈ চোলা এটা আনিবি।" গেবেলাই কলে,—'মোলৈ চিলঠ এখন আনিব লাগিব।" লেকলা আৰু ভেদেলায়ে ওঃকাৰ পাৰিয়েই কলে,

'এইবাৰ [illegible] পু [illegible] [illegible] নিবহ [illegible]।"

বাক [illegible] [illegible] [illegible] কেইখন বন্ধ কৰি [illegible]লে।

—"কিহেৰে [illegible] [illegible] [illegible] পইচ [illegible] আছে ?" [illegible]হাগাযে [illegible]।

—"[illegible] [illegible] তোমাৰ [illegible] [illegible] —তেৱেই [illegible]হব [illegible] [illegible]থন ?"

—"সেই দুটকা দেখো [illegible] [illegible] কিছিল, [illegible] [illegible]

—"[illegible] [illegible] [illegible] কথা। [illegible]কৌ [illegible] [illegible]; [illegible]হলেনো এনে [illegible] [illegible]

দিন-বাৰ [illegible] [illegible] [illegible]বাৰ [illegible] [illegible] [illegible] [illegible]ক। [illegible]বনত দুখ [illegible] [illegible] [illegible]নাৱাবে। [illegible] আ[illegible] এইবাৰ [illegible] [illegible],—[illegible] বিলে, [illegible]তিকেই উক [illegible] [illegible] [illegible] [illegible] [illegible] মাটি। [illegible] [illegible] [illegible] সা [illegible]যা [illegible]বিয়াল এটা [illegible] [illegible] [illegible] [illegible]লায়; [illegible] [illegible] [illegible] [illegible], কত পতিত [illegible]টি [illegible] [illegible], [illegible] [illegible], কতবোৰ [illegible] সি [illegible] [illegible] [illegible] তথাপি [illegible] মাটি বেচি [illegible] সেই [illegible]

মা[illegible] [illegible] [illegible] খোলা [illegible]বাৰত, মাটি যাৰ [illegible]

আছে, সিয়েই মাটি পাল। ১ই ন ি ব ৰ এম,এল এ, হ'ল ৰৰা উকিল। তেওঁ ক'না মাৰম ৰ ৰ মাটি পাৰা সকলৰ প্ৰথম নম্বৰত বহিছে য'ৰ চহ ত প ৰ ক'মপুৰতো ৰোমে দেখাৰ মাটি আছে, । ।হ ন কৃষক ' যি জীৱনত নাঙ ৰ মুঠি ধৰি ৰ ই, সেই হ'ল এক নম্বৰৰ খে য়ক ' এ যই চৰকাৰৰ পদ বিষয় ! নিৰম-নিপানী শাসন কা ৰ ... !

দুই-তিনি নম্বৰ মাটি ৰ ৰৰ নাম মনত পৰিলে আজিও মনাবামৰ ৰ । ৰ থ অনাটনৰ সময়ত খাদ্যমী ি ৰ গ ৰ , ৰ্বিশৰ উপায় দি বক্তৃতা দিলে হ,– 'ৰাইজ, ম । ৰ ৰ চ ি মা খাদ্য উৎপন্ন নহয় ৰবৰ প ৰ ৰ ন ৰ্বিৰৈল আমাৰ ধন নাই। আ ৰ ৰ ৰ ৰা গ স্বীকাৰ কৰিলেই এইবেৰ ৰ ৰ ৰ ধ কৰ পাৰে, যেনে, ৰাইজে ঃ ম চ ৰ ৰ ক সেয়ে হলে বহুত খাদ্য বাচি ৈ ৰ ক ৰ ম চৰে এই সমস্যাৰ-পৰা সাৰিব পাৰিম।

উসকটা, ৰাইজ ৰ ৰ ম ৰ এতিয়া; তেওঁ আহিছে ৰাইজক ত্যাগৰ ি । যেতিয়া এটা মানুহে খাবলৈ নাপাই মৰিব হ , ৰ অনশন কৰিবলৈ কোৱা মানে মৰিবলৈ ৰ ৰ ৰমৰ হঠাৎ থ উঠি গ'ল আৰু সভাৰ পিছফালৰপৰা ধৰ ি কৈ উঠিল— 'হজুৰ, এনে বাকৃতিতা আমাক ৰ ৰ ৰধ বহুত শুনিছো। আমি খাদ্য বিচাৰিহে এই ৰ ইত হৈছোঁহি; খাবলৈ

এৰি দি মৰিবলৈ ইচ্ছা আমাৰ নাই ; আমাৰ অৰ্থাৎ ৰাইজৰ ত্যাগ মানে একেবাৰে প্ৰাণত্যাগ, আৰু হুজুৰসকলৰ ত্যাগ মানে বক্তৃতা ত্যাগ! নহয় জানো ? আমাক খাবলৈ লাগে, বক্তৃতা নালাগে………"

এই কথা মাধোন সি কবলৈহে পালে, তিনিজন চৰকাৰি শান্তিৰক্ষকে তাক হাতত জিঞ্জিৰি লগাই সভাৰ মাজৰপৰাই উলিয়াই লৈ গ'ল— খাদ্যমন্ত্ৰীৰ তথা চৰকাৰৰ পৰমকৰুণাত তাৰ পিছত সি বিনাবিচাৰে আঠমাহ কাৰাগাৰত পৰি থাকিল। তাৰ বহাগীয়ে কিমান কষ্টৰে তাৰ লৰা-ছোৱালী কিটা জীয়াই ৰাখিলে! তাক হয়তো সি অনুমান কৰিব নোৱাৰে। স্বাধীন দেশ যেতিয়া ফটামুখৰ পৰাধীনতা থকা উচিত ; নহলেনো স্বৰাজ ৰক্ষা পৰে কেনেকৈ! সেই আঠমাহৰ কথা মনত পৰিলে বিনাৰামৰ আজিও গা জিকাৰথাই উঠে। পাহৰিবলৈ চেষ্টা কৰিও সেই কথা সি পাহৰিব নোৱাৰে।

………যোৱা মাঘ মাহত যে ভোট নে ভূতটো হৈ গ'ল, সি তাত সেই বৰুৱা এম, এল, এ'ক কিমান যে সহায় নকৰিলে! তাক গাৱঁৰ মুখীয়াল মানুহ বুলিলেই বৰুৱা ডাঙৰীয়াই নিৰ্ব্বাচনৰ আগত কিমান তোষামোদ কৰিছিল! কোনোদিন গাওঁ নেদেখা, কোনোদিন ভৱিষে শুকুৱা বৰুৱাই সিদিনা বিনাৰামৰ চোতালত থিয় দি ক'লেহি,— "গাওঁনবুৰাৰ জানো মাটি বাৰি যথেষ্ট নাই ? ………মোক লগ পোৱা নাই কিয় ? ………বাৰু মোৰ হাততেই দৰখাস্ত এখন দিয়াচোন। …সকলো সুবিধা হৈ যাব গাওঁনবুৰা! বাৰু তুমি মোক অলপ সহায় কৰি দিব লাগিব। থাই তোমাৰ সকলো অভাৱ পূৰণ কৰি দিবলৈ গাত লৈছোঁ,

কি কোৱা পাইনৱৰা ?"

—"সকলো চাবৰ ইচ্ছা; আপোনাৰ নিচিনা এজন মানুহক সহায় কৰিবলৈ পালে আমি ভালেই পাওঁ নহয়। আমাৰ দৰে হজুৰা-চহা কিজনক আপোনালোকেই নাচালেনো কোনে চাব ? বাক মই আমাৰ গাৱঁৰ ভোটখিনি আপোনাকে দিয়াই দিম; আপুনি মোৰ কাৰণে আৰু গাৱঁৰ পঢাশালীটোৰ কাৰণে কেই-পাতমান টিনপাতৰ ব্যৱস্থা কৰি দিব। নেদেখিছে আমাৰ ঘৰৰ অৱস্থা ?"

—"কোনো কথা নাই; মইনো তোমাৰ কাৰণে এইকণ কামো কৰি দিব নোৱাৰিমনে ? আমিতো তোমালোকৰ কাৰণেই ত্যাগ কৰি কৰিয়েই লাওলোটা হলোঁহি। সময়মতে মাথোন মোক লগ ধৰিবা।"

* * * *

ক'লৈ গ'ল সেই প্ৰতিশ্ৰুতি ? মিনাৰামৰ দৰে শ শ হজুৰা-চহাৰ ভোটৰ বিনিময়তেই বৰুৱাচাহাব এম, এল, এ, হ'ল। কিন্তু সিদিনা যেতিয়া মিনাৰামে বৰুৱাচাহাবক লগ ধৰিলে, মাটি, টিনপাত আদি দিয়াটো দূৰৰ কথা, মিনাৰামক বৰুৱাই চিনিকেই নোপোৱা হ'ল। উপযাচি পৰিচয় দিয়াত বৰুৱাই মিনাৰামক মাত্ৰ ক'লে—"সেইবিলাকৰ বিষয়ে চিন্তা কৰিবলৈ মোৰ বৰ্ত্তমান মুঠেই সময় নাই। মোৰ বহুত কাম; বহুত ডাঙৰ ডাঙৰ কাম পৰি আছে।"

মিনাৰামে আৰু এবাৰ কথাও কবলৈ চেনু নাপালে। নিৰাশ হৈ সেইদিনা মিনাৰাম ঘৰলৈ আহোঁতে বৰুৱাচাহাবক দেখিলে হৰিলাল মাৰোৱাৰীৰ ঘৰৰ সন্মুখত জীপগাড়ী ৰখাই

কোনোবা [illegible] কথা [illegible] তা [illegible] ডাঙৰ কামৰ [illegible] । [illegible] কৰিলে, তাক [illegible] ।

[illegible] ভাবেই [illegible] থাকে । [illegible] নগণ্য মানুহ [illegible] ভাৱ সাংসাৰিক [illegible] কৰি [illegible] নাপায় । [illegible] জেঠৰ [illegible] তাক [illegible] তাৰ [illegible] সন্তানৰ বাপেক [illegible] । সেই [illegible] কৰলৈ [illegible] অকণমান সুখ [illegible] বছৰীয়া [illegible] অনাৰ [illegible] পিতাকৰ [illegible] নোবাৰিলে । [illegible] আনন্দ [illegible] ।

...... [illegible] জন [illegible] কামৰ [illegible] ৰাতি

অকণ তুনি দিবলৈ যাওঁ এই তাৰ সংসাৰখন বহল হৈ পৰে। সভ্যতাই বা বিজ্ঞানে সিহঁতক সমাজৰ আবৰ্জনা বুলি ধৰিব পাৰে, কিন্তু যি সভ্যতাই বা যি সমাজ-শৃংখলাই সিহঁতক এনৰ মেকুৰীৰ জীৱন যাপন কৰিবলৈ বাধ্য কৰাইছে সেই সভ্যতাও জগতৰ আবৰ্জনাৰ বাহিৰৰ এৰো নহয়। সেই কাৰণেই হয়তো সি ভুত-ভবিষ্যতৰ কথা ভাবিব নোৱাৰে। উস! এৰ গণটো কিমান ভাগৰুৱা! বাহি খোৱাৰ পিছত এবাটি ভাতৰ মাৰ এসুমুৰাই লয়, তেতিয়া হয়তো তাৰ সকলো দুখ পাহৰি যায়। তাৰ দাৰ দুখ বাৰবাৰো আকৌ কি সুখ হ'ব?

কেতিয়াবা সি নিজৰ কথা পাহৰে কেতিয়াবা নাপাহৰে কিন্তু তাৰ গাঁওখনৰ কথা বা নিচুকনি দহজনৰ কথা, সি পাহৰে। পাহিৰ সি এক বাৰেক নাপাহৰে, তথাপিও সি ভাবে

*   *   *

—"এই — মেল-মিটিং বৰি কাম কৰা দল সৃষ্টি কৰিছে, তাৰেৰো কি দেশ উদ্ধাৰ কৰিব?" সেইদিন তুপৰাবা বঙাগাঁৱে তাক সোধে

—'তুমি নাজানা? সেইবাৰ আমি কি কৰিম জানা? আমি সকলো মাটিহীন কৃষক দলবদ্ধ হৈ পতিত মাটি দখল কৰিম।' আমি চৰকাৰলৈ ভয় নকৰোঁ। নকল যাৰ মাটি তাৰ' এই মন্ত্ৰেৰে আগবাঢ়ি যাম।" মিনৰাম বহাগীৰ কথাৰ উত্তৰ দিলে।

—'আমাক গান্ধী মহাৰাজে পথ দেখুৱাই গৈছে নহয়। গান্ধীমহাৰাজে যদি নিজৰ ইংৰাজ সিংহক খেদি পঠাব পাৰে, আমিবো একমুঠ হৈ আমাৰ দেশৰ স্বাৰ্থপৰ শোষকবোৰক এদি-

কৰি দিব নোৱাৰিমনে ?"

—"বাৰু আকৌ জেলখানাৰ দাইলভাত নাখালেই হৈছে ……"

মতাগীয়ে কয়।

হঠাৎ তাৰ চোতালত একঅৰামান শান্তিৰক্ষক মতামুৰীয়াক দেখি মিনাৰামৰ জিভা তালুত লাগিল। পুলিচে শান্তিৰে মিনাৰামক হাতত শিকলি দি'ল, সিহঁতৰ "নাঙল যাৰ, মাটি তাৰ" কথাটো হেনো চৰকাৰৰ কাণত পৰিছিলগৈ। সেইদিনা জেঠ মাহৰ ত্ৰিশ তাৰিখ। এইবছৰৰ জেঠৰ বাৰখৰ সেইদিনাই হয়তো শেষ হব। জেঠমাহৰ চিৰাংফটা ব'দতেই মিনাৰামক পুলিচে লৈ গ'ল। জেঠৰ কত খৰ তাৰ পিঠিৰ ওপৰেদি বাগৰি গৈছে; সেইদিনাৰ কথাও সি নাভাবিলে।

—:•:—

• নগাওঁ কলেজত ১৯৫৩ চনত অনুষ্ঠিত সুকুমাৰ কলা—প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰপ্ৰাপ্ত।

সংকীৰ্ণ মনোভাব লৈ কোনো জাতিয়েই মহান হব নোৱাৰে।

—জৱাহৰলাল।

— নৱোদয় —

কবিতা]

শ্ৰীনলিন চন্দ্ৰ বৰা

['বেণু', 'সুৰৰ কবিতা' প্ৰভৃতিৰ ৰচক এজন দৰদী কবি। এওঁৰ চিত্তবিমোহনকাৰী, শ্ৰুতি-মধুৰ গীতবোৰে অসমৰ সঙ্গীত-কুঞ্জনিত মধুৰ সৌৰভ বিলাইছে।]

সৃষ্টিৰ আদিৰেপৰা
আপোন কক্ষত ঘূৰি
নভত নিতউ জ্বলে
সূৰ্য্য ভয়ঙ্কৰ;
তথাপি মানুহে আজি
বিচাৰিছে পৃথিৱীত
নতুন সূৰ্য্যৰ কিয়
নতুন পোহৰ ?
দয়াহীন সভ্যতাই
পুৰণি সূৰ্য্যৰ তেজ
স্বাৰ্থৰ ধূলিৰে ঢাকি
কৰি তেজহীন;
ধৰাত জ্বলিছে নিতে
তৃপ্তিহীন ক্ষুধানল
মানুহে মানুহ মাৰি
ধৰি ৰাতি—দিন।

মানুহৰ [illegible]
[illegible] [illegible] [illegible]
[illegible] [illegible] খেলি
[illegible] প্ৰকাশ,

[illegible]
[illegible]
[illegible] [illegible]
[illegible] আনন্দ।

[illegible]
[illegible]
[illegible] ভবি
[illegible] জুনাই

[illegible]
[illegible]
[illegible] কলঙ্কৰাশি
শান্তিৰে ধুবাই।

—·সমাপ্ত:—

ভীৰুৰ দৰে বাচি থকাতকৈ, বীৰৰ দৰে মৃত্যু বৰণ কৰাই শ্ৰেয়।

—গান্ধীজী।

সম্পাদকীয়

বৰ্ত্তমান সময়ত অসমীয়া ছাত্ৰৰ সাহিত্য চৰ্চ্চা।

সাহিত্য কি? সাহিত্য জীৱনৰ অভিব্যক্তি, অনুভূতিৰ প্ৰকাশ, ভাবৰ দাপোণ। সাহিত্য সমাজৰ মেৰুদণ্ড, সভ্যতাৰ প্ৰাণশক্তি, সংস্কৃতিহীন মুমূৰ্ষু জাতিৰ সঞ্জীৱনী-সুধা। সাহিত্য প্ৰাপ্তিৰ উল্লাস, তৃপ্তি, আনন্দ, পৰিপূৰ্ণতা।

মানৱ দেহৰ সাধাৰণ জীৱনীশক্তি (vitality) এই জীৱনীশক্তিৰ গতি অক্ষুণ্ণ ৰাখিবলৈ বিভিন্ন উপাদানৰ আৱশ্যক। তাৰ ভিতৰত খাদ্যপ্ৰাণো এটা। আন সকলোবোৰ উপাদানৰ সুফল লাভ কৰিলেও, খাদ্যপ্ৰাণৰ অভাৱ ঘটিলে জীৱনীশক্তি কেতিয়াও সম্পূৰ্ণৰূপে বিকাশ হ'ব নোৱাৰে। ক্ষয় হোৱাৰহে যথেষ্ট সম্ভাৱনা। সভ্যতা আৰু সংস্কৃতি বিশ্ব-জগতৰ জীৱনীশক্তি, তাৰ খাদ্যপ্ৰাণ সাহিত্য। খাদ্যপ্ৰাণৰ অভাৱগ্ৰস্ত, ৰোগ-পীড়িত, জীৱনীশক্তিহীন মুমূৰ্ষু দেহ এটাই স্বাস্থ্যলাভৰ সপোন ৰচনা কৰি জীৱনৰ মধুৰ আস্বাদ কেতিয়াও উপভোগ কৰিব নোৱাৰে। সাহিত্যবিহীন জাতি এটাও

সেইদৰে সভ্যতা-সংস্কৃতিৰ পথ উন্মুক্ত কৰি জগতত আত্মপ্ৰতিষ্ঠা লাভ কৰাটো অসম্ভৱ।

"ছাত্ৰানাং অধ্যয়নং তপঃ" সত্যদ্ৰষ্টা ঋষি-প্ৰণীত এই বাক্যষাৰ ছাত্ৰসকলে জীৱনৰ মূলমন্ত্ৰ কৰি লোৱা কৰ্ত্তব্য। কিন্তু, পাঠ্য পুথিৰ গধুৰ বোজা আৰু পৰীক্ষা-গৃহৰ প্ৰশ্নোত্তৰৰ কাকতৰ বৰ্ণনা মাথোঁ কেইটামানতেই অধ্যয়নৰ সীমা-ৰেখা আবদ্ধ, এনে ধাৰণা পোষণ কৰা নিতান্ত ভুল। বিশ্বব্ৰহ্মাণ্ড জ্ঞানৰ ভাণ্ডাৰ। ইয়াত শিকিবলগীয়া বা জানিবলগীয়া বহুত বিষয় আছে। সেইবোৰৰ বিষয়ে অনভিজ্ঞ হৈ থাকিলে বা সেইবোৰ জানিবলৈ চেষ্টা নকৰিলে অধ্যয়ন সম্পূৰ্ণ নহয়। সাহিত্যও এনে এটি বিষয়,—যিটো বিষয়ত অনভিজ্ঞ হৈ থাকিলে সমাজ বা জাতিৰ প্ৰকৃত উন্নতি অসম্ভৱ। মানবোচিত শ্ৰেষ্ঠ প্ৰবৃত্তি স্বাধীন চিন্তাৰ বিকাশ সাধন কৰিবলৈ হলে সাহিত্যৰ অধ্যয়ন একান্ত অপৰিহাৰ্য।

সংস্কৃতত এষাৰ কথা আছে,— মা বদ সত্যম্ অপ্ৰিয়ম'— সত্য হলেও অপ্ৰিয় কথা কোৱা অনুচিত। তথাপি নকৈ উপায় নাই যে আমাৰ ছাত্ৰসকল আজি সাহিত্য চৰ্চ্চাৰ প্ৰতি প্ৰায়ে উদাসীন। তেওঁবিলাকে আজি ৰাজনীতি বা আন বিষয় আদিৰ প্ৰতি যি আগ্ৰহ বা উৎকণ্ঠা প্ৰদৰ্শন কৰে, সাহিত্য চৰ্চ্চাৰ ক্ষেত্ৰত তাৰ উদাহৰণ নিতান্ত শোচনীয়। সভ্যতাৰ প্ৰাণশক্তি, সমাজৰ মেৰুদণ্ড সাহিত্যৰ প্ৰতি এই উদাসীনতা কেতিয়াও জাতিৰ শুভ লক্ষণৰ পৰিচায়ক হব

নোৱাৰে। ছাত্ৰসকলেই দেশৰ ধৰণীস্বৰূপ, তেওঁলোকেই জাতিৰ আশা-ভৰসাৰ স্থল। এনেস্থলত তেওঁলোকেই যদি সমাজৰ, জাতিৰ উন্নতিবিধায়ক সাহিত্যৰ প্ৰতি উদাসীনতা প্ৰকাশ কৰে, তেনেহলে তেওঁবিলাকৰ পৰা দেশে ভৱিষ্যতে কিমানখিনি আশা কৰিব পাৰে? অপ্ৰিয় হলেও স্বীকাৰ কৰিবই লাগিব,— অসমীয়া ছাত্ৰসকলৰ বহুতেই আজি ৺লক্ষ্মীনাথ, ৺হেমচন্দ্ৰ, ৺আনন্দৰাম [illegible] প্ৰমুখ্যে অসমীয়া সাহিত্যৰ [illegible] নাপায়ে। বিহগী কবি ৰঘুনাথ চৌধাৰী, কবি [illegible] দুৱৰা, মহিলা কবি নলিনী-বালা দেৱীৰ [illegible] চিনি নাপায়। অসমীয়া সাহিত্যৰ উপন্যাস বা গল্প বিভাগ [illegible] বাহিৰে আন বিভাগ নপঢ়ে। ই সঁচাকৈয়ে [illegible] নহয় জানো?

অসমীয়া ছাত্ৰৰ সাহিত্য চৰ্চ্চাৰ কথা ভাবি আমি দুখ কৰোঁ, আমাৰ [illegible] হলেও, কিন্তু, এই দুখৰ মাজতো সুখৰ বেঙলিয়ে ভুমুকি মাৰে — যেতিয়া আমি নীৰৱে চিন্তা কৰোঁ — অসমীয়া ছাত্ৰসকল অসমীয়া সাহিত্যৰ প্ৰতি ইমানেই উদাসীন নে? তেওঁবিলাকৰ অন্তৰত সাহিত্য চৰ্চ্চাৰ স্পৃহা একেবাৰে নাইনে, নিশ্চয় আছে। আজি কেইবছৰমানৰ আগতে, কলিকতা মহানগৰীৰ তাণ্ডৱ লীলাৰ বুকুত জাহ যোৱা ৺অমূল্য বৰুৱাৰ জীৱনটোৱেই জানো এই উক্তিৰ অকাট্য প্ৰমাণ নহয়? বৰুৱাদেৱে অলপ দিনৰ ভিতৰতেই সাহিত্য-ক্ষেত্ৰত অভাৱনীয় উন্নত সাধন কৰি যি আদৰ্শ এৰি থৈ

গ'ল, সি অসমীয়া ছাত্রসকলৰ অনুকৰণীয়।

সৌভাগ্যৰ বিষয় যে, আমাৰ ছাত্রসকলৰ বহুতৰে গল্প কবিতা, উপন্যাস আদি লিখাৰ অভ্যাস দেখা গৈছে। এই অভ্যাস প্রশংসনীয়, দুই বচিব নোৱাৰি। কিন্তু, গল্প বা উপন্যাসেৰে সাহিত্য চৰ্চাৰ বাট মুকলি কৰিবলৈ গলে, অতিশয় সতর্ক হোৱা প্রয়োজন। লিখকৰ নিয়মৰ সামান্য ব্যতিক্রম আৰু অসাৱধানতাই পাঠকৰ মনৰ বিচিবিকাৰ ঘটাব পাৰে। 'হাফেজৰ স্বৰ'ৰ কবি শ্রীযুত আনন্দ চন্দ্র বৰুৱাদেৱে "অসমীয়া লিখকসকললৈ ক'বৰি" শীর্ষক প্রবন্ধত [আবাহন ১৪শ বছৰ চতুর্থ সংখ্যা] এই বিষয়ে কৈছে,—"ডেকা-গাভৰুৰ প্রেমৰ বর্ণনা দিওঁতে যদি পাঠকৰ মনৰ চকুত ডেকা আৰু গাভৰুৰ নাঙঠ ৰূপ দুটা দেখুৱাব লগা হয়—তেন্তে আমি উলটি পশুৰ বাগৰলৈ যোৱাই ভাল"। আমাৰ বোধেৰে বৰুৱাদেৱৰ কথাৰ যথেষ্ট সার্থকতা আছে।

বহুক্ষেত্রত আমি দেখিবলৈ পাইছোঁ যে, ছাত্রসকলৰ অনেকেই সাহিত্য চর্চাৰ প্রথম সোপানত কৃতকার্য্যতা লাভ কৰিব নোৱাৰি বা প্রেৰণা নাপাই নিৰুৎসাহ হৈ পৰে। আৰ্থিক অনাটনত প্রকাশ কৰিব নোৱাৰি বা আলোচনীৰ পাতত প্রকাশ হোৱা নেদেখি ছাত্র-লেখক নিৰাশ হৈ পৰিব পাৰে। সেইবুলিয়েই ছাত্রসকল সাহিত্যৰ প্রতি উদাসীন হবনে? নিজৰ স্বাধীন চিন্তা, প্রকাশিবা শক্তি বিসর্জ্জন দিবনে? এনে কুবাটৰ কেতিয়াও যুক্তিযুক্ত হব নোৱাৰে। কিয়নো, প্রথমে

নিৰাশ হলেও সময়ত তেওঁলোকে কৃতকাৰ্য্যতা লাভ কৰিব পাৰিব, তেওঁলোকৰ লিখনীপ্ৰসূত তথ্য জাতিয়ে আগ্ৰহেৰে গ্ৰহণ কৰিব। বিখ্যাত ঔপন্যাসিক চাৰ্লছ ডিকেন্স আৰু জৰ্জ বাৰ্ণাৰ্ডশ্বৰ জীৱনতেই ইয়াৰ জ্বলন্ত প্ৰমাণ জিলিকি আছে :

ছাত্ৰ জীৱনতে যিটো শিকি লোৱা নাযায়, পিছত পূৰ্ণ বয়সত তাক শিকাটো বৰ কঠিন। পকা বাঁহক জানো বেকা কৰিব পাৰি? সেইকাৰণেই ছাত্ৰসকলে আজৰি সময়খিনি অকাৰণ খৰচ নকৰি, সেই সময়খিনিত মূল্যবান, সাৰুৱা কিতাপ-পত্ৰ পঢ়িবলৈ অভ্যাস কৰা উচিত। সেই সময়খিনি প্ৰবন্ধ, ৰচনা আদি লিখাতো ব্যয় কৰিব পাৰে, কিন্তু এই ক্ষেত্ৰত অধীৰতা প্ৰকাশ কৰা উচিত নহয়। সদায় মনত ৰাখিব লাগে যে, ছাত্ৰ জীৱন প্ৰকৃততে জ্ঞান আহৰণৰহে সময়, বিতৰণৰ সময় নহয়।

যিসকল ছাত্ৰই সাহিত্য-সাধনাত ব্ৰতী হব খোজে, যিসকল ছাত্ৰৰ অন্তৰত সাহিত্য চৰ্চ্চাৰ স্পৃহাৰ জুই উমি উমি জ্বলি আছে, সেইসকল ছাত্ৰই অসমীয়া সাহিত্যৰ লগতে ইংৰাজী, বঙালী, হিন্দী সাহিত্যৰ বিষয়েও জ্ঞান আহৰণ কৰিবলৈ যত্ন কৰা উচিত। ছাত্ৰ জীৱনৰ সাহিত্য চৰ্চ্চাৰ বিষয়ে আলোচনা কৰিবলৈ গৈ লব্ধপ্ৰতিষ্ঠ সাহিত্যিক শ্ৰীযুত ডিম্বেশ্বৰ নেওগদেৱে এটি প্ৰবন্ধত লিখিছে "..........কাৰ্য্যকৰী শিক্ষা [practical training.] স্বৰূপে ছাত্ৰসকলে নিজৰ আৰু অসমীয়া সাহিত্যৰ বিশেষ উপকাৰ সাধিব পৰা অনেক কাম

আছে, অসমীয়া গাৱঁলীয়া গীত, মাত, সাঁথৰ, ফকৰা, সাধু, উপাখ্যান আদি সংগৃহীত হবলৈ এতিয়াও বাকী ; ছাত্ৰসকলে আজৰি সময়ত চেষ্টা কৰি এইবোৰ গোটালে একোটা লেখৰ কাম কৰা হয়" । মনস্তত্ত্ববিদ পণ্ডিতসকলৰ চিন্তাধাৰা, তথ্যবোৰে ৰুচ সাহিত্যৰ লগতে আন আন সাহিত্যকো আজি সত্য-অন্বেষণৰ পথত অগ্ৰসৰ হবলৈ সুবিধা দিছে । অসমীয়া ছাত্ৰসকলে আজিৰ এই বৈজ্ঞানিক যুগত এনেধৰণৰ সাহিত্য অনুশীলন কৰা একান্ত কৰ্ত্তব্য । তেতিয়াহে তেওঁলোকে বিবিধ সম্ভাৰেৰে অসমীয়া সাহিত্যৰ ভাৰতজিলিকা কৰি তুলিব পাৰিব বুলি আশা কৰিব পৰা যায় । তেতিয়াহে সাহিত্য-ৰথী বেজবৰুৱাদেৱে অসমীয়া ডেকালৈ বুলি কৈ যোৱা কথাষাৰ সাৰ্থক হব,— "অসমীয়া ভাষাৰ উন্নতি, অসমীয়া সাহিত্যৰ উন্নতি অসমৰ উন্নতিৰ প্ৰথম চাপ ।"

—.০.

মৃত সাহিত্য-শিল্পীসকলৰ প্ৰতি—

শ্ৰদ্ধাঞ্জলি ।

১৯৫০ চনৰপৰা আজিলৈকে অসমৰ বুকুৰেদি বহুত ধুমুহা বাগৰি গৈছে । ইয়াৰ ভিতৰত লোকপ্ৰিয় বৰদলৈৰ মৃত্যু, '৫০ চনৰ ১৫ আগষ্টৰ ভূমিকম্প, তাৰ পিছৰ বানপানী, আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, বাউলী কবি কমলানন্দ ভট্টাচাৰ্য্য আৰু মনীষী বাণীকান্ত কাকতিৰ মহাপ্ৰয়াণ উল্লেখযোগ্য ঘটনা ।

পৰ্ব্বত-ভৈয়ামৰ মাজত সম্প্ৰীতি স্থাপন কৰিবলৈ উঠি-পৰি লগা ত্যাগী নেতা লোকপ্ৰিয় বৰদলৈদেৱক অকালতে হেৰুৱাই আমি মৰ্ম্মাহত হৈছোঁ । তেখেতৰ কৰ্ম্মবহুল জীৱনৰ কথা সকলোৰে বিদিত । অসমীয়া সংস্কৃতি-ফুলনিৰ এজন নিপুণ মালী, প্ৰথম অসমীয়া বোলছবি নিৰ্ম্মাতা, "শোণিতকুঁৱৰী" "কাৰেঙৰ লিগিৰী", "লভিতা" আদিৰ নাট্যকাৰ জ্যোতিপ্ৰসাদো আমাৰ মাজৰপৰা অতি কমসময়তে আঁতৰি গ'ল । তেখেতৰ "লুইতৰ পানী যাবি অ' বৈ"ৰ দৰেই হয়তো তেখেতৰ কৰ্ম্ম-প্ৰতিভাৰ লুইতখনো আমাৰ মাজত যুগ যুগ ধৰি বৈ থাকিব । এই একে সময়তে আন এজন সুৰশিল্পী, কলাকাৰ কমলানন্দ ভট্টাচাৰ্য্যদেৱেও আমাক শোকাকুল কৰি, অকালতে মৰ্ত্ত্যধামৰ পৰা বিদায় ললে । তেখেতৰ "বিলত তিৰেবিবায় প্ৰহ্মৰ পাহি ঐ,

পাতত ভিৰেবিৰায় পানী"ৰ সুৰতে সুৰ মিলাই আমাৰ কবলৈ মন যায়, "চকুত ভিৰেবিৰায় 'কমলা'ৰ জ্যোতি ঐ, হিয়াত ভিৰেবিৰায় বাণী"। এইসকলৰ লগতে অসমীয়া ভাষা-সাহিত্যৰ কৰ্ণধাৰ, অসম-মাতৃৰ সুযোগ্য সন্তান ডক্টৰ বাণীকান্ত কাকতিদেৱকো সিদিনা আকস্মিকভাৱে হেৰুৱাই আমি শোকাভিভূত হৈ পৰিছোঁ। তেখেতৰ মৃত্যুত অসমৰ যি ক্ষতি হ'ল, সি বৰ্ণনাতীত। সেই ক্ষতিপূৰণ কৰিবলৈ আকৌ কোনোবা এজন "বাণীকান্ত" হৈ উপজিব লাগিব। অন্যান্য গ্ৰন্থৰ কথা বাদ দিলেও, কেৱল অসমীয়া ভাষা, ইয়াৰ গঠন আৰু বিবৰ্ত্তনেই (Assamese, its structure and development) তেখেতক অসমতেই নহয় সমগ্ৰ ভাৰততে অমৰ কৰি ৰাখিব। এই আটাইকেইগৰাকী মৃতক অমৰ আত্মাৰ প্ৰতি আমি আমাৰ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিছোঁ।

—:০:—

"নৱোদয়"ৰ বিষয়ে —

সম্পূৰ্ণ সাহিত্য চৰ্চ্চাৰ ভেটিত, নগাৱঁৰ উদীয়মান সাহিত্য-সেৱী ছাত্ৰ-ছাত্ৰীসকলৰ সমবেত প্ৰচেষ্টাৰ ফল-প্ৰসূত "নৱোদয় সঙ্ঘ"ই আত্মপ্ৰকাশ কৰা আজি প্ৰায় ডেৰ বছৰেই হ'লহি। যোৱা মাঘ মাহতেই আমি "নৱোদয়"খনি প্ৰকাশ কৰাৰ জল্পনা-কল্পনা কৰিছিলোঁ। পিছে 'আলচা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি' কথাষাৰে ইয়াকো চুলে। বিশেষকৈ অৰ্থৰ

অভাবতেই আমি আলোচনীখনক সময়মতে বাইজৰ আগলৈ উলিয়াই দিব পৰা নাছিলো। বহুত যোগ বিয়োগ কৰি শেষত [illegible] বিতাপ [illegible] প্ৰকাশ কৰিবলৈ সিদ্ধান্ত লোবাৰ পিছতো প্ৰবন্ধ [illegible] অভাবত আমি আৰু এখোজ পিচ পৰি ৰলোঁ।

[illegible] লোবাৰ সবাই জুৰিসাই [illegible] মান [illegible]। বাইজৰ সহায় সহানুভূতি পালে [illegible] হয়। বৰ্ত্তমান [illegible] বহুবত [illegible] মনস্থ [illegible]। [illegible] ইয়াক তিনিমাহীয়া [illegible] চনীলৈ [illegible] থাকিল।

[illegible] শাৰীৰিক দানৰ বিনিময় [illegible] আত্মপ্ৰকাশ কৰিবলৈ শক্তি [illegible] কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে [illegible] প্ৰবন্ধ-পাতি দি সহায় কৰিলে, সেই সকলক [illegible]। দুটি এটি ভাল প্ৰবন্ধও ঠাইৰ অভাৱত প্ৰকাশ কৰিব [illegible] নহল, আগলৈ প্ৰকাশ কৰিবলৈ চেষ্টা কৰা হব।

— — ০ — —

৬৩ পৃষ্ঠাত প্ৰকাশিত [illegible] প্ৰবন্ধটি সম্পূৰ্ণ ৰচনাখনৰ এটা অংশহে; বাকী অংশ আগলৈ প্ৰকাশ কৰা হব। সঃ নঃ

নতুন অসমৰ নতুন সাহিত্য

স্মৃতিতীৰ্থ	জীৱনী	৪॥০
ব্যথাৰ সুৰ	চুটি গল্প	২।০
শেষ পতাক	নাটক	২॥০
কৃষ্ণকান্তৰ উইল	উপন্যাস	২॥০
মৰ্জিয়ানা	নাটক	১॥০
দেৱদাস	উপন্যাস	২॥০
মণিজ কোঁৱৰ	নাটক	১॥০
মাটি আৰু মানুহ	উপন্যাস	৩॥
নন্দ দুলাল	নাটক	২॥০
অসমীয়া নাটৰ সাধু	গল্প	১॥০
চম্পাৱতী	নাটক	২৲
গল্পগুচ্ছ	গল্প	২॥০
শোণিত কুঁৱৰী	নাটক	২॥০
ধুমুহাৰ পাছত	উপন্যাস	॥৵০
কুৰুক্ষেত্ৰ	নাটক	২॥০
জাতীয় সঙ্গীত	গান	২॥০
জালিকি মধুৰী	শিশুসাহিত্য	১॥০
শকুন্তলা	নাটক	২॥০
কথাকলাম শেষছোৱা—	আখ্যান	২৲

ভক্তি বিবেক	ধৰ্ম্মগ্ৰন্থ	২৲
কুমাৰ সম্ভৱ	নাটক	১॥০
ৰাজৰ্ষি	উপন্যাস	২॥০
মানস প্ৰতিমা	নাটক	২৲
বিদ্ৰোহী	উপন্যাস	২॥০
ৰুক্মিণী হৰণ	নাটক	৩।৵
নাৰীৰত্ন	জীৱনী	৩॥০
বেউলা	নাটক	২॥০
লৰাৰ জাতক	গল্প	২৲
নৰকাসুৰ	নাটক	২॥০
জীৱনৰ গতি	উপন্যাস	২॥০
ছত্ৰপতি শিৱাজী	নাটক	২॥০
কাব্যভূমি	সমালোচনা	৩॥০
শ্ৰীৰামচন্দ্ৰ	নাটক	২॥০
তুফান	উপন্যাস	১৲
ৰঙমহল	নাটক	১॥০
লজ্জিতা	নাটক	২৲
অকণিৰ মহাভাৰত		১॥০
পিয়লি ফুকন	নাটক	১।০
কীৰ্ত্তন নামঘোষা সহ		৮॥০

বাণী-মন্দিৰৰ পূজাৰ এটি অনুপম অৰ্ঘ

অমলী বৰাৰ

কবিতা-সম্ভাৰ "ধূলি" পঢ়িছেনে ?

(অধিহণা ॥৵০ অনা মাথোন)

আলোচনীয়ে লিখিছে :—

"ধূলি"ৰ যোগেদি ডেকা কবিয়ে নিজৰ সাৰ্থকতা ভালধৰণে প্ৰকাশিব পাৰিছে।" —সৌমাৰজ্যোতি।

"কেইবাটাও কবিতাত কবি-পোহৰৰ একোচেৰেঙা ফটকটীয়া পোহৰৰ চিন দেখা পাইছোঁ।" —বাৰধেনু।

"প্ৰত্যেকটি কবিতাই আঁতলগা আৰু পঢ়ি ভাললগা।" —ভ্ৰমৰ।

"কবিৰ কবি-প্ৰাণৰপৰা ওলোৱা ভাষা শুৱলা আৰু ভাবধাৰা উচ্চ হৈছে।" —জাগৃতি।

"কবিতা কেইটিৰ ভাব-ভাষা-ছন্দ আদি সকলোপ্ৰকাৰে সুন্দৰ হৈছে।" —ইনচাক।

বাস্তবিকাকতে কৈছে :—

"'ধূলি', 'ছবি', 'উপেক্ষিতা' আৰু 'প্ৰশ্ন',—এই চাৰিটা কবিতাত কবিৰ নবীন হলেও পৰিপূৰ্ণ অন্তৰৰ আবেগৰাশি উথলি পৰিছে।" —নতুন অসমীয়া।

"প্ৰায়বোৰ কবিতাই গতানুগতিক ছন্দত লিখা হলেও গতানুগতিক ভাবপ্ৰৱণতা তাত নাই।" —বাহিৰ।

"কবিতা কেইটিত কবি-প্ৰতিভা নিজস্বভাবে প্ৰকাশ পাইছে। কবিতা কেইটিৰ ভাষা আৰু ছন্দ-মাধুৰ্য্য গঁঠাবেৰে উপভোগ্য।" —অসম সেৱক।

অসমী ৰঞ্জাৰ "[illegible]"ৰ বিষয়ে

কবি-সাহিত্যিকেও কৈছে :

"'ধুমি'ৰ 'আমি জানো আছোঁ ?' 'ছবি', 'উপেক্ষিতা' আদি কেইটিমান ৰচনা বিশেষ ভাল লাগিল।"

—শ্ৰীযুত ডিম্বেশ্বৰ নেওগ।

"'আমি জানো আছোঁ ?' 'মহাকাল', 'অঙ্কুৰ' আদি কবিতা কেইটি ভাল লাগিল, বিশেষকৈ চিন্তাশীলতাৰ চিন ফুটি ওলোৱা কাৰণে।" —অধ্যাপক শ্ৰীযুত প্ৰফুল্লদত্ত গোস্বামী।

"কবিতা কেইটিৰ ভিতৰত মই 'প্ৰশ্ন' কবিতাটো উৎকৃষ্ট বুলি ভাবোঁ। 'আমৰাৰ মধুবন' ৰচি অসমীয়া কাব্য-সাহিত্য ক্ষেত্ৰত কবিৰ শ্ৰীবৰ্দ্ধন হওক।" —শ্ৰীযুত আনন্দচন্দ্ৰ বৰুৱা।

"পুথিখন সৰু হলেও অসমীয়া সাহিত্যত ই ভাল ঠাই লাভ কৰিব বুলি মোৰ বিশ্বাস।" —শ্ৰীযুত ভগীৰাম বৰুৱা।

"'মাধবী'ৰ পিছত এনে কিতাপ আৰু পঢ়িবলৈ পোৱা নাছিলোঁ।" —শ্ৰীযুত নলিনচন্দ্ৰ বৰা।

"মই আপোনাসৱৰ এনে কিতাপ আৰু বিচাৰোঁ।"

—শ্ৰীযুত ভৱপ্ৰসাদ ৰাজখোৱা।

"কিতাপখন স্কুল আৰু লাইব্ৰেৰীৰ কাৰণে বৰ উপযোগী হৈছে।" —শ্ৰীযুত [illegible] চেতিয়াফুকন।

ডাকটিকটে নিৰ্দ্দিষ্ট মূল্য পঠালে কিতাপ দিয়া হয়।

প্ৰাপ্তিস্থান—
সম্পাদক, [illegible]।
[illegible], নগাঁও।

[illegible]